# CONTENTS

## BUDGET SESSION

## No. 2

## Dated, the 12th December, 1996


| | | Page |
|---|---|---|
| (1) | Questions & Answers. | 1 |
| (2) | Point of Order | 49 |
| (3) | Discussion During Zero Hour. | 50 |
| (4) | Call Attention Notice. | 63 |
| (5) | Matter under Rule 301. | 67 |
| (6) | Laying of Rules, Regulations etc. | 70 |
| (7) | Adjournment | 72 |
| (8) | Annexure–I to VI | 73 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

## Thursday the 12th December, 1996

The House met at 9 A. M. of the Clock in the Assembly Chamber at Dispur with Mr. Ganesh Kutum, Speaker in the Chair.

## STARRED

## QUESTIONS AND ANSWERS

**(To which oral answers were given)**

Mr. Speaker : Now, Starred Question No 21, Hon'ble member Sri Wazed Ali Choudhury.

**Re : Identified Blocks.**

Sri Wazed Ali Choudhury asked :

*21. Will the Minister, Food & Civil Supplies be pleased to state :

(a) How many identified Blocks are there in the State ?

(b) Whether all identical Blocks are Getting R.P.D.S. facilities ?

(c) What is the total quantity of rice to be allotted per head under R.P.D.S. Scheme ?

(d) What is the total quantity of rice allotted by the Central Govern -ment under R.P.D.S. Scheme ?

Shri Digen Chandra Bora (Minister, Food & Civil Supplies) replied :

(a) At present there are 217 Blocks in the State.

(b) No.

(c) Maximum 20 k.g. per family per month.

(d) 10,900 MT per month.

* শ্ৰী ওৱাজেদ আলী চৌধুৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাব নেকি ২১৭ টা ব্লকৰ ভিতৰত কিমানটা ব্লক সামৰি লোৱা হৈছে। আৰু এই যিকেইটা আৰ পি, ডি, এচ, লোৱা হৈছে সেইটোত টুটেল চাউল কিমান লাগে?

---

* Speech not corrected

* শ্ৰী দীগেন চন্দ্ৰ বৰা (খাদ্য আৰু যোগান বিভাগৰ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আগতে ৭৭ টা ব্লকত আৰ পি ডি, এচৰ কোটা দিছিলো। এতিয়া ১৪২ টাত দিয়া হয়। আৰু চাউলৰ পৰিমাণ ১৯ হেজাৰ ৯ শ মেট্ৰিক টন।

* শ্ৰী ওৱাজেদ আলী চৌধুৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে সদনত ভুল তথ্য দিছে আমি যিটো জানো সেইমতে ১৪২ টা কাৰণে ৪৪ হেজাৰ ৫ শ ৩ মেট্ৰিক টন লাগে। কিন্তু তাৰ ঠাইত ১০ হেজাৰ ৯ শ মেট্ৰিক টনহে চাউল দিয়া হৈছে।

* শ্ৰী দীগেন চন্দ্ৰ বৰা (খাদ্য আৰু যোগান মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, চাউলৰ পৰিমাণ হৈছে ৪৪ হেজাৰ ৫ শ ৩ মেট্ৰিক টন আৰু এতিয়া দিয়া হৈছে ১০ হেজাৰ ৯ শ মেট্ৰিক টন।

* শ্ৰী ওৱাজেদ আলী চৌধুৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, অৰ্থাৎ গোটেই কেইটা ব্লকতে চাউল দিব পৰা নাই।

* শ্ৰী দীগেন চন্দ্ৰ বৰা (খাদ্য আৰু যোগান মন্ত্ৰী) ঃ নাই দিয়া।

* Shri Abu Saleh Najmuddin : Sir, my question is why the Government is not in a position to lift the total quantity of Rice allocated for RPDS blocks?

* শ্ৰী দীগেন চন্দ্ৰ বৰা (খাদ্য আৰু যোগান মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে আমাক যিমান চাউলৰ প্ৰয়োজন সিমান চাউল পোৱা নাই। ভাৰত চৰকাৰ যিটো এককেচন সেইটোহে দিছে।

* Shri Abu Saleh Najmuddin : Sir, the Government of Assam has already proposed 142 blocks to be covered under RPDS. Against this they could lift only 10,900 Mt against the total quantity of 44,000Mt of rice allotted by the Central Government under RPDS scheme. My question is why the rest of the quantity of rice could not be lifted from the FCI by the State Government ? My question is very specific and very clear.

* শ্ৰী দীগেন চন্দ্ৰ বৰা (যোগান মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে জনসংখ্যা বৃদ্ধি ভিত্তিত আমাক চাউল লাগে ৪৪ হেজাৰ ৫ শ ৩ মেট্ৰিক টন। এতিয়া তাৰ ঠাইত ১০ হেজাৰ ৯ শ মেট্ৰিক টন দিয়া হৈছে। এতিয়া ৰাজ্য চৰকাৰে ভাৰত চৰকাৰলৈ চাউল বৃদ্ধিৰ বাবে লিখালিখি কৰি আছে।

* শ্ৰী হলিৰাম টেৰাং ঃ অধ্যক্ষ মহোদয়, গহপুৰৰ কলাবাৰী, সোনাপুৰ আদি ঠাইত প্ৰায় ৯০ হেজাৰ মানুহে প্ৰায় বহু বছৰ ধৰি অত্যাৱশ্যকীয় সামগ্ৰী যে পোৱা নাই এই কথা মন্ত্ৰী মহোদয়ে জানেনে? তেওঁলোকে নোপোৱা কাৰণ কি? তেওঁলোক বিদেশী নেকি?

---

* Speech not corrected

* শ্ৰী দীগেন চন্দ্ৰ বৰা (যোগান মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটোৰ কাৰণে এটা বেলেগ প্ৰশ্নৰ প্ৰয়োজন হ'ব। তেনেধৰণৰ প্ৰশ্ন আহিলে বিভাগৰ পৰা তথ্য আনি উত্তৰ দিম।

* শ্ৰী হলিৰাম টেৰাং ঃ মাননীয় অধ্যক্ষ মহোদয়, স্পেচিফেকেলি ক'ব নোৱাৰিব পাৰে কিন্তু কলাবাৰী, সোনাপুৰ গাওঁ পঞ্চায়তৰ ৯০ হেজাৰ মানুহে যে বহু বছৰ ধৰি এচেনচিয়েল বস্তু পোৱা নাই তাৰ বাবে ব্যৱস্থা লোৱাৰ কাৰণে মন্ত্ৰী মহোদয়ে এটেনচন দিছেনে নাই?

* শ্ৰী দীগেন চন্দ্ৰ বৰা (যোগান মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে চাই লৈ বিধায়ক গৰাকীক জনাম।

* শ্ৰী ভৰত চন্দ্ৰ নৰহ ঃ মাননীয় অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰে ১৯৯২ চনতে আৰ, পি ডি, এচ,ৰ ক্ষেত্ৰত যিটো চাৰ্কুলাৰ ইছু কৰিছে সেইমতে আৰু পি, ডি এচৰ ব্লক বিলাকে পাৰ লগা চাউল তেওঁলোকক নিদি ডাইৰেক্ট চিভিল ছাপ্লাই যে নন- আৰ, পি, ডি, এচ , ব্লক বিলাকক বিতৰণ কৰিছে আজি জোনাই, ধেমাজি, ঢকুৱাখানা, বিহপুৰীয়া আদি এলেকাত আৰ, পি ডি, এচ,ক চাউল দিব পৰা নাই। কি ভিত্তি কি কাৰণে নন আইডেন্টিফাইড চাউল দি আছে।

* শ্ৰী দীগেন চন্দ্ৰ বৰা (যোগান মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আৰ, পি, ডি এচ,ৰ চাউল আচলতে নন আৰ, পি, ডি, এচ এলেকাত দিয়া নহয়। তথাপিও এই বিষয়টো মই পৰীক্ষা কৰিম।

* শ্ৰী ভৰত চন্দ্ৰ নৰহ ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমত বিশেষকৈ অভূতপূৰ্ব ধৰণে বানপানী হয় সেই কাৰণে অসম চৰকাৰে কেন্দ্ৰীয় মৰ্চা চৰকাৰৰ পৰা যিমান পাৰে চাউল উঠাই আনি বানপীড়িত অঞ্চলত দিব লাগে। কিয়নো আৰ, পি, ডি এচৰ চাউলৰ দাম কুইন্টেলত ৫০ টকা কম আৰু কিলোপ্ৰতি ৩ টকা কম পৰে। এইমানুহ বিলাকে জেনাৰেল চাউল কিনি খাব নোৱাৰে। গতিকে ভাৰত চৰকাৰৰ কনভিন্স কৰি অতিৰিক্ত চাউল আনিব লাগে।

* শ্ৰী দীগেন চন্দ্ৰ বৰা (যোগান মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, বিগত, ৫ বছৰত ইয়াতো কংগ্ৰেছ চৰকাৰ আছিল। তেতিয়াও চাউলৰ পৰিমাণ বঢ়াব পৰা নাছিল। এইটো ৰেকৰ্ড চাই কৈছো।

* ডঃ অৰ্ধেন্দু কুমাৰ দে ঃ অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰ থাকোতে তেনেধৰণৰ ক্ৰাইচিছ হোৱা নাই। এতিয়া আপোনালোকে মৰ্চা চৰকাৰৰ লগত যোগাযোগ কৰিছেনে নাই।

* শ্ৰী দীগেন চন্দ্ৰ বৰা (যোগান মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি আনিব পাৰিম নে নোৱাৰো ক'ব নোৱোৰো কিন্তু চেষ্টা কৰি আছো।

* শ্ৰী আব্দুল মুক্তাদিৰ চৌধুৰী ঃ অধ্যক্ষ মহোদয়, এতিয়া নতুন কৈ ব্লক গঠন কৰাৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

* শ্ৰী দীগেন চন্দ্ৰ বৰা (যোগান মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, ইয়াৰ বাবে বেলেগ প্ৰশ্ন লাগিব।

Mr. Speaker : Now starred Question No 22. Questioner Shri Dileswer Tanti.

---

* Speech not corrected

**বিষয় ঃ ম্যাদি পট্টা দিয়াৰ ব্যৱস্থা ।**

**শ্ৰী দীলেশ্বৰ তাঁতীয়ে সুধিছে ঃ**

*২২। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ম্যাদি পট্টা নোপোৱা ৰাজ্যখনৰ কৃষকসকলক ম্যাদি পট্টা দিবৰ বাবে চৰকাৰে কি আঁচনি হাতত লৈছে?

(খ) ৰাজ্যখনৰ শদিয়া, তিনিচুকীয়া, ঢকুৱাখানা, ধেমাজী, জোনাই আৰু উত্তৰ লক্ষীমপুৰ মহকুমাৰ কৃষকসকলক ম্যাদি পট্টা দিবলৈ চৰকাৰে কি ব্যৱস্থা হাতত লৈছে?

ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসম ভূমি লেক্ষ্য নিয়মাৱলী আৰু অসম ভূমিনীতি অনুসৰি ম্যাদি পট্টা নোপোৱা ৰাজ্যখনৰ কৃষকসকলক ম্যাদি পট্টা দি থকা হৈছে।

(খ) ৰাজ্যখনৰ সকলো জিলাতে প্ৰজোয্য ভূমিলেক্ষ্য নিয়মাৱলী আৰু অসম ভূমি-নীতি অনুসৰি শদিয়া, তিনিচুকীয়া, ঢকুৱাখানা, ধেমাজী, জোনাই আৰু উত্তৰ লক্ষীমপুৰ মহকুমাৰ কৃষক সকলক ম্যাদি পট্টা দি থকা হৈছে।

* শ্ৰী দিলেশ্বৰ তাঁতী ঃ অধ্যক্ষ মহোদয়, বৰ্তমান যিটো অৱস্থাত মাটিৰ পট্টা দি থকা হৈছে তাৰ দ্বাৰা সমাজৰ যিখিনি শিক্ষিত আৰু সবল মানুহ তেওঁলোকেহে এই সুবিধা খিনি গ্ৰহণ কৰিব পাৰিছে কিন্তু যিখিনি দুৰ্বল আৰু অশিক্ষিত লোক তেওঁলোকে এই সুবিধা ল'ব পৰা নাই। গতিকে চৰকাৰৰ ফালৰ পৰা এই কথা বিলাকৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰী নাতি মতে যি সকললোক মাটিৰ পট্টা পোৱাৰ বাবে যোগ্য তেওঁলোকক পট্টা দিয়াৰ ব্যৱস্থা কৰিব নে?

* ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী)ঃ অধ্যক্ষ মহোদয়, চৰকাৰে সকলো যোগ্যলোককে পট্টা দিয়াৰ কাৰণে ব্যৱস্থা হাতত লৈছে। তথাপিও মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে সেই দিশটোৰ প্ৰতি আমি লক্ষ্য ৰাখিম।

* শ্ৰী হলিৰাম টেৰং ঃ অধ্যক্ষ মহোদয়, অসম চৰকাৰৰ নীতি মতে অসমৰ জনজাতীয় লোক সকলক আগতীয়াকৈ মাটি পট্টা দিয়াৰ যিটো কথা ঘোষণা কৰিছিল সেইটো চৰকাৰে পালন কৰিছে নে নাই?

* ডঃ জয়নাথ শৰ্মা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই বিষয়টো পৰীক্ষা কৰিব লাগিব।

* শ্ৰী হলিৰাম টেৰাং ঃ অধ্যক্ষ মহোদয়, অসম চৰকাৰে মাটিৰ পট্টা দিওঁতে কিছুমান নীতিনিয়মৰ ওপৰত ভিত্তিকৰি দিয়ে। যদি সেই নীতি নিয়মৰ ওপৰত ভিত্তি কৰি দিয়ে তেনেহ'লে জনজাতীয় লোকসকলক আগতীয়াকৈ মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা আছে নে নাই? যদি আছে তেনেহ'লে সেইটো কাৰ্যকৰী কৰিছে নে নাই ?

* ডঃ জয়নাথ শৰ্মা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, জনজাতীয় লোকসকলক অগ্ৰাধীকাৰ ভিত্তিত মাটিৰ পট্টন দিয়া ব্যৱস্থাটো এটা প্ৰচলিত ব্যৱস্থা। মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে সেই ক্ষেত্ৰত আমি পাৰ্যমানে ব্যৱস্থা গ্ৰহণ কৰিম।

* শ্ৰী ভৰত চন্দ্ৰ নৰহ ঃ অধ্যক্ষ মহোদয়, ইয়াৰ আগতেও বানপানীত ক্ষতিগ্ৰস্ত লোকক ৫০ হাজাৰকৈ টকা দিয়াৰ ক্ষেত্ৰত সময় লাগিব বুলি কৈছে আৰু আজিও মাটিৰ পট্টা দিয়াক্ষেত্ৰত সময় লাগিব বুলি মন্ত্ৰী মহোদয়ে কৈছে। গতিকে মন্ত্ৰী গৰাকী কাম যে লেহেম হৈছে সেইটো প্ৰকাশ পাইছে। আমি কাগজ পত্ৰবোৰ দলিয়াই দি মাচিভ ওৱেত কাম কৰিবলৈ কোৱা নাই। মই এইটোৱেই কব খুজিছো যে এতিয়া চাৰ্কোল অফিচ বিলাকত যিখিনি কৰ্ম্মচাৰী আছে তেও সেইখিনি কৰ্মচাৰী ঝৰীপৰ কাম খৰতকীয়া ভাবেশেষ কৰিব নোৱাৰি। তাৰ কাৰণে স্টাফ বঢ়াব লাগিব। সেই কাৰণে চাৰ্ভে আৰু নিয়মীয়াকৈ পট্টা দিয়াৰ কাৰণে যিখিনি ব্যৱস্থাৰ প্ৰয়োজন সেই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিবনে?

* ডঃ জয়নাথ শৰ্মা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মই যোৱা কালিয়েই কৈছো যে মই ঢকুৱাখানা আগেগৈ পালো কিন্তু নৰহ ডাঙৰীয়া স্থানীয় বিধায়ক হৈ মোতকৈ পিচতহে গৈ পালে। গতিকেতেখেতে যিটো কথা কৈছে সেই ক্ষেত্ৰত আমি ব্যৱস্থা গ্ৰহণ কৰিম।

* শ্ৰীদেৰহাগ্ৰা মুছাহাৰী ঃ অধ্যক্ষ মহোদয়, মাটিৰ পট্টা দিয়াৰক্ষেত্ৰত আমি দেখিবলৈ পাইছো যে বিশেষকৈ জনজাতী বসতিপূৰ্ণ অঞ্চল সমূহত শতকৰা ৮০ ভাগ কামেই হোৱা নাই। তাৰ ফলত জনজাতীয় লোক সকলে বেংকৰ ঋণ নাপায়। আজি জন জাতীয় অঞ্চল সমূহত যদি কিবা প্ৰজেক্ট হয় সেইবোৰৰ কাৰণে যদি চৰকাৰে মাটি অধিগ্ৰহণ কৰিব লগা হয় তাৰ কাৰণে জনজাতীয় লোক সকলে ক্ষতিপূৰণ নাপায়। আমি দেখিবলৈ পাইছো যে গুৱাহাটী মহানগৰীৰ মাজ মজিয়াতে নতুন ৰাজধানীৰ কাৰণে যেতিয়া মাটি অধিগ্ৰহণ কৰা হয় তেতিয়া জাপৰিগোগ অঞ্চলৰ বহুতো জনজাতীয় লোকে মাটিৰ পট্টা নথকাৰ কাৰণে ক্ষতিপূৰণ নাপালে। সেই দৰে খানাপাৰা অঞ্চলৰো বহুতো জনজাতীয় মানুহে মাটিৰ ক্ষতিপূৰণ পোৱা নাই। গতিকে তেনেকুৱা মানুহ বিলাকক যাতে সোনকালে মাটিৰ পট্টা দিয়া হয় তাৰ কাৰণে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিবনে?

* ডঃ জয়নাথ শৰ্মা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত চৰকাৰে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব।

**বিষয় ঃ বিনামূলীয়াকৈ যোগান**

শ্ৰী ভৰত চন্দ্ৰ নৰহে সুধিছে ঃ

*২৩। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা জুন-জুলাই-আগষ্ট মাহৰ বানপানীত আক্ৰান্ত কৃষকসকলক বিনামূলীয়াকৈ কি কি ৰবি শস্যৰ বীজ বা কঠিয়াৰ যোগান ধৰা হৈছে?

(খ) ঢকুৱাখানা, ধেমাজি, আৰু জোনাই মহকুমাৰ বানপানীত আক্ৰান্ত কৃষকসকলক কি

* Speech not corrected

পৰিমাণে ৰবি শস্যৰ বীজ বা কঠিয়া বিতৰণ কৰিছে?

(গ) ঢকুৱাখানা, জোনাই আৰু ধেমাজিৰ মুঠ কিমান গাওঁ আৰু কিমান সংখ্যক কৃষকক ৰবি শস্যৰ বীজ বিতৰণ কৰা হৈছে?

শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (কৃষি মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ৰবি বতৰত ঘেঁহু, সৰিয়হ, মচুৰ, মাহ আৰু বাদামৰ বীজ যোগান ধৰা হৈছে। কোনো কঠিয়া যোগান ধৰা হোৱা নাই।

(খ) ঢকুৱাখানাত ৯৫৫.৬০ কুইন্টল ঘেঁহু ৩৩৯.৫৫ কুইন্টল সৰিয়হ, ৯৬.০০ কুইন্টল মচুৰ, মাহ আৰু ৩০.০০ কুইন্টল বাদামৰ বীজ বৰ্তমানলৈ বিতৰণ কৰা হৈছে।

ধেমাজি মহকুমাত ঘেঁহু ১৮৬৬.২৭ কুইন্টল, সৰিয়হ ৫০০.০০ কুইন্টল, মচুৰ মাহ ১৫০.০০ কুইন্টল আৰু বাদামৰ বীজ ৯০.০০ কুইন্টল বিতৰৰ কৰা হৈছে।

জোনাই মহকুমাত ঘেঁহু ২২১.৭০ কুইন্টল, সৰিয়হ ১০০.০০ কুইন্টল আৰু বাদামৰ বীজ ১০.০০ কুইন্টল এতিয়ালৈ বিতৰণ কৰা হৈছে।

(গ) ঢকুৱাখানা মহকুমাত মুঠ ২৬৭ খন বান আক্ৰান্ত গাঁৱৰ ২৫,০৬৩ জন, ধেমাজি মহকুমাৰ মুঠ ৫৭৬ খন গাঁৱৰ ৩৭,৩০৭ জন আৰু জোনাই মহকুমাত ১৬৪ খন গাঁৱৰ ৭১০০ জন কৃষকক ৰবি শস্যৰ বীজ বিতৰণ কৰা হৈছে।

* শ্ৰী ভৰত চন্দ্ৰ নৰহ ঃ চাৰ, মাননীয় মন্ত্ৰী মহোদয়ে ৰবি শস্য বিতৰণ কৰা বুলি উত্তৰ দিছে। এতিয়া মই জানিব বিচাৰিছো যে লক্ষীমপুৰ বা ধেমাজী জিলাত নতুনকৈ ৰবি শস্যৰ বীজৰ প্ৰয়োজন হৈছে নেকি আৰু তাৰ কাৰণে অনুৰোধ জনাই চিঠি দিছে নেকি?

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (কৃষি মন্ত্ৰী) ঃ চাৰ, লাগে বুলি অকল ধেমাজী বা লক্ষীমপুৰৰ পৰাই নহয়, ৰাজ্যখনৰ সকলো জিলাৰ পৰাই আহিছে। এইবাৰ কৃষি ক্ষেত্ৰত সকলোৱে ইন্টাৰেষ্ট লৈছে। কিন্তু পইচাৰ অভাবৰ কাৰণে দিব পৰা নাই।

* শ্ৰী ভৰত চন্দ্ৰ নৰহ ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে ৰবি শস্যৰ কাৰণে ঘেঁহু, সৰিয়হ, মচুৰ মাহ আৰু বাদামৰ বীজৰ কাৰণে চিঠি আহিছে। এই ৰবি শস্য ৰাইজক যোগান ধৰাৰ কাৰণে চৰকাৰৰ কি অসুবিধা হৈছে।

* শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (কৃষি মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, বৰ্তমান অসমত ৰবি শস্যৰ ভিতৰত ঘেঁহুৰ বাবেহে সময় আছে। গতিকে বিভিন্ন জিলাৰ পৰা ঘেঁহু দিব পাৰি নেকি সুধিছে।

শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, ধেমাজী, জোনাই, ঢকুৱাখানা মহকুমা আদিত শালি খেতি শেষ হ'ব এই মহকুমাৰ ৰাইজে আহু ধানৰ কঠিয়া বিচাৰিছে। আজি পুৱা ঢকুৱাখানা মহকুমাৰ মহকুমাধিপতিয়ে মোক টেলিফোন কৰি জনাইছে যে ৪ হাজাৰ হেক্টৰ বিঘা মাটিত

* Speech not corrected

আহু খেতি কৰাৰ কাৰণে নিৰ্দেশ দিছে। তাৰ কাৰণে ৪৪ লাখ টকাৰ প্ৰয়োজন হয় গতিকে ধেমাজী, জোনাই আদিৰ কাৰণে আহুধানৰ কঠিয়াৰ কাৰণে তেনেকুৱা আঁচনি প্ৰস্তুত কৰিছে নেকি? মাননীয় মন্ত্ৰী মহোদয়ে আহু ধানৰ কঠিয়া দিয়াৰ ব্যৱস্থা কৰিব লাগে।

* শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (কৃষি মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো প্ৰশ্ন সুধিছে সেই প্ৰশ্নটো এই প্ৰশ্নৰ লগত জড়িত নহয়। তথাপি প্ৰশ্নটোৰ গুৰুত্ব আছে কাৰণেই উত্তৰ দিব বিচাৰিছো। আচলতে অসমত ক্ৰপিং পেটাৰ্ণতো যদি সলনি কৰা নহয় তেতিয়াহ'লে বান আক্ৰান্ত যিবিলাক অঞ্চল আছে সেই বিলাক অঞ্চলত সম পৰিমাণৰ কৃষি শস্য উৎপাদন নহ'ব। বানপানী আক্ৰান্ত অঞ্চলত আমি আৰ্লি আহু খেতি কৰাৰ কাৰণে সিদ্ধান্ত লৈছো। সেই কাৰণেই মাচু ৰী, আয়াৰ ৩৬, ৰঞ্জিত, বাহাদুৰ আদি বীজ বিলাক টেষ্ট কৰি থকা হৈছে। বৰ্তমান ১ লাখ হেক্টৰ বিঘা মাটি ৰখাৰ কাৰণে চেষ্টা কৰিম। তাৰ কাৰণে পানীৰ প্ৰয়োজন হ'ব। পানী নহ'লে খেতি নহয়। কৃষি বিভাগৰ তৰফৰ পৰা চেলো টিউৱেল বহুৱাৰ কাৰণে চেষ্টা কৰি থকা হৈছে।

* শ্ৰী পুলকেশ বৰুৱাঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ক মই এটা ভাল প্ৰশ্ন সুধিব বিচাৰিছো। প্ৰশ্নটো হৈছে বৰক্ষেত্ৰী সমষ্টিৰ বৰভাগ অঞ্চল বাৰিষা কালত সদায় বানপানীত ডুব যায়। এতিয়া তাত আহু ধানৰ খেতি কৰাৰ কাৰণে ডেকা ল'ৰাবিলাক ওলাইছে। তেতিয়া কামত আহিব।

* শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (কৃষি মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো কথা উৎপাদন কৰিছে সেইটো মই জানো। মই ভাবো নেক্সট ইয়াৰ সেই পথাৰ বিলাকত সেউজীয়া ৰং দেখিবলৈ পাব।

* ডাঃ অৰ্ধেন্দু কুমাৰ দে ঃ মাননীয় অধ্যক্ষ মহোদয়, জুন জুলাই আৰু আগষ্ট মাহত যিবিলাক ৰবি শস্যৰ বীজ দিয়াৰ কথা কৈছে সেই বীজ বিলাক কৰ পৰা ক্ৰয় কৰা হৈছে আৰু তাত কিমান টকা খৰচ হৈছে মন্ত্ৰী মহোদয়ে জনাব লাগে ।

* শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (কৃষি মন্ত্ৰী) ঃ চাৰ, এটা বেলেগ প্ৰশ্নৰ প্ৰয়োজন ।

* ডাঃ অৰ্ধেন্দু কুমাৰ দে ঃ চাৰ বেলেগ প্ৰশ্নৰ প্ৰয়োজন নাই। টেণ্ডাৰ কল কৰিছিল নেকি সেইটো কব লাগে।

* শ্ৰী ভৰত চন্দ্ৰ নৰহ ঃ কিমান টকা লাগিছিল সেইটো ক'ব লাগে।

* শ্ৰী হেমন্ত কলিতা ঃ সেই বিলাক কথা ইয়াৰ লগত জড়িত নহয়।

মাননীয় অধ্যক্ষ ঃ এতিয়া তৰা চিহ্নিত প্ৰশ্ন নং ২৪, প্ৰশ্নকৰ্তা মাননীয় সদস্য শ্ৰী প্ৰদান বৰুৱা ।

**বিষয় ঃ জোনাই ৰাজহ চক্ৰৰ গৃহহীনৰ ক্ষতি পূৰণ।**

শ্ৰী প্ৰদান বৰুৱাই সুধিছে ঃ

---

* Speech not corrected

*২৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ইং ১২ মে' ৯৬ ত হোৱা প্ৰবল বানপানীয়ে জোনাই সমষ্টিৰ কিমান লোক গৃহহাৰা হ'ল আৰু খেতি পথাৰ জীৱ জন্তু মৰিল সেই বিষয়ে চৰকাৰ অৱগত নে?

(খ) উক্ত গৃহহীন হোৱা লোকসকলৰ ক্ষতিপূৰণ আৰু পুনৰ সংস্থাপন দিয়াৰ চৰকাৰী আঁচনি গ্ৰহণ কৰিছে নেকি?

(গ) যদি কৰিছে তেতিয়াৰ পৰা ইয়াৰ কাৰ্য্যকৰী ব্যৱস্থা হ'ব?

ডঃ জয়নাথ শৰ্মায়ে উত্তৰ দিছে ঃ

(ক) ১২ মে' ৯৬ তাৰিখে জোনাই সমষ্টিত বানপানী হোৱা নাছিল যদিও পৰৱৰ্তী সময়ত বানপানীত ক্ষয়ক্ষতি হোৱাটো চৰকাৰ অৱগত।

(খ) হয়, অসম সাহায্য নিয়মাৱলীৰ আধাৰত পুনৰ সংস্থাপন দিয়াৰ বাবে চৰকাৰৰ আচনি আছে।

(গ) পুজিৰ ওপৰত নিৰ্ভৰ কৰি ব্যৱস্থা লোৱা হ'ব।

* শ্ৰীপ্ৰদান বৰুৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, ধেমাজী জিলাৰ বিভিন্ন বিভাগত বানপানীত কিমান ক্ষয়ক্ষতি হৈছে আৰু এই ক্ষেত্ৰত কি ব্যৱস্থা লোৱা হৈছে মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে?

* ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আচলতে এইটো এটা বেলেগ প্ৰশ্নৰ প্ৰয়োজন আছিল। তথাপি মই ক'ব বিচাৰিছো যে ধেমাজী মহকুমাত বানপানীত ৬২৪ খন গাঁৱৰ ক্ষয়-ক্ষতি হৈছে, ক্ষতিগ্ৰস্ত এলেকা হৈছে ১ লাখ ৬০ হাজাৰ হেক্টৰ, শস্যক্ষেত্ৰ ক্ষতিগ্ৰস্ত এলেকা হৈছে ৩০,২৫০ হেক্টৰ আৰু ক্ষতিগ্ৰস্ত জনসংখ্যা হৈছে ৩,০০,৩০০ জন।

শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাব নে যে ধেমাজী জিলাত কিমানখন দলং বানপানীয়ে উটুৱাই নিছে আৰু পি ডব্লিউ ডিৰ ৰাস্তা-দলং আদি মেৰামতি আৰু নিৰ্মাণ কৰাৰ কাৰণে কিমান টকা ৰাজহ শিতানৰ পৰা দিছে।

* ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই গোটেই বিষয়টো পি ডব্লিউ ডিৰ লগত জড়িত। কিমানখন দলং উটুৱাই নিছে এই তথ্য সদ্যহতে মোৰ হাতত নাই। পিচত প্ৰশ্ন কৰিলে নিশ্চয় বিভাগে দিব পাৰিব। পি ডব্লিউ ডিলৈ ৫ কোটি টকা মঞ্জুৰী দিয়াৰ কাৰণে সিদ্ধান্ত লোৱা হৈছে।

শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, ধেমাজি জিলাৰ বহুতো পুৰণি দলং পানীয়ে উটুৱাই নিছে। আগতে মন্ত্ৰী মহোদয়ে গড়কাপ্তানি বিভাগত মাত্ৰ ২০ লাখ টকাহে দিছে। সেই টকাৰে যথেষ্ট নহয়। গতিকে আৰু টকা দিয়াৰ ব্যৱস্থা কৰিব নেকি? কাৰণ এজন মানুহ গুৱাহাটীলৈ আজিকালি আহিবলৈ হ'লে ভাড়াৰ বাবদ ১৫০ টকা আৰু ভাত খাওতে ২০ টকা লাগে।

* Speech not corrected

গতিকে সাধাৰণ মানুহ অহাটো সমস্যা হৈ পৰিছে। সেই কাৰণে ধেমাজী জিলাৰ কাৰণে বিশেষ আৰ্থিক অনুদান দিয়াৰ ব্যৱস্থা কৰিব নেকি।

* ডঃ জয়নাথ শৰ্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যি কথা কৈছে তেখেতৰ বক্তব্যৰ প্ৰতি সন্মান জনাই গড়কাপ্তানি বিভাগৰ লগত যোগাযোগ কৰিম।

Mr. Speaker : Now, Starred Question No. 25. Questioner Sri Misbahul Islam Laskar.

Re. : Allotment of P.D.S.

Shri Misbahul Islam Laskar asked :

*25. Will the Minister, Food & Civil Supplies be pleased to state.

(a) Whether it is a fact that P.D.S. allotment of Silchar Town has been curtailed recently by the present Government?

(b) What was the allotment of P.D.S. in Silchar town on 1-2-96 and what is the allotment of the same on 1-11-96 ?

Shri Digen Chandra Bora (Minister, Food and Civil Supplies) Replied:

(a) Only Partially true.

(b) The allotment of P.D.S. commodities made in Silchar town on 1-2-96 and 1-11-96 are as follows:

| 1-2-96 | 1-11-96 |
|---|---|
| Rice 9638.60 Quintals | 6873.18 Qntls |
| S. K. Oil 231442 Lts. | 132327 Lts. |
| Wheat 18,100.00 Qt. | 17,150 Qt. |
| Suger 841.69 Qt | 1109.00 Qt. |

* Shri Misbahul Islam: Hon'ble Speaker Sir, why the P.D.S. allotment Silchar town has been curtailed recently by the present Government. May I know from the Hon'ble Minister Supply that under what ratio the P.D.S. items are distributed in silchar town as well as Village area ?

* Speech not corrected

* শ্ৰী দীগেন চন্দ্ৰ বৰা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, শিলচৰত আগতকৈ কিছু কম দিবলগীয়া হৈছে। এই কাৰণেই কম দিবলগীয়া হৈছে যে কোকৰাঝাৰৰ গোষ্ঠী সংঘৰ্ষ আৰু বানপীড়িত অঞ্চলত চাউল দিবলগীয়া হৈছে। সেই কাৰণে আগতকৈ কিছু কমিছে। কেৰাচিনৰ কথাটো হৈছে যে আগতে শিলচৰত যিমান দিছিলো এতিয়াও সিমানেই দিছো। আগতে টাউনত ৮ লিটাৰ দিছিলো। এতিয়া টাউন আৰু গাঁওত সমানে ৪ লিটাৰকৈ দিছো। যেঁহু আগতে ৩০ হাজাৰ এম টি আহিছিল। যোৱা মাহত ২৭ হাজাৰ এম টি আহিছে। গতিকে সেই কাৰণে কিছু কমিছে।

* শ্ৰীমিচবাহুল ইছলাম লস্কৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, এতিয়া বিদ্যুতৰ বিৰাট সমস্যা। লাইট নোহোৱা কাৰণে ল'ৰা-ছোৱালীৰ পঢ়াত বিৰাট সমস্যা হৈছে। বিদ্যুৎ ১ ঘণ্টাহে থাকে সেই কাৰণে কেৰাচিন বেছিকৈ দিয়াৰ ব্যৱস্থা কৰিব নেকি।

* শ্ৰী দীগেন চন্দ্ৰ বৰা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, কেৰাচিন তেল আগতে যিমান দিছিলো এতিয়াও সিমানেই দিছো। আগতে শিলচৰ টাউনত বেছিকৈ দিয়া হৈছিল, গাঁওত কম আছিল। এতিয়া গাঁও আৰু টাউন সমানে দিছো। তেল আগতে যিমান আহিছে এতিয়াও সিমানেই আহিছে। বেছি পালে বেছিকৈ দিয়া হ'ব।

* শ্ৰীশৰৎ বৰকটকী ঃ অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খুজিছো তেখেতে টাউনতকৈ গাঁওত বেছিকৈ কেৰাচিন তেল দিয়াৰ ব্যৱস্থা কৰিব নেকি।

* শ্ৰী দীগেন চন্দ্ৰ বৰা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এতিয়া সমান কৰিছো।

* শ্ৰীশৰৎ বৰকটকী ঃ অধ্যক্ষ মহোদয়, তেখেতে কৈছে যে গাঁও আৰু টাউনত ৪ লিটাৰকৈ দিছে। গাঁওত বেছিকৈ দিয়াৰ ব্যৱস্থা কৰিব নেকি? কাৰণ গাঁওত বিদ্যুৎ নাথাকে, যাৰ কাৰণে ল'ৰা-ছোৱালীয়ে পঢ়া-শুনা কৰিব নোৱাৰে।

* শ্ৰী দীগেন চন্দ্ৰ বৰা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মই আগতেই কৈছো আপোনালোকৰ দিনত ৮ লিটাৰকৈ দিছিল। আমি এতিয়া সমান কৰিছো। এতিয়া যদি টাউনত কমাব লাগে তেতিয়াহ'লে আপোনাৰ সমষ্টিতে প্ৰথমতে পৰীক্ষা কৰি চাম। আগৰ চৰকাৰেই ভুল কৰি গৈছে।

* শ্ৰীশৰৎ বৰকটকী ঃ অধ্যক্ষ মহোদয়, আগৰ চৰকাৰ বুলি কৈ লাভ নাই। আগৰ চৰকাৰে ভুল কৰিলে বুলি আপোনালোকেও কৰিব নেকি। আপোনালোকে যদি ভুল কৰে তেতিয়াহ'লে আকৌ ইয়াতে বহিব লাগিব।

* শ্ৰী দীগেন চন্দ্ৰ বৰা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মই কোৱা নাই যে আগৰ চৰকাৰে কৰা ভুলটোকে আমি কৰিম। আগৰ চৰকাৰে কৰা ভুলটো আমি এতিয়া শুদ্ধভাৱে কৰিছো।

* শ্ৰীশৰৎ বৰকটকী ঃ অধ্যক্ষ মহোদয়, অসমৰ ভিতৰত সোণাৰীকে যদি বাচি লয় লওক।

* শ্ৰী দীগেন চন্দ্ৰ বৰা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, কৰিব পৰা যাব।

---

* Speech not corrected

* শ্ৰীকালিৰঞ্জন দেৱ ঃ মাননীয় অধ্যক্ষ মহোদয়, বানপানীৰ কাৰণে চাউল এলোটমেণ্ট কমা বুলি কৈছে। নেচাৰেল কেলামিটিৰকাৰণে স্পেচিয়েল এলোটমেণ্ট নাপায় নেকি?

* শ্ৰী দীগেন চন্দ্ৰ বৰা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, স্পেচিয়েল এলোটমেণ্ট পায়। কিন্তু গোষ্ঠী সংঘৰ্ষৰ কাৰণে যিমান চাউল আমি পাব লাগিছিল সিমান পোৱা নাই।

* শ্ৰীহিৰেন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, কেৰাচিনৰ সমস্যাটো সকলোতে আছে। আমাৰ দৰং জিলাতো আছে। আমি শুনিছো যে আগৰ যিজন মন্ত্ৰী আছিল তেখেতে দৰং জিলাৰ কোটাটো কাটি নি তেখেতৰ নিজৰ সমষ্টিলৈ নিছে। সেই কাৰণে আমাৰ জিলা দৰঙত কমি গৈছে। এতিয়া মন্ত্ৰী মহোদয়ে আগৰ কোটাটো আনি দিব নেকি?

* শ্ৰী দীগেন চন্দ্ৰ বৰা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, প্ৰশ্ন আছিল কাছাৰ জিলাৰ এতিয়া দৰং জিলাৰ কাৰণে ক'বলৈ হ'লে বেলেগে প্ৰশ্ন লাগিব।

মাননীয় অধ্যক্ষ ঃ এতিয়া তৰা চিহ্নত প্ৰশ্ন নং ২৬, প্ৰশ্নকৰ্তা মাননীয় সদস্য শ্ৰী দিলীপ কুমাৰ শইকীয়া।

**বিষয় ঃ জৰীপ নোহোৱা মাটি পট্টা বিতৰণ।**

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ

* ২৬। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ কোন কোন মহকুমাৰ মাটি এতিয়াও জৰীপ নোহোৱাকৈ আছে, চৰকাৰীভাৱে এই মাটি জৰীপ কৰি দুখীয়া কৃষকসকলৰ মাজত পট্টা বিতৰণৰ কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

(খ) বৰ্তমান অসমত বাস কৰি থকা কিমানটা পৰিয়াল এতিয়াও পট্টন নোপোৱাকৈ আছে জিলা ভিত্তিত তালিকা সদনৰ মেজত দাখিল কৰিব?

(গ) অসম সীমান্ত অঞ্চলৰ কিমান হেক্টৰ মাটি অৰুণাচল, নাগালেণ্ড, মিজোৰাম, মেঘালয়ৰ কবলত আছে উক্ত সীমান্ত অঞ্চলৰ মাটি বিলাক জৰীপ কৰাৰ কিবা আঁচনি আছে নেকি? যদি আছে তেন্তে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) শদীয়া, ধেমাজী আৰু জোনাই মহকুমাত জৰীপৰ কাম সম্পূৰ্ণ নোহোৱাকৈ আছে। জৰীপৰ কাম সম্পূণ হোৱা এলেকা সমূহত পট্টা বিতৰণৰ কাম হাতত লোৱা হৈছে।

(খ) অসমত বাস কৰি থকা পট্টা নোপোৱা পৰিয়ালৰ হিচাব বৰ্তমান চৰকাৰৰ হাতত নাই।

(গ) অসমৰ সীমান্ত অঞ্চলত অৰুণাচল, নাগালেণ্ড, মিজোৰাম আৰু মেঘালয় ৰাজ্যৰ

---

* Speech not corrected

কবলত অসম চৰকাৰৰ নথিমতে প্ৰায় ১,১৬,৬৮৮.১৩ হেক্টৰ মাটি আছে। এই সীমান্ত অঞ্চলৰ মাটিৰ সীমা নিৰ্ধাৰণৰ জৰীপৰ বাবে সংশ্লিষ্ট সদ্য চৰকাৰৰ লগত আলোচনা চলাই থকা হৈছে।

শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৯ চনৰ মাৰ্চৰ ১৭ তাৰিখে তেতিয়াৰ মুখ্য মন্ত্ৰী আৰু বৰ্তমানৰ মুখ্যমন্ত্ৰী আৰু ৰাজহ মন্ত্ৰী একেলগে গৈ জোনাই আৰু ধেমাজি ৰাজহুৱা অনুষ্ঠানত মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰিছিল। ৰাইজক মাতি আনি পট্টা দিয়াৰ ব্যৱস্থা কৰিছিল। গতিকে ৮৯ চনৰ দৰে এতিয়াও মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰিব নেকি? অসম, অৰুণাচল মাটি জৰীপ কৰি ভৱিষ্যতে পট্টা দিয়াৰ ব্যৱস্থা কৰিব নেকি? অসম, অৰুণাচল সীমান্তত সোৱণশিৰি ৰিজাৰ্ভত ২৩ হেজাৰ বিঘা মাটি পৰি আছে। সেই মাটি বিলাক অৰুণাচলৰ ৰাইজে বেদখল কৰি আছে আৰু খেতি কৰি আছে। তাত ফৰেষ্ট ৰিজাৰ্ভ আছে কিন্তু তাত গছ নাই। গোটেই বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি দুখীয়া ৰাইজক সংস্থাপিত কৰাৰ ব্যৱস্থা কৰিব নেকি?

* ডঃ জয়নাথ শৰ্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো ৰাজহ বিভাগৰ লগত জড়িত নহয় যদিও বন বিভাগৰ লগত যোগাযোগ কৰি ব্যৱস্থা লোৱা হ'ব। সোৱণশিৰি ৰিজাৰ্ভৰ ফৰেষ্টৰ লগত যোগাযোগ কৰি তেখেতসকলক ব্যৱস্থা ল'বলৈ অনুৰোধ কৰা হ'ব। অসমত বাস কৰা বিভিন্ন ভূমিহীন পৰিয়াল বহুতো আছে। ১৯৯১ চনৰ ছেন্‌চাচ মতে প্ৰায় ২ কোটি। কিন্তু চৰকাৰীভাৱে জৰীপ কৰা হোৱা নাই। সেই কাৰণে সম্পূৰ্ণ তথ্য দিব পৰা নাযায়।

শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ অধ্যক্ষ মহোদয়, এল, পি, এম, ই স্কুলৰ শিক্ষকসকলক জড়িত কৰি এই মাটি জৰীপ কৰাৰ ব্যৱস্থা কৰিব নেকি? কাৰণ ভূমিহীন মানুহখিনিৰ হাতত মাটিৰ পট্টা নাই। সেই কাৰণে মই চৰকাৰক অনুৰোধ কৰিছো যাতে এই ৫ বছৰৰ ভিতৰত জৰীপ কৰাৰ ব্যৱস্থা কৰে।

* ডঃ জয়নাথ শৰ্মা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, সময়ে সময়ে আমাৰ ভূমি সম্পৰ্কীয় জৰীপ হৈ থাকে। গতিকে এতিয়া সেইবিলাকো সামৰি লৈ জৰীপ কৰাৰ ব্যৱস্থা কৰা হ'ব।

* শ্ৰীহেমন্ত কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, বৰ্তমানলৈকে বহুত অঞ্চলত মানুহে মাটি পট্টন পোৱা নাই। যিসকলে এতিয়ালৈকে মাটি পট্টন পোৱা নাই সেইসকলক সোনকালে মাটি পট্টন দিয়াৰ ব্যৱস্থা ল'ব লাগে। অসম-নাগালেণ্ড সীমান্তত যিবিলাক মাটি আছে, সেইবিলাক ডি-ৰিজাৰভেশ্যন কৰা হোৱা নাই। সেইবিলাক ডি-ৰিজাৰভেশ্যন কৰি মাটি পট্টন দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

* ডঃ জয়নাথ শৰ্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো পৰীক্ষা কৰি চাব লাগিব। যিসকল মানুহে মাটি পট্টন পোৱা নাই, সেই কথা চৰকাৰৰ দৃষ্টিগোচৰ হ'ব লাগিব। মাটি নোহোৱা মানুহক চৰকাৰে মাটি দিব যদি চৰকাৰৰ দৃষ্টিগোচৰ হয়।

* Speech not corrected

* শ্ৰীমতী ৰেনুপমা ৰাজখোৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে টিয়ক সমষ্টিৰ অন্তৰ্গত চিনাতলি গাঁৱৰ মানুহক এতিয়ালৈকে মাটি পট্টন দিয়া হোৱা নাই। এই বিষয়টোৰ প্ৰতি ৰাজহ মন্ত্ৰীয়ে কিবা ব্যৱস্থা গ্ৰহণ কৰিব নেকি?

* ডঃ জয়নাথ শৰ্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাটি পট্টনৰ ক্ষেত্ৰত তথ্যৰ ওপৰতহে নিৰ্ভৰ কৰে। যিসকলক মাটি পট্টন দিয়া হোৱা নাই, সেইসকলৰ তথ্য পালে নিশ্চয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম-অৰুণাচল সীমান্ত অঞ্চলত সীমা বিবাদ হৈ থাকে। অৰুণাচলৰ পৰা তেওঁলোকে অসমৰ সীমা অতিক্ৰম কৰি আহি বিভিন্ন ধৰণৰ স্কুল, পানী যোগান আঁচনি অসমৰ এলেকাত স্থাপন কৰিছে। তেনেদৰে নাগালেণ্ড চৰকাৰেও বিভিন্ন ধৰণৰ কাম আমাৰ অসমৰ মাটিত কৰি আছে। সেই সীমান্ত অঞ্চলত মাটিৰ পট্টন হোৱা নাই কাৰণে এইবিলাক হৈ আছে। এই ক্ষেত্ৰত চৰকাৰে অতি সোনকালে ব্যৱস্থা গ্ৰহণ কৰিব নেকি?

* ডঃ জয়নাথ শৰ্মা (মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো সম্পৰ্কত পৃথকভাৱে প্ৰশ্ন কৰাহেঁতেন ভাল আছিল। আমাৰ ৰাজ্যখনে বিভিন্ন সময়ত এই সম্পৰ্কত মুখ্যমন্ত্ৰী পৰ্যায়ত আৰু মুখ্য সচিব পৰ্যায়ত ১৯৭২ চনৰ ৫০ বাৰ আলোচনা-বিলোচনা হৈছিল। এনে ধৰণৰ বিভিন্ন সমস্যা বিভিন্ন ৰাজ্যৰ লগত হৈ থাকে। সেই বিষয়ে পৰিষ্কাৰ কৰি ক'বলৈ হ'লে নথি আনিব লাগিব, তেতিয়া তাৰ সঠিক উত্তৰ দিব পৰা যাব।

* শ্ৰীগহীন চন্দ্ৰ দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাব নেকি যে আমাৰ বিশেষকৈ 'ইণ্টাৰ ডিষ্ট্ৰিক বৰ্ডাৰ' বিলাকত সঘনাই 'ডিচপুট' হৈ থাকে। নগাঁও-কাৰ্বি আংলং জিলাৰ সীমাৰ সদায় এনে ধৰণৰ 'ডিচপুট' হৈ থাকে। এই দুখন জিলাৰ ১৬১খন গাঁৱৰ মাজত মাটিত সংক্ৰান্তত 'ডিচপুট' হৈ থাকে।

* শ্ৰীভৃগু কুমাৰ ফুকন ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা বছৰকেইটাত মাটি পট্টন দিয়াৰ ক্ষেত্ৰত যথেষ্টখিনি খেলিমেলি দেখা গৈছে। এই ক্ষেত্ৰত কেনে ধৰণৰ মানুহে মাটি পাইছে তাৰ বিষয়ে চৰকাৰে এটা তদন্ত কৰি ব্যৱস্থা গ্ৰহণ কৰিব নেকি?

* ডঃ জয়নাথ শৰ্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা কেইটা বছৰত কোনে কিমান মাটি পাইছে দুই-এটা তদন্তৰ কৰাত দেখা যে তেতিয়া ডি এল আৰৰ নামত মাটি পাইছে, ৰাজহ মন্ত্ৰীয়ে লৈছে, আগৰ চৰকাৰৰ, এ পি এছ চিৰ সভাপতি ডঃ দাস ঘৰৰ কাৰণে মাটি লৈ কমাৰচিয়েলৰ কাৰণে ব্যৱহাৰ কৰিছে। তেখেতে ২৫ হেজাৰ টকা ইনকম বুলি কৈছে, কিন্তু এ পি এছ চি আইন আছে, ৰোল মতে ৭ হেজাৰ টকা তেওঁ পায়। গতিকে ইয়াত বহুতো খেলিমেলি হৈছে। তদন্ত কৰিব পৰা যাব। কিন্তু তদন্ত কৰিলেই ওলাব যে এইটো ৰাজনৈতিক চাল। সেই কাৰণে আমি আইনগতভাৱে যিখিনি কৰিব পাৰি সেইখিনি চাম।

* Speech not corrected

* শ্ৰীআব্দুল হামিদ ঃ মাননীয় অধ্যক্ষ মহোদয়, বহুত মাটি এতিয়ালৈকে জৰীপ নোহোৱাকৈ আছে। চৰ অঞ্চলৰ মাটি জৰীপ কৰাৰ কাৰণে কিবা ব্যৱস্থা লৈছে নেকি?

* ডঃ জয়নাথ শৰ্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, চৰ অঞ্চলৰ এটা জৰীপ নীতি আছে। আৰু সেই ভাবে আমি জৰীপৰ ব্যৱস্থা কৰিম।

Mr. Speaker : Now, Starred Question No. 27. Questioner Sri Rabin Bonikya, Hon'ble Minister Labour to reply.

বিষয় ঃ নিয়োগ বিনিময় কেন্দ্ৰ স্থাপন ।

শ্ৰীৰবীণ বনিক্যই সুধিছে ঃ

* ২৭। মাননীয় শ্ৰম আৰু নিয়োগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) উত্তৰ শালমাৰা মহকুমাৰ নিয়োগ বিনিময় কেন্দ্ৰ স্থাপনৰ কিবা ব্যৱস্থা হাতত লৈছে নে?

খ) যদি লোৱা নাই, কিয় লোৱা নাই আৰু এই ব্যৱস্থা কেতিয়া লোৱা হ'ব?

শ্ৰীযুত ফণীভূষণ চৌধুৰী (নিয়োগ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) উত্তৰ শালমাৰা মহকুমাৰ সদৰ ঠাই অভয়াপুৰীত এটি নিয়োগ বিনিময় কেন্দ্ৰ স্থাপন কৰাৰ প্ৰস্তাৱ ১৯৯৭-৯৭ বিত্তীয় বছৰৰ খচৰা বাৰ্ষিক পৰিকল্পনাত অন্তৰ্ভুক্ত কৰা হৈছে।

খ) প্ৰশ্ন নুঠে।

* শ্ৰীৰবীন বণিক্য ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ উত্তৰ পালো। তেখেত আমাৰ জিলাৰ কেবিনেট মন্ত্ৰী, তেখেতৰ কাম-কাজৰ পৰা আমাৰ জিলাৰ উন্নতি হ'লে ভাল হয়।

**(Starred Question No. 28. was postponed)**

Mr. Speaker : Now, Starred Question No. 29. Questioner Sri Mohan Das. Hon'ble Minister Culture to reply.

বিষয় ঃ কৃষি ক্ষেত্ৰৰ উন্নতি ।

শ্ৰীমোহন দাসে সুধিছে ঃ

* ২৯। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিশ্ব বেংকৰ সাহাৰ্য্যৰে অসমৰ কৃষিক্ষেত্ৰৰ উন্নতি সাধন কৰিবলৈ কি কি ব্যৱস্থা গ্ৰহণ

* Speech not corrected

কৰা হৈছে?

(খ) বৰপেটা জিলাৰ কৃষি ক্ষেত্ৰৰ বাবে কেনে ধৰণৰ আঁচনি লোৱা হৈছে?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (কৃষি মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) কৃষি বিভাগত লোৱা ব্যৱস্থাসমূহ এনে ধৰণৰ ঃ

(১) দাৰিদ্ৰতা দূৰীকৰণ।

(২) কৃষিভিত্তিক অনুষ্ঠান-প্ৰতিষ্ঠানবোৰৰ উন্নতি সাধন। মুখ্যতঃ প্ৰযুক্তি উদ্ভাৱন — প্ৰশিক্ষণ, সম্প্ৰসাৰণ, বীজ উদ্ভাৱন আৰু ভূমি সংস্কৰণ।

৩) আন্তঃগাঁথনিৰ উন্নয়ন।

(৪) বহু তৰপীয়া উদ্যান শস্যৰ লগতে বহুমুখী শস্যৰ প্ৰদৰ্শনৰ ব্যৱস্থা।

(৫) অ-গভীৰ নলী-নাদ স্থাপনেৰে জলসিঞ্চন ব্যৱস্থাবোৰ উন্নতি সাধন কৰা।

(৬) কৃষকৰ প্ৰশিক্ষণৰ ব্যৱস্থা।

(৭) শীতল ভঁৰাল স্থাপন। ইত্যাদি।

(খ) উক্ত আঁচনিবোৰ ৰূপায়ণ কৰিবলৈ বৰপেটা জিলাৰ আলুপটি চৰত এটা নতুনকৈ কৃষি মহকুমা স্থাপন কৰা হৈছে।

* শ্ৰীমোহন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমত কৃষিৰ যি ধৰণে উন্নতি হ'ব লাগিছিল সেই ধৰণে হোৱা নাই। এইটো সকলোৱে জানে। এটা সময়ত সেউজ বিপ্লৱৰ কথা কোৱা হৈছিল, কিন্তু অসমত সেইটো কাৰ্যকৰী নহ'ল। কৃষিৰ উন্নতিৰ কাৰণে কি ধৰণৰ ব্যৱস্থা লোৱা হৈছে, বিশেষকৈ জলসিঞ্চন আৰু অগভীৰ নলী-নাদৰ যোগেদি পানী যোগানৰ ব্যৱস্থা কোৱা হৈছে। আৰু অগভীৰ নলী-নাদৰ ব্যৱস্থাও লোৱা হৈছিল, এই আঁচনি মোৰ সমষ্টিটো কৰা হৈছিল। কিন্তু সেইবালক কোনো দিনে কাৰ্যত ৰূপায়িত নহ'ল। ভৱিষ্যতৰ কাৰণে এই ক্ষেত্ৰত কাৰ্যকৰী ব্যৱস্থা লোৱা হৈছে নেকি অনুগ্ৰহ কৰি আমাৰ কৃষি মন্ত্ৰী ডাঙৰীয়াই জনাব নেকি?

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, আচলতে বিশ্ব বেংকৰ আঁচনি সমূহৰ মূল উদ্দেশ্য হ'ল — ইনফ্ৰাষ্ট্ৰাক্‌চাৰেল ডেভ'লপমেণ্ট আৰু পানী যোগান অগভীৰ নলী-নাদেৰে কৰিব পৰা যায়। ওৱৰ্ল্ড বেংকে এই কথা কৈছে সেইটো আমাৰ নহয়। ইৰিগেশ্বন বিভাগটো আমাৰ নহয়। আমাৰ চৰকাৰ অহাৰ পিছত পানী যোগানত গুৰুত্ব দিয়া হৈছে। আমাৰ চি আই পি স্কীম আছে। ইয়াৰ যোগেদি পানী যোগানৰ ব্যৱস্থা কৰা হৈছে। টাৰগেট আছে। এন ডিব্লিউ, ডি পি আৰৰ জৰিয়তে আমাৰ পানী যোগানৰ ব্যৱস্থা কৰা হৈছে। তাৰ উপৰিও বিশ্ব বেংকৰ জৰিয়তে আমি পানী যোগানৰ ব্যৱস্থা কৰিছো। বিশ্ব বেংকে যি

* Speech not corrected

সিদ্ধান্ত লৈছে, এই সম্পৰ্কে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

* শ্ৰীমুনীন মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, বিশ্ব বেংকৰ যি সিদ্ধান্ত আছে সেই মতে পাম্পচেটৰ ধন আৱণ্টন কৰিব লাগে। ধন আৱণ্টন নকৰি ৰাখি থোৱা কথাটো সঁচা নেকি?

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, আচলতে আৱণ্টনৰ ধন আৰ ডি হৈ আছে। এতিয়া পইচা নাই। সমস্যা হৈছে। মাননীয় সদস্যগৰাকীৰ জ্ঞাতাৰ্থে অতি দুখেৰে জনাও যে — ধন আৰ ডি হৈ থাকে, কিন্তু এইবাৰ যি পইচা আহিব, সেই পইচাখিনি খৰচ কৰা হ'ব। এইটো মই আশ্বাস দিব পাৰো। আৰ ডিৰ কথাটোত মই আশ্বাস দিব নোৱাৰো। যোৱা ৫টা বছৰে আগৰ চৰকাৰে পইচা খৰচ নকৰিলে। বিশ্ব বেংকৰ পৰা টিম ২ বাৰ আহিছিল, তেওঁলোকে সেইবিলাক ব্লেক স্কীম বুলি কৈছে আৰু কেঞ্চেল কৰিব বিচাৰিছে। কিন্তু আমাৰ চৰকাৰ অহাৰ পিচত আমাৰ অনুৰোধতহে বিশ্ব বেংক আহিছে, নহ'লে পলালেহেঁতেন।

* শ্ৰীহীৰেন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, কৃষি কাৰ্য ভালকৈ চলাবৰ বাবেআমি এটা ব্যৱস্থা ল'ব পাৰো নেকি, এই সন্দৰ্ভত এখন কৃষি উপদেষ্টা পৰিষদ গঠন কৰিলে ভাল হয়। এই ক্ষেত্ৰত চৰকাৰে ব্যৱস্তা ল'ব নেকি?

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষমহোদয়, এই বিষয়ে চিন্তা কৰি চোৱা নাই। তেখেতে কৈছে যেতিয়া চিন্তা কৰি চোৱা হ'ব।

* শ্ৰী আবু চালেহ নাজমুদ্দিন ঃ মাননীয় অধ্যক্ষ মহোদয়, বিশ্ব বেংকৰ সাহায্যত বৰাক উপত্যকাৰ কৰিমগঞ্জ আৰু কাছাৰ জিলাত কিবা আঁচনি লৈছে নেকি?

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কে বেলেগ প্ৰশ্ন লাগিব।

* শ্ৰীশ্বেখ আব্দুল হামিদ ঃ মাননীয় অধ্যক্ষ মহোদয়, বৰপেটা জিলাৰ আলুপটি চৰত মহকুমা স্থাপন কৰাৰ ব্যৱস্থা লোৱা হৈছিল। এই গোটেইখিনি ব্যৱস্থা সম্পূৰ্ণ হৈছে নেকি কৃষি মন্ত্ৰীয়ে জনাব নে? এইটো নিৰ্মাণ কাৰ্য সোনকালে কৰাৰ ব্যৱস্থা কৰিব লাগে আৰু আধাৰশিলা স্থাপন কৰিব নেকি?

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, চৰ অঞ্চলৰ মানুহে কৃষিত গুৰুত্ব দিয়ে। সেই কাৰণে আমাৰ চৰকাৰে ৰাইজৰ উন্নতিৰ বাবে কৃষি মহকুমা স্থাপন কৰিছে। চৰ অঞ্চলৰ মানুহে আদৰ কৰিমাতিলে আমি আধাৰশিলা স্থাপন কৰিম।

Mr. Speaker : Now Starred Question No. 30. Questioner Dr. Ardhendu Kumar Dey.

**Re: No. of Appointment.**

Dr. Ardhendu Kumar Dey asked :

---

* Speech not corrected

* 30. Will the Minister of Labour & Employment be pleased to state:

a) Whether it is a fect that Employment Exchange Act. 1959 is often violated by many employers within the state ?

b) If so, what should be Government action against such Violation?

Shri Phani Bhusan Choudhary (Minister, Labour and Employment) replied.

a) There have been some cases of violation of the provisions of the Employment Exchanges (Compulsary Notification of Vacancies) Act, 1959 by the employers.

b) Actions is taken as per provisions of the afore said Act.

* ডাঃ অৰ্ধেন্দু কুমাৰ দেঃ মাননীয় অধ্যক্ষ মহোদয়, এই ভায়োলেশ্বনটো এভয়ড কৰাৰ কাৰণে কি ব্যৱস্থা লোৱা হৈছে মন্ত্ৰী মহোদয়ে জনাবনে?

* শ্ৰীফণীভূষণ চৌধুৰী (মন্ত্ৰী) মাননীয় অধ্যক্ষ মহোদয়, এই সংক্ৰান্তত ১৫৬টা কেচ ধৰা পৰিছে। তাৰ ভিতৰত ৭২টা কেচ জুডিচিলেয় কোৰ্টত দাখিল কৰা হৈছে। তাৰ ৯টা কেচ ইতিমধ্যে আণ্ডাৰ চেক্‌শ্যন ৪ আৰু এছ/এছ ২ মতে শাস্তি দিয়া হৈছে।

( Starred Question No. 31 to 35 and Nos 37 to 40 could not be taken up as the Question Hour was over, However, the said Question, deemed to have been laid on the table of the house with replies there-to )

**Re : National Watershed Development Project.**

Shri Abdul Muqtadir Choudhaury asked :

* 31. Will the Minister of Agriculture be pleased to state :-

(a) How many projects have been taken under Natioal Watershed Development Project in Rainfed Areas within Karimganj District and how many Hector of lands have been taken under these Projects within Karimganj District ?

(b) What are the amount sanctioned against each project and what is the actual amount released and utilised in Karimganj Dis-

* Speech not corrected

trict from 1991-92 to 1994-95?

(c) Area covered by each micro watershed project and the kinds of benefit given under intergrated Development?

Shri Chandra Mohan Patowary (Minister of Agriculture) replied:

a) i. 4 (four) NWDPRA Projects taken under in Karimganj District.

ii. These projects covers 2710.39 Hactor.

b) Since 1991-92 to 1994-95

| Project | Amount Sanctioned (Lakhs) | Amount released (lakhs) | Amount utilised (Lakhs) |
|---|---|---|---|
| 1. Barrncherra | 15.5124 | 6.390 | 3.956 |
| 2. Anduacherra | 13.0788 | 6.833 | 4.853 |
| 3. Borcherra Dohalia | 18.6070 | 0.51878 | 0.51878 |
| 4. Baghaeherra | 15.8406 | 1.920 | 1.920 |

(c) Arrea covered under each NWDPRA are as follows :

| Name of Project | Area cover |
|---|---|
| 1. Barunncherra NWDPRA | 723.55 Hactor |
| 2. Anduacherra | 638.00 " |
| 3. Barcherra | 755.53 " |
| 4. Baghaeherra | 593.25 " |

1. Anduacherra NWDPRA

a) No Raining given - 1 Nos

b) Establishment of composit Nurssary - 1 No

c) Establishment of Kissan Nurssary - 1 No.

| | | | |
|---|---|---|---|
| d) | Establishment of Barani Chetnakendra | - | 1 No. |
| e) | Crop Demonstration | - | 463 Nos. (231 Hactor) |
| f) | Dry land Horticulture (tree) | - | 862 Nos |
| g) | Agro Forestry (tree) | - | 6700 Nos |
| h) | Composit Pit (family) | - | 100 Nos. |
| i) | Homsteed Garden | - | 252 Nos. |
| j) | House hold production benefit | - | 101 Nos. |
| k) | Life fencing | - | 20 Nos. |
| l) | Gully control measure | - | 50 Nos |
| m) | Bank establishment work | - | 605 Nos. |
| n) | Loose Boulder work | - | 57 Nos. |
| o) | Earthen structure | - | 40 Nos. |
| ii) | Barumcherra NWDPRA | | |
| a. | No of Training given | - | 4 Nos |
| b. | Establishment of composit nurssary | - | 1No. |
| c. | Establishment of Kissan nurssary | - | 1 No. |
| d. | Establishment of Barani Chetna Kendra | - | 1 No. |
| e. | Crop demostration | - | 535 Nos |
| f. | Agro Forestry (tree) | - | 8000 Nos |
| g. | Dry land Horticulture (tree) | - | 1331 Nos |
| h. | Compost pit (family) | - | 200 Nos |
| i. | Homstead Garden | - | 378 Nos |
| j. | Household production system | - | 173 Nos |
| k. | Gully control Measure | - | 74 Nos |
| l. | Life Fencing | - | 5270 RMT |

| | | | |
|---|---|---|---|
| m. | Bank Stablisation | - | 3127 RMT |
| n. | Life check dam | - | 50 Nos |
| o. | Loose Boulder check | - | 25 Nos |
| p. | Earthen structure | - | 26 Nos |
| q. | Planting of shrubs | | 2463 Nos |

iii) Barcherra NWDPRA

| | | | |
|---|---|---|---|
| a. | No. of training held (6 days) | - | 1 No. |
| b. | Composit Nurssary | - | 1 No. |
| c. | Kissan Nurssary | - | 10 Nos |
| d. | Establishment of Barani Chetna Kendra | - | 1 No. |
| e. | Crop Demonstration | - | 49 Nos |
| f. | Agro Forestry (trees) | - | 3000 Nos |
| g. | Dry land Horticulture (trees) | - | 1500 Nos |
| h. | Compost pit (family) | - | 309 Nos |
| i. | Homstead Garden | - | 137 Nos |
| j. | Household production system | - | 50 Nos |
| k. | Life fencing | - | 1000 RMT |
| l. | Vegitative contour hedge | - | 16 Hac. |
| m. | Bank stablisation | - | 2000 RMT |
| n. | Brush Wood dam | - | 200 Nos |
| o. | Sunken pond | - | 15 Nos |
| p. | Earthen srtucture | - | 18 Nos |
| q. | Planting of trees | - | 3000 Nos |
| r. | Vegetative ( Non-Arable land Filter strip) | - | 500 RM |

* 30. Will the Minister of Labour & Employment be pleased to state:

a) Whether it is a fect that Employment Exchange Act. 1959 is often violated by many employers within the state ?

b) If so, what should be Government action against such Violation?

Shri Phani Bhusan Choudhary (Minister, Labour and Employment) replied.

a) There have been some cases of violation of the provisions of the Employment Exchanges (Compulsary Notification of Vacancies) Act, 1959 by the employers.

b) Actions is taken as per provisions of the afore said Act.

* ডাঃ অৰ্ধেন্দু কুমাৰ দেঃ মাননীয় অধ্যক্ষ মহোদয়, এই ভায়োলেশ্বনটো এভয়ড কৰাৰ কাৰণে কি ব্যৱস্থা লোৱা হৈছে মন্ত্ৰী মহোদয়ে জনাবনে?

* শ্ৰীফণীভূষণ চৌধুৰী (মন্ত্ৰী) মাননীয় অধ্যক্ষ মহোদয়, এই সংক্ৰান্তত ১৫৬টা কেচ ধৰা পৰিছে। তাৰ ভিতৰত ৭২টা কেচ জুডিচিলেয় কোৰ্টত দাখিল কৰা হৈছে। তাৰ ৯টা কেচ ইতিমধ্যে আণ্ডাৰ চেক্শ্যন ৪ আৰু এছ/এছ ২ মতে শাস্তি দিয়া হৈছে।

( Starred Question No. 31 to 35 and Nos 37 to 40 could not be taken up as the Question Hour was over, However, the said Question, deemed to have been laid on the table of the house with replies there to )

**Re : National Watershed Development Project.**

Shri Abdul Muqtadir Choudhaury asked :

* 31. Will the Minister of Agriculture be pleased to state :-

(a) How many projects have been taken under Natioal Watershed Development Project in Rainfed Areas within Karimganj District and how many Hector of lands have been taken under these Projects within Karimganj District ?

(b) What are the amount sanctioned against each project and what is the actual amount released and utilised in Karimganj Dis-

trict from 1991-92 to 1994-95?

(c) Area covered by each micro watershed project and the kinds of benefit given under intergrated Development?

Shri Chandra Mohan Patowary (Minister of Agriculture) replied:

a) i. 4 (four) NWDPRA Projects taken under in Karimganj District.

ii. These projects covers 2710.39 Hactor.

b) Since 1991-92 to 1994-95

| Project | Amount Sanctioned (Lakhs) | Amount released (lakhs) | Amount utilised (Lakhs) |
|---|---|---|---|
| 1. Barrncherra | 15.5124 | 6.390 | 3.956 |
| 2. Anduacherra | 13.0788 | 6.833 | 4.853 |
| 3. Borcherra Dohalia | 18.6070 | 0.51878 | 0.51878 |
| 4. Baghaeherra | 15.8406 | 1.920 | 1.920 |

(c) Arrea covered under each NWDPRA are as follows :

| Name of Project | Area cover |
|---|---|
| 1. Barunncherra NWDPRA | 723.55 Hactor |
| 2. Anduacherra | 638.00 " |
| 3. Barcherra | 755.53 " |
| 4. Baghaeherra | 593.25 " |

1. Anduacherra NWDPRA

a) No Raining given - 1 Nos

b) Establishment of composit Nurssary - 1 No

c) Establishment of Kissan Nurssary - 1 No.

| | | | |
|---|---|---|---|
| d) | Establishment of Barani Chetnakendra | - | 1 No. |
| e) | Crop Demonstration | - | 463 Nos. (231 Hactor) |
| f) | Dry land Horticulture (tree) | - | 862 Nos |
| g) | Agro Forestry (tree) | - | 6700 Nos |
| h) | Composit Pit (family) | - | 100 Nos. |
| i) | Homsteed Garden | - | 252 Nos. |
| j) | House hold production benefit | - | 101 Nos. |
| k) | Life fencing | - | 20 Nos. |
| l) | Gully control measure | - | 50 Nos |
| m) | Bank establishment work | - | 605 Nos. |
| n) | Loose Boulder work | - | 57 Nos. |
| o) | Earthen structure | - | 40 Nos. |
| ii) | Baruncherra NWDPRA | | |
| a. | No of Training given | - | 4 Nos |
| b. | Establishment-of composit nurssary | - | 1No |
| c. | Establishment of Kissan nurssary | - | 1 No. |
| d. | Establishment of Barani Chetna Kendra | - | 1 No. |
| e. | Crop demostration | - | 535 Nos |
| f. | Agro Forestry (tree) | - | 8000 Nos |
| g. | Dry land Horticulture (tree) | - | 1331 Nos |
| h. | Compost pit (family) | - | 200 Nos |
| i. | Homstead Garden | - | 378 Nos |
| j. | Household production system | - | 173 Nos |
| k. | Gully control Measure | - | 74 Nos |
| l. | Life Fencing | - | 5270 RMT |

| | | |
|---|---|---|
| m. | Bank Stablisation | - 3127 RMT |
| n. | Life check dam | - 50 Nos |
| o. | Loose Boulder check | - 25 Nos |
| p. | Earthen structure | - 26 Nos |
| q. | Planting of shrubs | 2463 Nos |

iii) Barcherra NWDPRA

| | | |
|---|---|---|
| a. | No. of training held (6 days) | - 1 No. |
| b. | Composit Nurssary | - 1 No. |
| c. | Kissan Nurssary | - 10 Nos |
| d. | Establishment of Barani Chetna Kendra | - 1 No. |
| e. | Crop Demonstration | - 49 Nos |
| f. | Agro Forestry (trees) | - 3000 Nos |
| g. | Dry land Horticulture (trees) | - 1500 Nos |
| h. | Compost pit (family) | - 309 Nos |
| i. | Homstead Garden | - 137 Nos |
| j. | Household production system | - 50 Nos |
| k. | Life fencing | - 1000 RMT |
| l. | Vegitative contour hedge | - 16 Hac. |
| m. | Bank stablisation | - 2000 RMT |
| n. | Brush Wood dam | - 200 Nos |
| o. | Sunken pond | - 15 Nos |
| p. | Earthen srtucture | - 18 Nos |
| q. | Planting of trees | - 3000 Nos |
| r. | Vegetative ( Non-Arable land Filter strip) | - 500 RM |

(১) খাৰিজ বতৰত পথাৰবোৰ বোৰতী পানীৰে উপচি পৰাৰ বাবে সাৰ প্ৰয়োগত বাধাগ্ৰস্ত হয়।

(২) বান আক্ৰান্ত অঞ্চলত সাৰ প্ৰয়োগ সমুলঞ্চে কমি যায়।

(৩) সঠিক সময়ত 'ৰেলৱে ৰেক'ৰ আৱন্টনৰ বিভিন্ন অসুবিধা।

(৪) ভৌগোলিক অৱস্থানৰ বাবে সাৰ যোগান আৰু বিতৰণৰ ব্যৱস্থা বাধাগ্ৰস্ত হয়।

(৫) সুনিশ্চিত জলসিঞ্চন ভূমিৰ অভাৱ।

(৬) আৰ্থিক অনাটনৰ বাবে প্ৰায়েই খেতিয়কসকলে সাৰ প্ৰয়োগত দ্বিধাগ্ৰস্ত হয়।

**বিষয় ঃ চৰ-অঞ্চলৰ মাটি পট্টৰ ।**

শ্ৰী শুকুৰ আলীয়ে সুধিছে ঃ

* ৩৯। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰে চৰ -অঞ্চলত বসবাস কৰা লোকক মাটি পট্টন দিয়াৰ ব্যৱস্থা কৰিছে নে?

(খ) যদি কৰিছে ১৯৯১ চনৰ পৰা বৰ্তমানলৈ বৰপেটা জিলাৰ বাঘবৰৰ চক্ৰৰ অধীনত কিমান লোকক ম্যাদি পট্টন দিয়া হৈছে?

ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়।

(খ) ১৯৯১ চনৰ পৰা বৰ্তমানলৈ বৰপেটা জিলাৰ বাঘবৰৰ চক্ৰৰ অধিনত ৫২৬৮ জন লোকক মাটি পট্টন দিয়া হৈছে।

**বিষয় ঃ চাহ বাগিছাৰ মাটি পট্টন ।**

শ্ৰীপুলকেশ বৰুৱাই সুধিছে ঃ

* ৪০। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ চাহ বাগিছা সমূহক ৯৯ বছৰীয়া সাময়িক পট্টন (Lease) ত মাটি দিয়া কালৰ ম্যাদ কেতিয়া উকলি যাব?

(খ) ম্যাদ উকলি যোৱাৰ লগে লগে উক্ত সাময়িক পট্টনৰ দলিল (Lease deed)ৰ ম্যাদ চৰকাৰে ৩০ বছৰীয়া কৰিবনে?

(গ) যদি কৰে উক্ত সাময়িক পট্টনৰ দলিল (Lease deed)ত চাহ কোম্পানী সমূহৰ মূখ্য কাৰ্য্যলয় সমূহ অসমলৈ স্থানান্তৰ কৰাৰ স্বৰ্ত আৰু চাহ শ্ৰমিকৰ কল্যানৰ বাবে ল'বলগীয়া ব্যৱস্থাৱলীৰ স্বৰ্ত আৰোপ কৰিব নে?

ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী) উত্তৰ দিছেঃ

(ক) প্ৰত্যেক জিলাৰ বাবে আৰু প্ৰত্যেক চাহ বাগিছাৰ বাবে মাটিৰ ৯৯ বছৰীয়া লীজৰ ইতিমধ্যে উকলি যোৱা ম্যাদ বেলেগ বেলেগ।

(খ) বৰ্তমান পুনৰ জৰীপৰ কাম চলি থকা জিলা কেইখনৰ বাহিৰে অন্য জিলা সমূহৰ চাহ বাগিছাৰ মাটিৰ লীজৰ ম্যাদ ইতিমধ্যে ৩০ বছৰ কৰা হৈছে।

(গ) এতিয়াও তেনে সিদ্ধান্ত লোৱা নাই।

## UNSTARRED QUESTIONS AND ANSWERS

**Re : New licences for Chakki Mill.**

Shri Afalur Rahman asked :

51. Will the Minister of food & Civil supplies be pleased to state :

(a) How many new licences were issued for Modern Chakki Mill and Chakki Mill after 1-6-96 ?

(b) How Many permit/licences were issued for S.K. Oil from Government end after 1-6-96 ?

Shri Digen Chandra Bora (Minister of Food & Civil Supplies) replied :

a) Licences for installation of Modern Chakki Mills or Chakki Mills are not necessary.

b) Issuuance of retailer licences for S.K. Oil has been stopped with effect from 24 - 7- 96. However, 45 licences for S.K. Oil had been issued during the period from 1-6-96 to 23-7-96.

**Re : Closed down of the Estate**

Shri Sambhusing Mallah asked :

52. Will the Minister Labour & Employment be pleased to state.

(a) Whether the Government is aware that the Chargola Tea Estate, Single Charra Tea Estate and Magura Tea Estate have been closed down?

(b) Whether the Government will be pleased to take initiative to solve the problem by enteringinto negotiation with the owners of both the Tea Gardens considering the untold sufferings of the Tea Workers ?

Shri Phani Bhusan Choudhury (Minister Labour & Employment) replied :

a) None of the Tea Estates has been closed down.

b) Does not arise.

**বিষয় – দুটকা দৰৰ চাউল ।**

ডঃ হেমপ্ৰভা শইকীয়াই সুধিছে ঃ

* ৫৩। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অ গ প চৰকাৰৰ শাসন আৰম্ভ হোৱাৰ লগে লগে দুখীয়া ৰাইজৰ বাবে পূৰ্বৰ চৰকাৰে দি থকা দুটকা দৰৰ চাউলৰ যোগান বন্ধ হোৱাটো সঁচানে ?

(খ) যদি সঁচা, কিয় বন্ধ কৰা হ'ল জনাবনে ?

(গ) আঁচনিখন পুনৰ প্ৰৱৰ্ত্তন কেতিয়াৰ পৰা হ'ব?

শ্ৰীদীগেন চন্দ্ৰ বৰা (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, সঁচা।

(খ) ৰাজ্যখনত আগৰে পৰা চলি থকা বিত্তীয় সংকট আৰু আঁচনি ৰূপায়নত কিছুমান আঁসোৱাহ দেখা দিয়াত আঁচনিখনৰ ৰূপায়ণ বৰ্তমান স্থগিত ৰখা হৈছে আৰু প্ৰকৃত দুখীয়া লোকক চাউল দিয়া হৈছিল নে নাই তালিকাখন পৰীক্ষা কৰি থকা হৈছে।

(গ) আঁচনি পুনঃ ৰূপায়ণৰ বাবে চৰকাৰে কোনো সময় সীমা নিৰ্দ্ধাৰণ কৰা নাই।

**বিষয় ঃ ঘূৰ্ণীঝাড়ে ক্ষতিগ্ৰস্ত স্কুলগুলিৰ নিৰ্মাণকাৰ্য্য শিঘ্ৰেই শেষ কৰাৰ দাবি।**

শ্ৰী সুখেন্দু শেখৰ দত্ত জিজ্ঞাসা করছেন ঃ

৫৪। মাননীয় ৰাজহ বিভাগেৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰিয়া জনাবেন কি ঃ

(ক) প্ৰাক্তন দক্ষিণ কৰিমগঞ্জ বিধায়ক এৰ প্ৰস্তাবক্ৰমে বিগত চৰকাৰ কৰ্তৃক প্ৰদত্ত ঘূৰ্ণীঝাড়ে ক্ষতিগ্ৰস্ত নিম্নোক্ত প্ৰাথমিক বিদ্যালয়েৰ কাজ আজ পৰ্যন্ত স্কুল কৰ্তৃপক্ষ শুৰু না করার কারণ কি?

১) ৭২৮ নং রুহিনী বিদ্যাপীঠ,

২) ১২০৫ নং পূর্ব নয়াগ্রাম এল, পি, স্কুল।

(খ) নিম্নোক্ত প্রাথমিক বিদ্যালয়েৰ কাজ আজ পর্যন্ত সম্পূর্ণ না হওৱার কাৰণ কি? এবং শিঘ্রই সম্পন্ন করার ব্যাপারে বিভাগী, কর্তৃপক্ষ কি কি কার্য্যকরী পদক্ষেপ নিয়েছেন?

১) পঞ্চগ্রাম এম, ই, স্কুল,

২) ৫৪৪ নং ঝাকিৱালা কালিপ্রসন্ন এল, পি, স্কুল।

ডঃ জয়নাথ শর্মা (ৰাজহ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ৭২৮ রুহিনী বিদ্যাপীঠ এবং ২০৫ নং পূর্ব নয়াগ্রাম এল পি স্কুল কর্তৃপক্ষকে বিদ্যালয় গৃহ মেরামতির জন্য ২০,০০০ (বিশ হাজার) করে টাকা দেওয়া হয়েছে এবং উক্ত মঞ্জুরীকৃত টাকা সদব্যবহারের উপযুক্ত প্রমান-পত্র নীলাম বাজার চক্র আধিকারিকের মাধ্যমে উপস্থাপন করতে বলা হয়েছে। নীলাম বাজারের চক্র আধিকারিকেও এই কাজ তরান্বিত করার জন্য যথাপোযুক্ত ব্যৱস্থা নিতে নির্দেশ দেওয়া হয়েছে।

(খ) নীলাম বাজার চক্রআধিকারিকের মাধ্যমে গৃহ নির্ম্মাণ কার্য্য শেষ হওয়ার প্র.......... পাওয়া গৈছে। ৫৪৪ নং ঝাকিয়ালা স্কুল কর্তৃপক্ষকে মঞ্জুরীকৃত টাকা সদব্যবহারের উপযুক্ত প্রমাণ পত্র উপস্থাপন করতে বলা হয়েছে এবং নীলাম বাজার চক্র আধিকারিখ কেও এই কাজ তরান্বিত করার জন্য ব্যৱস্থা নিতে নির্দেশ দেওয়া হয়েছে।

**বিষয় ঃ কলচী নদীৰ গড়াগহনীয়া।**

ডাঃ দেৱকান্ত ৰামছিয়াৰীয়ে সুধিছে ঃ

৫৫। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ওদালগুৰি বিধান সভা সমষ্টিৰ কলচী নদীৰ বাগপানী, গড়াখহনীয়াৰ কবলত পৰি গৃহহাৰা হোৱা শ শ পৰিয়ালৰ পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰিবৰ বাবে চৰকাৰে কিবা পদক্ষেপ হাতত লৈছেনে?

ডঃ জয়নাথ শর্ম্মা (ৰাজহ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) কলচী নদীৰ বানপানী, গড়াখহনীয়াৰ কবলত পৰি এশটা পৰিয়াল গৃহহাৰা হয়। পুনৰ সংস্থাপনৰ বাবে সাহায্য বিচৰা প্রস্তাৱটো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

**বিষয় ঃ কাৰিকৰী প্রশিক্ষণ ।**

শ্রীকুমুদ চন্দ্র দাস জিজ্ঞাসা করছেন ঃ

৫৬। মাননীয় শ্রম আৰু নিয়োগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ওদালগুৰি ভেৰগাওঁ কাৰিকৰী প্ৰশিক্ষণ কেন্দ্ৰটো (ITI) বৰ্ত্তমান কি অৱস্থাত আছে জনাবনে?

(খ) এই কেন্দ্ৰটো সম্পূৰ্ণ কৰাৰ কথা চৰকাৰে বিবেচনা কৰিবনে?

শ্ৰীফণীভূষণ চৌধুৰী(শ্ৰম আৰু নিয়োগ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ওদালগুৰি, ডেৰগাওঁ কাৰিকৰী প্ৰশিক্ষণ কেন্দ্ৰটো (ITI) নিজস্ব ভৱনত ঠিকমতে চলি আছে।

(খ) কেন্দ্ৰৰ ভৱন সম্প্ৰসাৰণ কৰাৰ পৰিকল্পনা আছে। বৰ্ত্তমানৰ প্ৰয়োজনীয় সা-সুবিধাখিনি সম্পূৰ্ণৰূপে দিয়া হৈছে।

**বিষয় ঃ শস্যৰ উৎপাদন বৃদ্ধি ।**

ডাঃ নজৰুল ইছলামে সুধিছে ঃ

৫৭। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত ধান আৰু শস্যৰ উৎপাদন বৃদ্ধি কৰিবলে চৰকাৰে কি আঁচনি হাতত লৈছে?

(খ) খেতিয়ক সকলক উৎপাদন বৃদ্ধি কৰিবলৈ কি কি সুবিধা প্ৰদান কৰা হৈছে?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (কৃষি মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বিভিন্ন শস্যৰ উৎপাদন বৃদ্ধিৰ বাবে২৭ খন ৰাজ্যিক পৰিকল্পনা আঁচনি, ১৭ কেন্দ্ৰীয় খণ্ডৰ, ১৪ খন কেন্দ্ৰীয় সাহায্যৰ আঁচনি ৰূপায়ণ কৰা হৈছে।

(খ) মুখ্য সুবিধাবোৰ এনেধৰণৰ ঃ

১) জলসিঞ্চনৰ ওপৰত সৰ্ব্বাধিক গুৰুত্ব আৰোপ কৰি ১৫০০০ অগভীৰ নলী-নাদ শতকৰা ৭০ ভাগ ৰেহাই মূল্যত ২০০৩ চনৰ ভিতৰত স্থাপন কৰাৰ আঁচনি প্ৰস্তুত কৰা হৈছে।

২) কৃষি যান্ত্ৰিকীকৰণৰ উন্নয়নৰ অৰ্থে ট্ৰেক্টৰ আৰু পাৱাৰ টিলাৰ ক্ৰয়ৰ বাবে ৩০,০০০/- হাজাৰ টকাৰ ৰেহাই মূল্যৰ সুবিধা প্ৰদান।

৩) অধিক উৎপাদনক্ষম ধানৰ জাত যেনে বাহাদুৰ, ৰঞ্জিত আদিৰ বীজ খেতিয়কৰ মাজত বিতৰণৰ ব্যৱস্থা কৰা হৈছে। তৈল শস্য উৎপাদনৰ বৃদ্ধিৰ বাবে বাদাম, বেলি ফুল, গুজিতিল আদিৰ বীজ খেতিয়কৰ মাজত পৰ্য্যায়ক্ৰমে বিতৰণ আৰু প্ৰচলনৰ ব্যৱস্থা কৰা হৈছে। মাহ শস্যৰ ঘাটি পূৰাবলৈ মগুমাহ, মচুৰ মাহ, মাটিমাহ আদিৰ উৎপাদন বৃদ্ধি কৰাৰ বাবে সৰ্বাধিক গুৰুত্ব আৰোপ কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰা হৈছে। আঁহু জাতীয় শস্যৰ

উৎপাদনৰ ক্ষেত্ৰত মৰাপাট শস্যৰ উন্নতমানৰ বীজ ৰেহাই মূল্যত বিক্ৰীৰ ব্যৱস্থা আছে।

৪) উন্নতমানৰ উদ্যান শস্যৰ বীজ, পুলি কলম আদিৰ সহজলভ্য কৰাৰ বাবে বিভাগীয় প্ৰজনন পামবোৰ কাৰ্য্যক্ষম কৰাৰ প্ৰস্তুতি পৰ্য্যায়ক্ৰমে আগবাঢ়িছে।

৫) আধুনিক প্ৰযুক্তিবিদ্যা প্ৰয়োগেৰে শস্য সংৰক্ষণৰ অৰ্থে ৰাজ্যখনত সু-সংহত কীট-পতংগ আঁচনিখন দ্ৰুতগতিত সম্পাদনৰ ব্যৱস্থা কৰা হৈছে।

৬) কৃষিঋণ সহজলভ্য কৰিবলৈ বিভাগীয় প্ৰচেষ্টা অব্যাহত আছে।

৭) আধুনিক প্ৰযুক্তিবিদ্যা আহৰণৰ বাবে গাওঁ পৰ্যায়ত কৃষি প্ৰশিক্ষণৰ ব্যৱস্থা আছে।

৮) কৃষি আঁচনিবোৰৰ ফলপ্ৰসূ ৰূপায়ণৰ নিৰীক্ষণ আৰু পৰ্যবেক্ষণ খৰতকীয়া কৰিবলৈ নতুনকৈ আঠোটা কৃষি মহকুমা স্থাপন কৰা হৈছে। সেইদৰে প্ৰতিটো খণ্ড উন্নয়নত একোটাকৈ কৃষি কাৰ্যালয় স্থাপনৰো চিন্তা কৰা হৈছে।

তাৰোপৰি অনুসূচিত জাতি আৰু জনজাতীয় খেতিয়কৰ উন্নয়নৰ বাবে বিশেষ সুবিধাবোৰ এনেধৰণৰ—

১) পাম্প ক্ৰয়ৰ বাবে প্ৰতিটো পাম্পত ৫০০০/- টকা ৰেহাই প্ৰদান কৰা ।

২) ট্ৰেক্টৰ ক্ৰয়ৰ বাবে প্ৰতিখন ট্ৰেক্টৰত ৭৫,০০০/- টকা অকল অনুসূচিত জনজাতিৰ খেতিয়কৰ বাবে ৰেহাই প্ৰদান।

৩) পাৱাৰ টিলাৰ ক্ৰয়ৰ বাবে প্ৰতিখন টিলাৰত ৩০,০০/- টকা ৰেহাই।

৪) উৎপাদিত সামগ্ৰীৰ বিপণন তথা স্ব-নিয়োজনৰ বাবে এখন ঠেলা-নাও লগতে মৰণামৰা মেচিনৰ বাবে প্ৰতিজনলৈ সাহায্য প্ৰদান।

৫) বহুবিধ শস্যৰ প্ৰচলন তথা প্ৰসাৰণৰ অৰ্থে বছৰত তিনিটা খেতি কৰিবলৈ সাহায্যৰ ব্যৱস্থা।

**Re : Prices of the Essential Commodities.**

Shri Sarat Borkakati asked :

58. Will the Minister of Food & Civil Supplies be pleased to state :-

a) What is the wholesale & Retail Price of the following essential commodities on 1st December, 1996 and what was the prices of those commodities during 1st May, 1996 ?

i) Rice of all varieties.

ii) Atta.

iii) Masur Dal. (List should be submitted)

iv) Moog Dal. (On the table of the House)

v) Masterd oil.

vi) Salt (Iodiesed)

vii) Potato.

b) What is the F.C.I. price rate of wheat and what is the retail price rate of Atta in the open Market ?

c) Whether the total quantity of wheat after milling is distributed through P.D.S.?

d) If not, what is the percentage of Atta is allowed to be sold in open Market ?

Sri Digen Chandra Bora (Minister, Food & Civil Supplies) replied :

a) List of wholesale and Retail prices of the essential commodities on 30-11-96 (1st December/96 was a Sunday) and 1st May, 1996 is enclosed. (See Annexure - I )

b) The F.C.I. price rate of wheat is Rs. 402/- per quintle and the retail price rate of Atta in the open Market is in between Rs. 9.00 and Rs. 9.50 per kg.

c) Not always.

d) Unlifted Atta is allowed to be sold in the open Market at Government fixed price as per standing instruction.

**বিষয় ঃ কৃষি ব্যৱস্থাৰ সম্প্ৰসাৰণ শ্ৰীআলাউদ্দিন সৰকাৰে সুধিছে ঃ**

৫৯। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) উন্নত কৃষি ব্যৱস্থা সম্প্ৰসাৰণৰ বাবে কৃষি বিভাগে নতুনকৈ কি কি আঁচনি গ্ৰহণ কৰিছে ?

খ) তৃণমূল পৰ্যায়লৈ উক্ত আঁচনিসমূহ কাৰ্যকৰীভাৱে বলবৎ কৰাৰ কথা কিদৰে চিন্তা কৰা হৈছে?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (কৃষিমন্ত্ৰী)য়ে উত্তৰ দিছেঃ

ক) মুখ্য নতুন আঁচনিসমূহ এনেধৰণৰ ঃ

১) ভূ-পৃষ্ঠ আৰু ভূ-গৰ্ভৰ পানীৰ সুপৰিচালনাৰে খেতি পথাৰত পানী যোগানৰ ব্যৱস্থাৰ উন্নতিকৰণ।

২) কৃষিৰ যান্ত্ৰিকীকৰণ।

৩) সুলভ মূল্যত কৃষি সামগ্ৰী যোগান।

৪) বিপণন ব্যৱস্থাটোৰ উন্নতিকৰণ ।

৫) বহুমুখী কৃষি ব্যৱস্থাৰ প্ৰচলন।

৬) চৰকাৰী বীজ পামবোৰ পৰ্যায়ক্ৰমে ব্যক্তিগত আৰু সমূহীয়া খণ্ডলৈ হস্তান্তৰ।

৭) উদ্যান শস্যৰ উন্নয়নৰ বাবে বিভাগীয় প্ৰজনন বাগিছাবোৰ (progeny Orchard) উন্নতিকৰণ।

৮) অসম গ্ৰাম্য আন্তঃগাঁথনি আৰু কৃষিসেৱা প্ৰকল্প আঁচনিত অন্তৰ্ভুক্ত ব্যৱস্থাপনাৰে কৃষি ব্যৱস্থাটোৰ আমূল পৰিৱৰ্তন।

খ) তৃণমূল পৰ্যায়লৈ সম্প্ৰসাৰণ কৰা মুখ্য কাৰ্যকাৰী ব্যৱস্থাসমূহ এনেধৰণৰ ঃ

১) আঁচনিবোৰৰ দ্ৰুত কাৰ্যকৰণৰ আৰু পৰ্যবেক্ষণৰ সুবিধাৰ কাৰণে নতুন আঠোটা (৮টা) কৃষি মহকুমা স্থাপন।

২) উন্নয়ন খণ্ড পৰ্যায়লৈ কৃষি বিষয়াৰ কাৰ্যালয় স্থাপন।

৩) গাঁও পৰ্যায়ত কৃষিসেৱা কেন্দ্ৰ স্থাপন।

৪) গাঁওত গান পৰ্যায়ত কৃষকৰ প্ৰশিক্ষণ আৰু প্ৰদৰ্শনৰ ব্যৱস্থা।

৫) পথাৰ পৰিচালনা সমিতি আৰু বেচৰকাৰী খণ্ডৰ অনুষ্ঠানসমূহৰ জৰিয়তে কৃষি সম্প্ৰসাৰণ ব্যৱস্থাটোৰ দ্ৰুতকৰণ।

৬) কৃষি সামগ্ৰীবোৰৰ গাঁও পৰ্যায়ত সহজলভ্য হ'বলৈ বিশেষ ব্যৱস্থা গ্ৰহণ।

**Re : Establishment of Agriculture growth centre at mankachar.**

Shri Aminul Islam asked :

60. Will the Minister of Agriculture be pleased to state :

a) Whether the Deptt. is aware of the fact that during earlier tenure

of A.G.P. Government, one Agriculture Growth Centre was sanctioned at Mankachar and subsequently 2 Nos. of building were constructed ?

b) Is it a fact that no further developmental work was done to make the aforesaid Growth Centre a fullfiledged one ?

c) What does the present Government propose to make the Growth Centre a fullfiledged one ?

Shri Chandra Mohan Patowary ( Minister of Agriculture) replied :

a) Yes.

b) Not a fact.

c) The Government has proposed to develop and strengthen the Agricultutre Growth Centre during 9th Five Years Plan and to make them as Centres for agricultural activity.

**বিষয় ঃ ৰেচম ফাৰ্ম।**

**শ্ৰী ৰেণুপমা ৰাজখোৱাই সুধিছে ঃ**

৬১। মাননীয় ৰেচম বিভাগৰ মন্ত্ৰীয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) টীয়ক সমষ্টিৰ অন্তৰ্গত জগদুৱাৰ ৰেচম ফাৰ্মখন দুৰৱস্থাৰ কথা মন্ত্ৰী মহোদয় অৱগতনে?

খ) টীয়ক সমষ্টিত ৰেচম ফাৰ্মৰ বাবে হোলোভাপাৰা মৌজাৰ ২০০ বিঘা মাটি দিয়া কথা মন্ত্ৰী মহোদয় অৱগতনে?

গ) এই মাটিত বৰ্তমান বিভাগে কি কি কাম হাতত লৈছে জনাবনে ?

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা (ৰেচম বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

ক) অৱগত নহয়।

খ) টীয়ক সমষ্টিত ৰেচম ফাৰ্মৰ বাবে হোলোভাপাৰা মৌজাৰ ২০০ বিঘা মাটি দিয়া কথা মই অৱগত নহয়।

গ) প্ৰশ্ন নুঠে।

**Re : Wheat allotment.**

Shri Prithibi Majhi asked :

62. Will the Minister of Food and Civil Supplies be pleased to state :

a) What is the total quantity of wheat allotted to the state by the Central Government every month ?

b) What is the policy of the Government to allot wheat Mills ?

c) Is it a fact that some Mills are allotted Major quantity of wheat?

Shri Digen Chandra Bora (Minister, Food and Civil Supplies) replied :

a) Quantity of wheat allotted by the Central Government. is not same every month.

b) Such allocation of wheat received from the Central Government is distributed to the Atta Mills as per instructions contained in Government Notification No. SDB.76/92/PT/4, dated 24-3-92.

c) Wheat is allotted to the Atta Mills as per Government approved milling capacity, past performance and their ability to produce standard quality atta.

**বিষয় ঃ অবৈধভাৱে ভূমি অধিগ্ৰহণ ।**

শ্ৰী বৃন্দাবন গোস্বামীয়ে সুধিছে ঃ

৬৩। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) চাহ বাগিচাসমূহৰ অধিকৃত ভূমি সম্পৰ্কত চৰকাৰী বন্দবস্তী ব্যৱস্থাৰ বিষয়ে জনাবনে ?

খ) অবৈধভাৱে চাহ বাগিছাৰ মালিক গোষ্ঠীয়ে ভূমি দখল কৰাৰ বিষয়ে চৰকাৰ অৱগত নে ?

গ) শোণিতপুৰ জিলাৰ পৰা উল্লেখিত ধৰণৰ অভিযোগ চৰকাৰে পাইছেনে ?

ডঃ জয়নাথ শৰ্মা (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) চাহ বাগিচাসমূহৰ অধিগৃহীত ভূমি চৰকাৰী ভূমি নীতি ১৯৮৯ আৰু চিলিং আইন

মতে বন্দৱস্তী দি থকা হৈছে।

খ) হয়।

গ) হয়।

**বিষয় ঃ মাটিৰ পট্টা ।**

শ্ৰীমতী ৰূপম কুৰ্মীয়ে সুধিছে ঃ

৬৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) মৰিয়নী নগৰৰ অন্তৰ্ভুক্ত সমুদায় মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিবনে?

খ) যদি কৰে, কি পদ্ধতি অৱলম্বন কৰি ব্যৱস্থা গ্ৰহণ কৰিব?

গ) এই প্ৰক্ৰিয়া কেতিয়াৰ পৰা আৰম্ভ কৰিব জনাবনে?

ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) ভূমি নীতি অনুসৰি পট্টনৰ ব্যৱস্থা লোৱা হ'ব।

খ) অসম চৰকাৰৰ ১৯৮৯ চনৰ নতুন ভূমি নীতি মতে।

গ) ইতিমধ্যে আৰম্ভ কৰা হৈছে ।

**(Unstarred question 65 was postponed)**

**বিষয় ঃ ৰাজহ গাওঁ ।**

শ্ৰীগহীন চন্দ্ৰ দাসে সুধিছে ঃ

৬৬। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰীয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাওঁ জিলাৰ পূবপ্ৰান্তত কিমাখন (Revenue Village Disputed) অৱস্থাত আছে চৰকাৰে জানেনে?

খ) যদি জানে তেন্তে Disputed গাঁওবোৰৰ মীমাংসা কৰাৰ বাবে চৰকাৰে কিবা ব্যৱস্থা ল'বনে ?

ডঃ জয়নাথ শৰ্মা (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) হয়। ১৯ খন Revenue Village Disputed অৱস্থাত আছে ।

খ) নগাঁও আৰু শোণিতপুৰ জিলা কৰ্তৃপক্ষৰ যুটীয়া চৰজমিন তদন্তৰ দ্বাৰা নিষ্পত্তি কৰাৰ ব্যৱস্থা কৰিব পৰা যাব।

**RE : Collection of Land Revenue.**

Shri Mohini Basumatry asked :

67. Will the Minister of Revenue, be pleased to State :

a) Is it a fact that some officer workers of the Bijni Sub-Deputy Collector office are not submitting the proper accounts amounting to Rs. 2,00,000/- (two lakhs) of the land Revenue Collected money in to the Government Treasury ?

b) Will the Government inquire in to this and take necessary actions against the persons found in default ?

c) If yes, when?

d) If not, why ?

Dr. Zoii Nath Sarmah (Minister of Revenue) replied :

a) No staff of Bijni Circle office was involved in such cases.

b) Question does not arise.

c) Does not arise.

d) Does not arise.

**বিষয় ঃ ৰেহাই মূল্যত চাউল যোগান ।**

শ্ৰী কৰুণা দত্তই সুধিছে ঃ

৬৮। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

ক) বান বিধস্ত গড়াখহনীয়া আৰু দুৰ্ভীক্ষজনিত অঞ্চল ৰেহাই মূল্যত বিশেষকৈ চাউল-দাইল আদি যোগান ধৰাৰ ব্যৱস্থা আছেনে?

খ) যদি আছে, এই ব্যৱস্থা কেনেদৰে ৰূপায়ণ কৰিব জনাবনে?

শ্ৰীদীগেন চন্দ্ৰ বৰা (খাদ্য আৰু অসমাৰিক যোগান বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) ৰেহাই মূল্যত চাউল-দাইল যোগান ধৰা তেনেধৰণৰ কোনো আঁচনি চৰকাৰৰ নাই।

খ) প্ৰশ্ন নুঠে ।

**বিষয় ঃ মাটিৰ ম্যাদি পট্টা ।**

শ্ৰী হেমন্ত কলিতাই সুধিছে ঃ

৬৯। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) বানবিধ্বস্ত এলেকাৰ পুনৰ সংস্থাপিত লোকসকলৰ মাটিৰ ম্যাদি পট্টা সংস্থাপিত হোৱাৰ ২০ বছৰ সম্পূৰ্ণ হোৱাৰ পিছতো নোহোৱাৰ বিষয়ে মন্ত্ৰী মহোদয় অৱগতনে ?

খ) এই ক্ষেত্ৰত ম্যাদি পট্টা দিয়াৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰিছে জনাবনে?

গ) ম্যাদি পট্টা নোহোৱাৰ বাবে অসুবিধাৰ পৰা এই পুনৰ সংস্থাপিত লোকসকলক এই সময়সূচী ভিত্তিক ম্যাদি পট্টা দিয়াৰ বাবে ব্যৱস্থা লোৱাৰ কথা ঘোষণা কৰিব নে?

ডঃ জয়নাথ শৰ্মা (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) বানবিধ্বস্ত এলেকাৰ বানত ক্ষতিগ্ৰস্ত হোৱাৰ পিছত ৰাজ্যখনৰ বিভিন্ন ঠাইত চৰকাৰে সময়ে সময়ে মাটিৰ আৱণ্টন দি পুনৰ সংস্থাপন দি আহিছে। এনেদৰে পুনৰ সংস্থাপিত হোৱা লোক ২০ বছৰ ধৰি মাটিৰ ম্যাদি পট্টন নোহোৱা লোকৰ ক্ষেত্ৰত বিতং তথ্য পালে চৰকাৰৰ ভূমি নীতি অনুসৰি পৰীক্ষা কৰি বিষয়টোৰ ওপৰত ব্যৱস্থা ল'বলৈ বিবেচনা কৰিব পৰা যাব।

খ) সংশ্লিষ্ট তথ্য পালে চৰকাৰৰ ভূমি নীতি অনুসৰি ম্যাদি পট্টা দিয়াৰ ব্যৱস্থা আছে।

গ) তেনে কথা ভবা নাই।

**Re: Amount Received.**

Sri Rashidul Haque asked :

70. Will the Minister of Revenue be plased to state :

a) What is total amount received by the State Governement from Central Government for Relief and Rehabilitation of affected people of the last unprecendent flood in the state ?

b) State the amount of expenditure committed by Government in district wise and departments wise for Relief and Rehabilitation ?

Dr. Zoii Nath Sarmah (Minister of Revenue) replied :

a) An amount of Rs. 2813.25 lakhs in 3 equal instalments and an additional amount of Rs. 2100.00 lakhs i.e. total Rs. 4913.25

lakhs has been received from the central Government till date.

b) An amount of Rs. 11.17 crores have been released so far, (District wise and Department wise position given in the enclosed statement). (See Annexure - II)

বিষয় ঃ গৃহহীন আৰু ক্ষতিগ্ৰস্ত পৰিয়াল।

শ্ৰী আবুবক্কৰ ছিদ্দিক জোতদাৰ সুধিছে ঃ

৭১। মাননীয় সাহায্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) অসমত যোৱা প্ৰবল বানপানী আৰু গড়াখহনীয়াত কিমানটা পৰিয়াল গৃহহীন আৰু ক্ষতিগ্ৰস্ত হৈছে?

খ) গৃহহীন হোৱা মানুহখিনিক পুনৰ সংস্থাপনৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে?

ডঃ জয়নাথ শৰ্মা (ৰাজহমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) এতিয়ালৈকে পোৱা প্ৰতিবেদন মতে যোৱা বানপানীত প্ৰায় ১,৯০,৯২৮ টা পৰিয়াল ক্ষতিগ্ৰস্ত হয়।

| | | |
|---|---|---|
| ১) | বানপানীত ক্ষতিগ্ৰস্ত পৰিয়াল | ১,৬৯,২০৪ |
| ২) | গড়াখহনীয়া ক্ষতিগ্ৰস্ত | ৫, ২২০ |
| ৩) | গৃহহীন হোৱা পৰিয়াল | ১৬,৫০৪ |
| | | মুঠ ১,৯০,৯২৮ |

খ) পুনৰ সংস্থাপনৰ বাবে সাহায্য বিচৰা প্ৰস্তাৱবোৰৰ চৰকাৰৰ বিবেচনাধীন হৈ আছে।

**Re : Expiry of leases of tea Garden.**

Sri Holiram Terang and

Shri Chandra Kanta Terang asked :

72. Will the Minister of Revenue be pleased to state :

a) Is it true that leases to some Tea Garden would expire soon ?

b) If yes, the name of the Tea Garden and year of expiry.

c) Whether the Government plans to grant leases to these Tea Gardens again ?

d) What is the Government's Policy on this ?

Dr. Zoii Nath Sarmah (Minister of Revenue) replied :

a) Yes, on 31/3/97.

b) Details along with name of such tea Garden will be furnished in the House later on (as soon as the complete information received from respective Deputy Commissioner.)

c) Yes,

d) Policy on new lease period has not been decided yet.

**Re: River eroded families .**

Shri Sheikh Abdul Hamid asked :

73. Will the Minister of Revenue be pleased to State :

a) Is it a fact that the deputy Commissioner, Barpeta vide letter No. BRS-45/86/626, dated 27th February, 1989 called report for the latest position Regarding alloted to Gejnabi Ahmed and others 27 river eroded families at Govindapur Revenue ?

b) Is so, what is the report and action taken thereof ?

Dr. Zoii Nath Sarmah (Minister of Revenue) replied :

a) It is not a fact. The fact is that the deputy commissioner, Barpeta vide his letter dated 27-2-89 called for allotment of Garabad Khas land at the rate of 1 (one ) Bigha per family for 23 families (not 27 families as stated).

b) The Deputy Commissioner, Barpeta has not received any report from the Circle Officer, Bagbor till date.

**বিষয় ঃ মাৰ্ঘেৰিটা মহকুমাৰ খাজানা ।**

শ্ৰী ৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ

৭৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) মাৰ্ঘেৰিটা মহকুমাৰ টিৰাপ মহকুমা মৌজাত মৌজাদাৰে খাজনা নোলোৱা সত্য নেকি? যদি সত্য কাৰণ কি?

খ) এইটো সত্য নেকি যে মৌজাদাৰে প্ৰশাসনৰ নিৰ্দেশক অৱজ্ঞা কৰি খাজনা লোৱা নাই?

ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) সত্য নহয় । প্ৰশ্ন নুঠে।

খ) নহয়।

**Re: Distribution of land patta.**

Shri Abdur Rouf asked :

75. Will the Minister of Revenue be pleased to state :

(a) How many bighas of land char villages of assam had been given for issuance of patta upto march, 1996 ?

(Figure may be quoted District wise)

b) How many bighas of land from char villages of Assam has been given for issuance of patta with affect from June, 1996 to October, 1996.

**Dr. Zoii** Nath Sarma (Minister of Revenue) replied :

(a) Land measuring 597-B 1-K 8-Leasas of kamrup District, 105869-8 )-K 10 Leassas of Goalpara District, 13488-B 3-K 7 Leassas of Barpeta District, 1923-B 1K 9-Leassas of Nalbari District, 119-B 1-K 9 Leassas of Darrang District, 4165-B 2K 12 Lessas of Dhubri District had been given for issuance of Patta upto March, 1996.

b) No land had been given for issuance of patta for the period from June, 1996 to October, 1996.

**Re: Re-settlement of Land.**

Shri Anwar Hussain Laskar asked :

76. Will the Minister of Revenue be pleased to state :

a) Whether the Re-settlement of land in the Cachar District has already been completed ? If yes, when ? If not, the reasons

thereof?

b) Whether the dates of settlement were announced properly ? If yes, when and the media ? Whether the re-settlement records are available for verification by the owner/ tenant ? If yes, where ? If not, the reasons thereof ?

c) Whether the khas land and the ceiling surplus land distributed/ alloted to the people ? If yes, the names of the beneficiaries with address and quantity of land alloted ?

d) Whether there is any proposal form the Government's and to provide Khas/ ceiling surplus land to the educated unemployed to start Tea or Rubber or Coffee Gardens ? If yes, the quantity of land to be provided to those educated unemployed who are intending to start such activities ?

Dr. Zoii Nath Sarma (Minister of Revenue) replied :

a) No Re-settlement operation is a time consuming programme. It is in progress as per programme.

b) Yes, On 15-10-88 and through a Notification in Assam Gazette, No, it is not made ready for public verification at present stage of operation, It will be available for public information in due course as per provision of Revenue Rules in various stages.

c) Yes, Only the landless people are eligible to get Khas/ ceiling surplus land as per provision of the Para-I of land Policy 1989. It will take time to collect the information from the Districts of the entire state.

d) Yes, 4 (four) hectares in case of individual educated unemployed land-less youth and in case of registered Co-operative Society at the above rate i.e. 4 (four) hectares to each member of the Society.

**বিষয় ঃ নিত্য ব্যৱহাৰ্য্য সামগ্ৰীসমূহৰ দাম ।**

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ

৭৭। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯১ চনৰ জানুৱাৰী মাহৰ পৰা ১৯৯৬ চনৰ নৱেম্বৰ মাহলৈকে নিত্য ব্যৱহাৰ্য্য সামগ্ৰী যেনে — চাউল, আটা, ময়দা, দালি, মিঠাতেল চেনি, আলু, পিঁয়াজ আদিৰ দাম প্ৰতি বছৰত কিমান শতাংশ বৃদ্ধি অথবা হ্ৰাস পাইছে জনাবনে? (ইয়াৰ এখন তালিকা প্ৰস্তুত কৰি সদনৰ মেজত দিব)

(খ) ১৯৯৫ চনৰ অক্টোবৰ মাহৰ পৰা ১৯৯৬ চনৰ নৱেম্বৰ মাহলৈকে উল্লেখিত নিত্য ব্যৱহাৰ্য্য সামগ্ৰীসমূহৰ দাম প্ৰত্যেক মাহতে কিমান বৃদ্ধি অথবা হ্ৰাস পালে জনাবনে?

(গ) এই সামগ্ৰীসমূহৰ মূল্য বৃদ্ধিৰ কাৰণ কি জনাবনে? ৰাজ্য চৰকাৰে মূল্য নিৰ্ধাৰণ আৰু নিয়ন্ত্ৰণৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

শ্ৰীদিগেন চন্দ্ৰ বৰা (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) সদনৰ মেজত তালিকা দাখিল কৰা হৈছে। (See Annexure - III)

(খ) অনুবদ্ধ '১'ত মুল্য বৃদ্ধি ও হ্ৰাসৰ তালিকা পেচ কৰা হ'ল। (See Annexure - IV)

(গ) উৎস স্থলত সামগ্ৰীসমূহৰ দাম বৃদ্ধি, ব্যয়বহুল পৰিবহণ, অন্যান্য বন্ধ ও শ্ৰমিক ধৰ্মঘট আদিয়ে সামগ্ৰীসমূহৰ মূল্য বৃদ্ধিৰ মূল কাৰণ। মূল্য নিৰ্ধাৰণ আৰু নিয়ন্ত্ৰণৰ ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা বিধিসন্মত সকলো ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে।

**(Unstarred Question No. 78 was deffered)**

**বিষয় ঃ গোলাঘাট জিলাৰ কৃষি অভিযান্ত্ৰিক বিভাগ স্থাপন।**

শ্ৰীঅতুল বৰাই সুধিছে ঃ

৭৯। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোলাঘাট জিলাৰ কৃষি অভিযান্ত্ৰিক কাৰ্যালয় কেতিয়াকৈ স্থাপন কৰা হ'ব?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (কৃষিমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) এতিয়াও নিৰ্ধাৰণ কৰা হোৱা নাই।

**বিষয় ঃ ক্ষয়-ক্ষতি পূৰণ।**

শ্ৰী শম্ভুসিং মাল্লা জিজ্ঞাসা কৰেছেন ঃ

৮০। মাননীয় শ্রম বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জনাবনে কি ঃ

ক) রাতাবাড়ী সমষ্টির অন্তর্গত দুর্ল্লভছড়া চা বাগানে গত ১২-৩-৯৬ ইং ঘূর্ণিঝাড়ে চা পাতা ওজন ঘর পরিয়া যাওয়ায় চা বাগানের কার্যরত ২ (দুই) জন মহিলা প্রাণ হারাণ ও ২৫/৩০ জন লোক গুরুতরভাৱে আহত হন চরকার কি অৱগত? মৃত মহিলাদের উত্তরাধিকারী বা আহতদেরকে বাগান কর্ত্তৃপক্ষ কোনে ক্ষতি পূরণ দেননাই চরকার কি অৱগত?

খ) উক্ত দুর্ঘটনায় মৃত ও আহত দেরকে (নাম ঠিকনা সহ) কি কি সুযোগ ও ক্ষতি পূরণ দেওয়া হইবে এবং কখখন দেওয়া হইবে জনাইবেন কি?

গ) উক্ত বাগানে উক্ত বর্ণিত ঘটনাস পূর্বে ১৯৯২ ইং হইতে ১৯৯৬ ইং র মধ্যে কোন আহতযনিহত শ্রমিক দেরকে দেওয়া হইয়াছে কি?

ঘ) যদি হ্যাঁ, তবে টোকা, শ্রমিকের নাম ও ঠিকনা সহ জানাইবেন কি?

শ্রীফণীভূষণ চৌধুৰী (শ্রম দপ্তরের মন্ত্রী)য়ে উত্তর দিয়েছেন ঃ

ক) ২ জন চা মহিলা শ্রমিক নিহত ও ২৫ জন শ্রমিকের আহত হওয়ার খবর সরকাৰ অৱগত। মৃতদের ক্ষতিপূরণ দেওয়া হইয়াছে এবং আহতদের ক্ষতিপূরণ দেওয়ার ব্যৱস্থা চলিয়াছে।

খ) উক্ত দুর্ঘটনায় নিহত মৃত জয়মতী বর ও মৃত আরতী মাল্লার উত্তরাধিকারীকে যথাক্রমে ৬৪,৬২৬.০০ এবং ৬৯,৭৯২.০০ টাকা ক্ষতিপূরণ দেওয়া হইয়াছে। আহিত দেরকে ক্ষতিপূরণ দেওয়ার জন্য বাগান কর্ত্তৃপর ইনসিওরেঞ্চ কোম্পানীর সহিত যোগাযোগ করিয়াছে।

| আহত শ্রমিকদের নাম | ঠিকানা | |
|---|---|---|
| ১। শ্রীমতী কান্তি ভর | দুর্লভছড়া চা বাগান | |
| ২। শ্রীমতী লোহর | ” | ” |
| ৩। শ্রীমতী ফুল কুমারী নুনীয়া | ” | ” |
| ৪। শ্রীমতী মহেশ্বরী ভর | ” | ” |
| ৫। শ্রীমতী বেচাণী ভর | ” | ” |
| ৬। শ্রীমতী রামরতী লোধ | ” | ” |
| ৭। শ্রীমতী আনতি কোর | ” | ” |
| ৮। শ্রীমতী বিন্দুমতী লেহার | ” | ” |

| | | |
|---|---|---|
| ৯। শ্ৰীমতী জগরাণী কুরমী | ” | ” |
| ১০। শ্ৰীরজনী ভর | ” | ” |
| ১১। শান্তি কুমারী | ” | ” |
| ১২। শ্ৰীফুলমতী মাল্লা | ” | ” |
| ১৩। শঙ্কেশ্বরী কুরমী | ” | ” |
| ১৪। পাৰ্বতী কানু | ” | ” |
| ১৫। লচমণী কানু | ” | ” |
| ১৬। ময়না পাশী | ” | ” |
| ১৭। ছায়রা খাটন | ” | ” |
| ১৮। সাবিত্ৰী ধোবী | ” | ” |
| ১৯। দেওকালীয়া ননিয়া | ” | ” |
| ২০। শ্ৰীমতী বাবী | ” | ” |
| ২১। গীতা রাজভর | ” | ” |
| ২২। শ্ৰীদৰ্পতি হরিজন | ” | ” |
| ২৩। শ্ৰীশ্যামলাল আহির | ” | ” |
| ২৪। শ্ৰীসুরুজ কুরমী | ” | ” |
| ২৫। শ্ৰীরাম শানুজ হরিজন | ” | ” |

(গ) ১৯৯৩ ইংরাজিতে দুর্লভছরা বাগানের একজন শ্রমিক আহত হইয়াছিলেন। তাহার ক্ষতিপূরণ ব্যাপারে এখনও ইনসিওরেঞ্চ কোম্পানীর বিবেচনাধীন।

(ঘ) ক্ষতিপূরণ নিৰূপিত হয় নাই।

শ্রমিকের নাম শ্ৰীইউনুস আলী দুর্লভছরা বাগান।

**বিষয় ঃ দুটকা কিলো চাউলৰ যোগান।**

শ্ৰীনিজামুদ্দিন খানে সুধিছে ঃ

৮১। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) দুটাক কিলো চাউল যোগানৰ আঁচনি কেতিয়াৰ পৰা আৰম্ভ কৰা হৈছিল?

খ) দুটকীয়া চাউল যোগানৰ বাবে কিমান কুইন্টল চাউল সমবায় সমিতিসমূহলৈ যোগান ধৰা হৈছিল?

গ) এনে যোগান ধৰা চাউল বিতৰণৰ পিছত কিমান খালী বস্তা পোৱা হৈছে?

ঘ) এই খালী বস্তাসমূহ কি অৱস্থাত আছে?

ঙ) খালী বস্তাসমূহ নীলামত বিক্ৰী কৰা হৈছে নে?

চ) যদি হৈছে, কিমান টকা পোৱা গৈছে?

ছ) যদি নীলামত বিক্ৰী কৰা হোৱা নাই, কাৰণ কি?

জ) এই সম্পৰ্কে তদন্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিব নে?

শ্ৰীদিগেন চন্দ্ৰ বৰা (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) ১৯৯১ চনৰ ২ অক্টোবৰ তাৰিখ পৰা।

খ) ৩৫,২৭, ৯২২.৪৫ কুইন্টল চাউল যোগান ধৰা হৈছিল।

গ) দুটকা মূল্যৰ চাউল বিতৰণৰ পিছত খালী বস্তাবোৰ যিহেতু খুচুৰা বিক্ৰেতাৰ স্বত্বলৈ যায় সেয়েহে এনে বস্তাৰ প্ৰকৃত হিচাব ৰখা হোৱা নাই।

ঘ) ঙ) চ) ছ) প্ৰশ্ন নুঠে। খালী বস্তাৰ মূল্য খুচুৰা বিক্ৰেতাৰ মুনাফা, পৰিবহণ খৰছ ও ওজনত ঘাটি ইত্যাদিত অন্তৰ্ভুক্ত বুলি ধৰা হয়।

জ) তদন্ত কৰাত আপত্তি নাই।

বিষয় ঃ বিশ্ব বেংকৰ আঁচনি।

শ্ৰী ৰবীন বণিক্যই সুধিছে ঃ

৮২। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

বিশ্ববেংকৰ অধীনত কৃষি বিভাগে কিবা আঁচনি হাতত লৈছে নেকি? যদি লৈছে এই আঁচনিসমূহ কেনেধৰণৰ আৰু এনে আঁচনিত অভয়াপুৰী দক্ষিণ বিধানসভা সমষ্টিক কেনেধৰণে সামৰি লোৱা হৈছে ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (কৃষি বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

হয়। বিভিন্ন শিতানত সন্নিৱিষ্ট কৰা আঁচনিখনৰ বিষয়সমূহ এনেধৰণৰ ঃ

১) কৃষি সম্প্ৰসাৰণ, প্ৰশিক্ষণ আৰু প্ৰদৰ্শন ।

২) উদ্যান শস্যৰ সম্প্ৰসাৰণ ।

৩) বীজ উৎপাদন

৪) জলসিঞ্চন

৫) প্ৰযুক্তি উদ্ভাৱন।

বঙাইগাওঁ জিলাত আৱণ্টন দিয়া শিতানসমূহ এনেধৰণৰ —

ক) উদ্যান শস্য

| উদ্যান শস্যৰ প্ৰদৰ্শন | ১৯৯৫-৯৬ (সংখ্যা) | ১৯৯৬-৯৭ (সংখ্যা) |
|---|---|---|
| ক) শাক-পাচলি | ১৪ | ২৪ |
| খ) ফুল | ৩ | - |
| গ) পুলিৰ পৰা কৰা আলু খেতি | - | ৭ |
| (খ) বহুমুখী খেতিৰ প্ৰদৰ্শন ঃ | | |
| ক) ঘেঁহু | ১২৮ | - |
| খ) সৰিয়হ | ১২১ | - |
| গ) ধান | - | ১০ |
| ঘ) বাদাম | - | ১০০ |
| গ) বহুমুখী খেতিৰ প্ৰদৰ্শন ঃ | | |
| ক) অগভীৰ নলীনাদ | - | ২৫ (লক্ষ্য) |

**বিষয় ঃ কৃষি নীতি।**

শ্ৰী মোস্তাফা শ্বহীদুল ইছলামে সুধিছে ঃ

৮৩। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান চৰকাৰে কৃষিৰ ওপৰত কি নীতি গ্ৰহণ কৰিছে জনাবনে?

(খ) ৰেহাই মূল্যত কৃষিৰ কি কি বীজ দুখীয়া খেতিয়কক বৰ্তমান দিয়াৰ ব্যৱস্থা কৰিছে?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (কৃষি বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) এতিয়ালৈকে কৰা নাই।

(খ) ৰেহাই মূল্যত বীজ দিয়াৰ ব্যৱস্থা এনে ধৰণৰ ঃ

১) ধানৰ বীজ প্ৰতি কুইণ্টলত ৰেহাই মূল্যত - ২০০.০০ টকা

২) ঘেঁহুৰ বীজ প্ৰতি কুইণ্টলত ৰেহাই মূল্যত - ২৫০.০০ টকা

৩) মৰাপাটৰ বীজ প্ৰতি কুইণ্টলত ৰেহাই মূল্যত- ৬০০.০০ টকা

**Re : Agriculture Policy.**

Dr. Ardhendu Kumar Dey asked :

84. Will the Minister of Agriculture be pleased to State :

a) Whether Government has introduced any new Agriculture Policy in Assam?

b) If so, from when that scheme was introduced ?

Shri Chandra Mohan Patowary replied :

a) No.

b) Does not arise.

**Re : Land advisory Committee.**

Shri Abdul Muqtadir Choudhury asked :

85. Will the Minister, Labour & Employment be pleased to State :

a) Whether the land allotted by the Land advisory Committee, Karimganj, for the establishment of III Karimganj, has been finally accepted by the Government ?

b) If so, the progress made so far ?

c) If not, the reason thereof ?

d) How many trades have been introduced by III, Karimganj, so far ?

e) Whether the Government will consider the introduction of more need based 'Trade" like "Electrician" Fitter etc.?

Shri Phani Bhusan Choudhury (Minister, Labour & Employment ) replied :

a) Yes.

b) P.W.D. is yet to take over the land.

c) Since the land could not be taken over by P.W.D. no progress could be made.

d) 3 (Three) Trades namely Refrigeration, Air condition Mechanic and Dress making.

e) Introduction of new trades will be possible only when sufficient accommodation can be made available or when the own building comes up.

**বিষয় ঃ সাহাৰ্য্য মঞ্জুৰী ধন ।**

শ্ৰীশুকুৰ আলীয়ে সুধিছে ঃ

৮৬। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯৬ চনৰ বানপানী সাহাৰ্য্য মঞ্জুৰী ধন কৃষি বিভাগে কিমান পৰিমাণ আৱন্টন পাইছে?

(খ) বৰপেটা জিলাত কিমান ধন আৱন্টন দিয়া হৈছে?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (কৃষি বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বৰ্তমানে কৃষি বিভাগে ৰাজহ বিভাগৰ পৰা ৫২০.০০ লাখ টকা আৱন্টন পাইছে।

(খ) বৰপেটা জিলাত খাৰিফ বতৰত ধান আৰু মাটিমাহৰ বীজ বিতৰণৰ বাবে অনুমোদন জনায় যাৰ মূল্য ৩৩,৪০,০০০/- টকা আৰু ৰবি বতৰৰ খেতিৰ বাবে সৰিয়হ ১০০ কুইন্টল আৰু ঘেঁহুৰ বীজ ১৫০০ কুইন্টল বিতৰণৰ বাবে ২৪,২০,০০০/- টকা মূল্যৰ আৱন্টন দিয়া হৈছে। ৰাজহ বিভাগৰ পৰা বৰ্তমানে পোৱা ২০.০০ লাখ টকাৰ ৪.০০ লাখ টকা উক্ত বীজৰ বাবে খৰচ কৰিবলৈ বৰপেটা জিলাত আৱন্টন দিয়া হৈছে।

## (Unstarred Question No. 87. was deffered)

**বিষয় ঃ ধান বনা কলৰ অনুমতি পত্ৰ।**

শ্ৰীআলাউদ্দিন সৰকাৰে সুধিছে ঃ

৮৮। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিগত চৰকাৰৰ কালত ৰাজ্যত মুঠ কিমানটা সৰু ধান ভঙা কল (মিনি মৰ্ডাণ ৰাইছ মিলছ) স্থাপনৰ অনুমতি প্ৰদান কৰা হৈছিল? (জিলা ভিত্তিত সংখ্যা উনুকিয়াব)

(খ) আবেদনকাৰীৰ সংখ্যা মুঠ কিমান আছিল? (জিলা ভিত্তিত সংখ্যা জনাব তালিকাভুক্ত

হোৱাৰ আবেদন মতে)

(গ) চাহিদা অনুযায়ী চৰকাৰে মিনি মৰ্ডাণ ৰাইছ মিলছ বহুৱাবৰ ব্যৱস্থা গ্ৰহণ কৰিবনে?

শ্ৰীদিগেন চন্দ্ৰ বৰা (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বিগত চৰকাৰৰ কালত ৰাজ্যত মুঠ ৮৯৩ (আঠশ তিৰান্নবৈ)খন ধান কলৰঅনুমতি পত্ৰ প্ৰদান কৰা হৈছিল। (জিলা ভিত্তিত সংখ্যাৰ তালিকা গাঠি দিয়া হ'ল) (See Annexure V)

(খ) আবেদনকাৰীৰ সংখ্যা মুঠ ৬৬৪৩ (ছয় হেজাৰ ছয়ৰ তিয়াল্লিছ) জন আছিল (See Annexure VI) (তালিকাভুক্ত হোৱা জিলা ভিত্তিত আবেদনকাৰীৰ সংখ্যাৰ তালিকা গাঠি দিয়া হ'ল)।

(গ) চাহিদা অনুযায়ী অনুকূল ক্ষেত্ৰভিত্তিক তদন্ত প্ৰতিবেদন সাপেক্ষে আধুনিক ক্ষুদ্ৰ ধান কল (মিনি মৰ্ডাণ বাইছ মিলছ) বহুৱাৰ বাবে অনুমতি দি থকা হৈছে।

পুলেকশ বৰুৱা ঃ ছাৰ মোৰ এটা পইণ্ট অৱ অৰ্ডাৰ আছে। মাননীয় অধ্যক্ষ মহোদয়, আজি সদনৰ এটা তৰাংকিত প্ৰশ্ন আহিছে নম্বৰ ৪০। ৰাজহ বিভাগৰ বিষয়ক এই প্ৰশ্নটো সময়ৰ নাটনিৰ কাৰণে নাছিল। তথাপি মই সদনৰ নিয়ম আৰু কাৰ্য পৰিচালনা বিধিৰ এটা ব্যৱস্থাপনা পঢ়ি দিছো ঃ

Provided that a question not reached for oral answer may be answered after the end of the question hour with the permission of the Speaker if the minister represnts to the Speaker that the question is one of the special public interest to which desired to give a reply.

আজি সদনলৈ আহোতে ৰাজহ মন্ত্ৰী ডাঙৰীয়াক মই লগ পাইছো। মাননীয় অধ্যক্ষ মহোদয় আপোনাকো লগ পাইছিলো। ৰাজহ মন্ত্ৰী ডাঙৰীয়াই প্ৰশ্নটোৰ উত্তৰ দিয়াৰ কাৰণে সাজু হৈয়ো আহিছিল। মই সদনৰ সময় নষ্ট কৰিব খোজা নাই কিন্তু সদনৰ নিয়ম আৰু কাৰ্য পৰিচালনা বিধিৰ ৪৯ নিয়ম অনুসৰি আধা ঘণ্টা আলোচনা কৰাৰ কাৰণে ব্যৱস্থা কৰিব পাৰি। মই প্ৰশ্নটো পঢ়ি দিছো ঃ

তৰাচিহ্নিত প্ৰশ্ন নং ৪০ (ক) অসমৰ চাহ বাগিচাসমূহক ৯৯ বছৰীয়া সাময়িক পট্টনত মাটি দিয়া কালৰ ম্যাদ কেতিয়া উকলি যাব? (খ) ম্যাদ উকলি যোৱাৰ লগে লগে উক্ত সাময়িক পট্টনৰ দলিলৰ ম্যাদ চৰকাৰে ৩০ বছৰীয়া কৰিবনে? (গ) যদি কৰে উক্ত সাময়িক পট্টনৰ দলিলত চাহ কোম্পানীসমূহৰ মুখ্য কাৰ্যালয়সমূহ অসমলৈ স্থানান্তৰ কৰাৰ চৰ্ত আৰু চাহ শ্ৰমিকৰ কল্যাণৰ বাবে ল'বলগীয়া ব্যৱস্থাৱলীৰ চৰ্ত

আৰোপ কৰিবনে?

Mr. Speaker : Honb'le Members may kindly submit a notice under rule 49, I shall look into this.

শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ অধ্যক্ষ মহোদয়, পইণ্ট অব অৰ্ডাৰ এটা আছে। যোৱা ২০ ডিচেম্বৰ তাৰিখে অসমৰ উচ্চ ন্যায়ালয়ে মাননীয় ন্যায়াধীশ জে এন শৰ্মাৰ আদালতে অসম চৰকাৰৰ এজন মন্ত্ৰীৰ বিৰুদ্ধে ৰায় দিছে।

শ্ৰীহিতেন গোস্বামী ঃ পইণ্ট অব অৰ্ডাৰ কি সেইটো ক'ব লাগে।

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ মহাৰাষ্ট্ৰত মিনিষ্টাৰে ৰেজিগনেশ্বন দিছে। (সদনত কেইবাজনো মাননীয় সদস্যই একেলগে ক'বলৈ থিয় হয়। কাৰো মাত স্পষ্টকৈ শুনা নাযায়।) (ভইচ ঃ লীডাৰ অব ডি হাউচে ক'ব লাগে।)

Mr. Speaker : A point of order shall related to the interpretation enforcement of this rule and such article of the constitution regulate the business of the house and shall rise a question which is within the congnizance of the Speaker.

Dr. Hiten Goswami : We give a notice on this matter.

Mr. Bharat Ch. Narah : I give the structure against the minister.

Mr. Condpan : Mr. Speaker Sir, Give us a ruling we will honour. Otherwise (Member walked out)

(সদনত কেইবাজনো মাননীয় সদস্যই উচ্চ কণ্ঠে ক'বলৈ ধৰে। কাৰো মাত ভালকৈ শুনা নাযায়)

মাননীয় অধ্যক্ষ ঃ মই জনাবলৈ পাই দুখ পাইছো যে এইখন নিয়ম আৰু কাৰ্য্য পৰিচালনা বিধি এই পবিত্ৰ সদনত আপোনাসৱেই ৰচনা কৰিছিল।

(কেইবাজনো মাননীয় সদস্যই থিয় হৈ ক'বলৈ ধৰে। সৰ্বশ্ৰী গৌতম ৰয়, ভাৰত চন্দ্ৰ নৰহ প্ৰমুখ্যে মাননীয় সদস্যই মাননীয় অধ্যক্ষৰ মেজত টুকুৰা বাতৰি কাগজৰ টুকুৰা আদি দাখিল কৰে। হুলস্থূলীয়া পৰিবেশৰ মাজতে কংগ্ৰেছ আই বিৰোধী দলে সদন কক্ষ ত্যাগ কৰে।)

## DISCUSSION DURING ZERO HOUR

Mr. Speaker: I have recieved as many as 4 (four) zero hour notices from Hon'ble members Sri Prafulla Goswami, Shri Mustafa shahidul

Islam, Shrii Brindaban Goswami and Shri Nizamuddin Khan. I now call upon Hon'ble Member Shri Prafulla Goswami to raise his Zero Hour Motion, which appeared in a news item published in 'Dainik Assam' dated 11.12.96 under the caption. " শইকীয়াৰ দিনৰ দুৰ্নীতি পৰায়ণ বিষয়াৰ প্ৰতি মহন্তৰ ৰাজহ মন্ত্ৰীৰ দৰদ কিয় ? তদন্তৰ হ'ল কি?"

শ্ৰীপ্ৰফুল্ল চন্দ্ৰ গোস্বামী ঃ বাতৰি কাকতত প্ৰকাশিত এটা বাতৰিৰ প্ৰতি আকৃষ্ট হৈছো। আমি কৈয়েই আছো যে বিদেশী ইয়াত সুমাইছে। কিন্তু বিদেশী সংস্থাপনৰ ব্যৱস্থা কৰি দিয়াতোহে বেছি দুৰ্ভাগ্যজনক। বাতৰি কাকতত ওলাইছে যে ভোটাৰ তালিকাত নাম নোহোৱা মানুহোকো মাটি পট্টন দিয়া ব্যৱস্থা কৰা হৈছে। গতিকে মই ভাবো অসমৰ কাৰণে এইটো এটা অতি দুৰ্ভাগ্যজনক কথা। নগাঁওত চক্ৰ বিষয়াই বহু দিন ধৰি এনে কাম চলাই আছে। ইয়াৰ আগতে যিজন চক্ৰ বিষয়া আছিল তেওঁ অজ্ঞাতভাৱে অন্যৰ নামত মাটি পট্টন দিয়া হৈছে। এনে ধৰণৰ কাম ভালেমান চক্ৰ বিষয়াই চলাই আছে। ইয়াৰ বাবে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। এই বাতৰিটোৰ ওপৰত তদন্ত কৰি বিহিত ব্যৱস্থা ল'ব লাগে। যাতে এনে ধৰণৰ কাম ভৱিষ্যতলৈ বন্ধ হয়। অসমৰ প্ৰত্যেক চক্ৰ বিষয়া কাৰ্যালয়ত এনে ব্যৱস্থা চলি আছে। যিবিলাক দুৰ্নীতিপৰায়ণ চক্ৰ বিষয়া কাৰ্যালয় আছে সেইবিলাক বিশেষভাৱে তদন্ত কৰি এনে ধৰণৰ কাম যাতে ভৱিষ্যতে কৰিব নোৱাৰে তাৰ বাবে দুৰ্নীতিপৰায়ণ বিষয়াসকলৰ ওপৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

শ্ৰীজয়নাথ শৰ্মা ঃ (মন্ত্ৰী) মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গোস্বামী ডাঙৰীয়াই যিটো বিষয়ে উত্থাপন কৰিছে, এই বিষয়ে বাতৰিটো মোৰ আগতেই দৃষ্টিগোচৰ হৈছে। বাতৰিটো দৃষ্টিগোচৰ হোৱাৰ লগে লগেই মই তৎকালীনভাৱে নগাঁও জিলা উপায়ুক্তক নিৰ্দেশ দিছিলো যে সেই কাৰ্যালয়ত ইতিমধ্যে কি কি কাম কৰিছিল তাৰ এটা ৰিপোৰ্ট বিচাৰিছো। আজি ৰাতিপুৱা তাৰ এটা প্ৰতিবেদন মই পাইছো। মাননীয় অধ্যক্ষ মহোদয়, কথাটো হ'ল যোৱা ৫ বছৰৰ সময়ছোৱাত মাটি পট্টন দিয়া, খতিয়ন দিয়া কাম বহুতো হৈছিল। চৰকাৰৰ কাম যদিও কন্টিনোৱাচ প্ৰচেচ তথাপি যোৱা ৫ বছৰত যিবিলাক কাম কৰা হৈছিল বা পট্টন দিয়া বিষয়ত সিদ্ধান্ত লোৱা হৈছিল সেইবিলাক পুনৰ বিবেচনা কৰা হ'ব। বেয়া কাম কৰা বিষয়াসকলৰ বাবে মোৰ কোনো দৰদ থাকিব নোৱাৰে। ভাল কাম কৰা বিষয়াসকলক পুৰস্কৃত কৰা হ'ব বা তেওঁলোকৰ প্ৰতি মোৰ দৰদ থাকিব। আইনগতভাৱে মোৰ বিভাগত নিৰ্দেশ দিয়া হৈছে শইকীয়াৰ দিনতেই হওক বা জয়নাথ শৰ্মাৰ দিনতেই হওক বেয়া কাম কৰা বিষয়াসকলৰ প্ৰতি কোনো দৰদৰ প্ৰশ্ন উঠিব নোৱাৰে। বেআইনীভাৱে কৰা কাম যদি মোৰ কোনোবাই দৃষ্টিগোচৰ কৰে, তেন্তে লগে লগেই তদন্ত কৰি ব্যৱস্থা গ্ৰহণ কৰা হ'ব। দুৰ্নীতিপৰায়ণ বিষয়াসকলৰ ওপৰতো শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব। যোৱা ৫ বছৰত যিমানখিনি

কাম হৈ গ'ল সেইবিলাক পুনৰ বিবেচনা কৰিবলৈ হ'লে অলপ সময় ল'ব। তথাপি মাননীয় সদস্যসকল একেধৰণে হোৱা বিষয়ৰ কথা যদি মোৰ দৃষ্টিগোচৰ কৰে তেন্তে মই তৎকালীন ব্যৱস্থা লম। বিশেষভাৱে দৃষ্টিগোচৰ নহ'লে একচন ল'ব লাগে বুলি ক'লে সম্ভৱপৰ নহ'ব। কাৰণ ১ লাখ ৭৫ বৰ্গ কিলোমিটাৰ মাটি সমগ্ৰভাৱে যোৱা ৫ বছৰত কি ব্যৱস্থা লৈছিল আৰু একচন লৈছিল তৎকালীনভাৱে চাই শেষ কৰাটো সম্ভৱপৰ নহ'ব। ইয়াৰ উপৰিও সকলো চাই-চিতি আইনগতভাৱে ব্যৱস্থা লৈ নিয়াৰিকৈ কৰিব লাগিব আৰু এটা অভিযোগ হৈছে এজন মানুহ মাদ্ৰাজত থাকোতেই আন এজন মানুহৰ নামত মাটি দখল কৰি নিজৰ নামত কৰি লোৱা বাবে আইনগতভাৱে যদি দোষী হয় তেনেহ'লে শাস্তি দিয়া হ'ব।

* শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ- অধ্যক্ষ মহোদয় আমাৰ দিছপুৰ ল' কলেজৰ পিছফালে এডোখৰ মাটিত ঘৰ বান্ধি থকা এজন ভদ্ৰ লোকক দিছপুৰ থানাৰ ছাব ইন্সপেক্টৰ লীলা বৰা আৰু ধুবুৰীৰ পৰা এচেম্বলি ডিউটিত অহা ছাব-ইন্সপেক্টৰ বলোৰাম শইকীয়াই ৰাতি ১০ বজাত মাৰধৰ কৰি বেদখল কৰায়। আমাৰ চৰকাৰৰ দিনত এনে অৰাজকতা হ'ব নালাগে। গতিকে মন্ত্ৰী মহোদয়ে এইক্ষেত্ৰত বিহিত ব্যৱস্থা ল'ব লাগে।

* ডঃ জয়নাথ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, কথাটো হ'ল আজি মাননীয় সদস্য শইকীয়াদেৱে যিটো কথা উত্থাপন কৰিছে যদি চৰকাৰী মাটি বেদখল কৰিছে তেনেহ'লে চৰকাৰে ব্যৱস্থা হাতত ল'ব। যদি আন কাৰোবাৰ মাটি বেদখল কৰিছে তেতিয়াহ'লে চৰকাৰৰ কৰিবলগীয়া নাই। একমাত্ৰ চৰকাৰী মাটিৰ ওপৰত হস্তক্ষেপ কৰিলেহে চৰকাৰে ব্যৱস্থা হাতত ল'ব পাৰিব। এই বিষয়ে মই গৃহ বিভাগৰ লগত আলোচনা কৰি সিদ্ধান্ত গ্ৰহণ কৰিব পাৰিম। যোৱাকালি বাতৰি কাকতত যিটো কথা ওলাইছে তেনে ধৰণৰ দুৰ্নীতিপৰায়ণ বিষয়াৰ প্ৰতি মোৰ কোনো দৰদ নাই। ভাল কাম কৰিলে পুৰস্কাৰ দিয়া হ'ব আৰু বেয়া কম কৰিলে শাস্তি পাব। যিখিনি অফিচাৰে ভাল কাম কৰিছে তেওঁলোকক পুৰস্কৃত আৰু উৎসাহিত কৰা হ'ব। বেয়া কাম কৰা সকলে শাস্তি পাব।

শ্ৰীদিলীপ শইকীয়া ঃ পুলিচৰ পোছাকত ঘৰ ভাঙিব নোৱাৰে। বলোৰাম শইকীয়াই দিছপুৰৰ থানাৰ লীলা বৰাৰ লগত উৎপাত কৰিছে। ব্যৱস্থা ল'ব লাগে।

ডঃ জয়নাথ শৰ্মা (মন্ত্ৰী) ঃ লিখিতভাৱে দিলে গৃহ বিভাগৰ লগত আলোচনা কৰি ব্যৱস্থা লোৱা হ'ব।

শ্ৰীআলাউদ্দিন সৰকাৰ ঃ আৰক্ষী বিষয়াই ৰাতি গুণ্ডা বাহিনী লৈ কিয় যাব লাগে।

ডঃ জয়নাথ শৰ্মা (মন্ত্ৰী)ঃ পুলিচৰ দিনে-ৰাতিয়ে কাম চলি থাকিব। বেয়া কাম কৰিলে লিখিতভাৱে দিলে ব্যৱস্থা লোৱা হ'ব।

শ্ৰীদিলীপ শইকীয়া ঃ কাছাৰৰ পৰা এচেমন্বিৰ ডিউটিত আহি উৎপাত কৰিছে।

Mr. Speaker : Minister Revenue has assured that he will take necessary take

action on receipt of complaint. Now I want to allowe another zero hour matter which was raised yesterday with the sense of the House I want to take up to-day.

Now I call upon Shri Mustafa Sahidul Islam to raise his zero hour motion which was published in 'Ajir Batori' dt. 9.12.96 under the caption. গুৱাহাটী চিকিৎসা বিদ্যালয় উন্নীত কৰণৰ বাবে ৭২ কোটি টকাৰ আঁচনি!

শ্ৰী মুস্তাফা শ্বহীদুল ইছলাম ঃ অধ্যক্ষ মহোদয়, গুৱাহাটী চিকিৎসা মহাবিদ্যালয় উন্নীত কৰাৰ আঁচনি লোৱা হৈছে। ই বৰ আনন্দৰ কথা। উত্তৰ-পূৰ্বাঞ্চলৰ সকলো ৰোগী গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ চিকিৎসাৰ বাবে আহে। ই উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰাণকেন্দ্ৰ। নতুন দিল্লীৰ এ আই আই এম এছৰ আৰ্হিত উন্নীতকৰণৰৰ যি ব্যৱস্থা লোৱা হৈছে, ই সফলকামী হ'ব লাগে। আজি বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাত পৃথিৱী আগবাঢ়ি আছে। মেডিকেল কলেজত উন্নত ধৰণৰ সা-সৰঞ্জাম থকাৰ ব্যৱস্থা হ'ব লাগে। আমাৰ ইয়াৰ প্ৰসূতি বিভাগৰ অৱস্থা একেবাৰে শোচনীয়। চাৰ্জিকেল, কাৰ্ডিলজি আজি বিভাগৰ উন্নতি হ'ব লাগে। উত্তৰ-পূৰ্বাঞ্চলৰ পৰা ভেলোৰ, মাদ্ৰাজৰ এপল, বোম্বেৰ টাটা, জচলক হাস্পতাল আদিলৈ যাব লগা হয়। ৭২ কোটি টকাৰ গুৱাহাটী মেডিকেল কলেজৰ উন্নীতকৰণৰ বাবে যাতে ক'ভাৰ কৰিব পৰা যায় তাৰ ব্যৱস্থা ল'ব লাগে। আজি আমাৰ বিষয়া-কৰ্মচাৰী আদিৰ চিকিৎসাৰ বাবে বাহিৰলৈ যাওঁতে বানচ আদিত লাখ লাখ টকা খৰচ হয়। গতিকে ইয়াত উন্নত সা-সৰঞ্জাম থাকে তেন্তে কোটি কাটি টকা ৰাহি হ'ব। আধুনিক যন্ত্ৰপাতিৰ বাবে প্ৰয়োজন হ'লে উত্তৰ-পূব পৰিষদৰ আঁচনিৰ পৰা টকা লওক। মেঘালয়, নাগালেণ্ড, অৰুণাচল, মিজোৰামৰ ৰোগীসকলে ইয়াতে চিকিৎসাৰ সুবিধা পাব। বেমাৰ হ'লে মানুহ ইয়ালৈ আহিবই। গতিকে এইক্ষেত্ৰ সোনকালে ব্যৱস্থা লওঁক। এইক্ষেত্ৰত মই স্বাস্থ্য মন্ত্ৰী কলিতা ডাঙৰীয়াৰ ধন্যবাদ জনাইছো। মই আশা ৰাখিছো এই উন্নীতকৰণৰ ব্যৱস্থা সোনকালে হ'ব।

ডাঃ কমলা কলিতা (স্বাস্থ্য মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য ইছলাম ডাঙৰীয়াই গুৱাহাটী চিকিৎসা মহাবিদ্যালয় উন্নীতকৰণ সম্পৰ্কত যি বক্তব্য ৰাখিছে তাৰ বাবে ধন্যবাদ জনাইছো। উত্তৰ-পূৰ্বাঞ্চলৰত চিকিৎসাৰ সুবিধা নথকাৰ কাৰণে বিভিন্ন সময়ত ইয়াৰ পৰা বাহিৰলৈ যাব লগা হয়। তাৰ প্ৰতি লক্ষ্য ৰাখি অত্যাধুনিক চিকিৎসাৰ সা-সুবিধাৰ বাবে এইমছৰ আধাৰত নিৰ্মাণ কৰাৰ কাৰণে চৰকাৰৰ ফালৰ পৰা ব্যৱস্থা ল'ব লগা হৈছে। আপোনালোকে জানে যে ১৯৮৬ চনত অসম গণ পৰিষদ চৰকাৰৰ থকা সময়ত অসম চুক্তিৰ ৭ম দফাৰ আধাৰত প্ৰস্তাৱ দাখিল কৰিছিলো যে গুৱাহাটী মেডিকেল কলেজৰ এখন অত্যাধুনিক চিকিৎসায়লৈ ৰূপান্তৰিত কৰিব লাগে। সেই সময়ত অসম চৰকাৰৰ হেঁচাত কেন্দ্ৰীয় চৰকাৰে এটা চেণ্ট্ৰেল টাস্ক ফোৰ্চ গঠন কৰিছিল। তেওঁলোকে গুৱাহাটী ভিজিট কৰি কেইটামান বিভাগ উন্নীত কৰাৰ অনুমোদন

জনাইছিল। সেই অনুসৰি ৮.৫ কোটি টকা বিভাগ উন্নীতকৰণৰ বাবে পাইছিল। যোৱা এবছৰত কোনো ধৰণৰ ব্যৱস্থা নোলোৱাত এই ৮.৫ কোটি টকাৰ ৪.২৫ কোটি টকা খৰচ কৰিব নোৱাৰিলে। আমি অনুভৱ কৰিছো যে কেইটামানন বিভাগ উন্নীতকৰণ কৰিলে চিকিৎসাৰ সুবিধা সম্পূৰ্ণ নহ'ব।

মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৬ চনৰ জুলাই মাহত আমি কেন্দ্ৰীয় চৰকাৰৰ ওচৰত ৬০ কোটি টকাৰ ৰাফ প্ৰপজেল দাখিল কৰিছিলো। বিষয়টোৰ ওপৰত কেন্দ্ৰীয় চৰকাৰৰ সহানুভূতিও আছিল। প্ৰধানমন্ত্ৰী উত্তৰ-পূৰ্বাঞ্চললৈ ভাৰতৰ প্ৰধানমন্ত্ৰী আহে। অসমলৈ প্ৰধানমন্ত্ৰী যেতিয়া আহে তেতিয়া আমাৰ মাননীয় মুখ্যমন্ত্ৰী আৰু প্ৰধানমন্ত্ৰীৰ লগত অলোচনা মৰ্মে প্ৰধানমন্ত্ৰীয়ে এটা পেকেজত বিষয়টোৰ প্ৰতি সন্তুষ্ট হয়। আৰু নৱেম্বৰ মাহত এটা কেন্দ্ৰীয় কমিটী গঠন কৰি দিয়ে। নৱেম্বৰ মাহৰ ১৪-১৫ তাৰিখে গুৱাহাটী মেডিকেল কলেজৰ কাৰণে ৰিকমেনডেনচ কৰে। যোৱা ২৬ নৱেম্বৰ তাৰিখে কেন্দ্ৰীয় চৰকাৰৰ স্বাস্থ্য সচিব পি পি ডিৰেক্টৰ জেনেৰেল এইচ, চান তেখেতসকল আহে। তেখেতসকল আহি এই প্ৰস্তাৱটো চায়। ৬০ কোটি টকাৰ আমাৰ ৰাফ প্ৰজেক্ট আছিল, সেইটো ৭২ কোটি টকালৈকে বৃদ্ধি হয়। এই ৬০ কোটি টকাৰ ওপৰত আৰু কিছু কিছু সোমাই লোৱা হয়।

এই প্ৰজেক্টটোত কেইটামান বস্তু সন্নিবিষ্ট কৰা হৈছে আৰু এই গোটেই Package — শক্তিশালী কৰা হৈছে। Director General of Health Services – আমাৰ মেডিকেল কলেজত এতিয়াও ভালেখিনি blue print নাই। Infrastructure diagnosis facilities এই গোটেই কথাখিনি সোমাই লোৱা হৈছে। অৱশ্যে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কোৱাৰ দৰে আঁচনিখন দাখিল কৰাৰ পিছতো ৩ খন মেডিকেল কলেজৰ উন্নয়নৰ কাৰণে আমাৰ চৰকাৰ ক্ষমতালৈ অহাৰ লগে লগে ব্যৱস্থা হাতত লোৱা হৈছে। Improvement of post-graduate teaching facilities and improvement of under-graduate teaching facilities ডিব্ৰুগড় মেডিকেল কলেজ আৰু গুৱাহাটী মেডিকেল কলেজখনৰ উন্নয়নৰ কাৰণে ব্যৱস্থা লোৱা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, এই আঁচনিখনৰ জৰিয়তে গুৱাহাটী মেডিকেল কলেজ diplorable condition upgradation to a National Institute. অসমৰ জনসাধাৰণ আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ৭খন ৰাজ্যৰ জনসাধাৰণৰ যিটো চাহিদা, সেইটো পূৰণ কৰিবলৈ পাৰিলে ভালেই হয়। মাননীয় সদস্যসকল বিষয়টো উত্থাপন কৰা কাৰণে মই ধন্যবাদ জনাইছো। এই বিষয়টোৰ লগত আমি সকলো জড়িত, আমি কোনেও এৰিব নোৱাৰো। এই বিষয়ে দিহা-পৰামৰ্শ আপোনালোকৰ পৰা নিশ্চয় পাম বুলি আশা ৰাখিছো।

*শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয় উত্তৰ-পূৰ্বাঞ্চলৰ জনসাধাৰণৰ কাৰণে মেডিকেল কলেজৰ বিষয়ে মাননীয় সদস্যসকলে উত্থাপন কৰাৰ কাৰণে মইও দুষাৰ ক'ব

* Speech not corrected

বিচাৰিছো। অসম মেডিকেল কলেজখনৰ প্ৰতি সকলোৱে অৱজ্ঞা কৰিব ধৰিছে। এইটো মই নিজেও দুখেৰে ক'বলগীয়া হৈছে। আৰু মই ক্লিয়েৰীফিকেচন বিচাৰিছো অসম মেডিকেল কলেজখনৰ কাৰণে যোৱা ৫ বছৰে অসমৰ ৰাইজৰ চাহিদাৰ কাৰণে আৰু আপগ্ৰেড কৰাৰ কাৰণে কিবা ব্যৱস্থা লৈছে নেকি?

* শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ক্ষোভেৰে ক'ব বিচাৰিছো যে মেডিকেল কলেজখন এসময়ত জাকতজিলিকা মহাবিদ্যালয় আছিল। উক্ত শিলচৰ জিলাৰ পৰা গোটেই অৰুণাচলৰ লোকসকল অসম মেডিকেল কলেজলৈ যায়। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়খন উন্নতি হোৱাত আমাৰ আপত্তি নাই কিন্তু অসম চিকিৎসা মহাবিদ্যালয়ত যিসকল প্ৰফেচাৰ থাকে তেওঁলোকে গুৱাহাটীলৈ গৈ গুচি আহে। প্ৰফেচাৰসকলে চিকিৎসা মহাবিদ্যালয়ত থাকি ৰাইজৰ সেৱা আগবঢ়াই দুখ-দুৰ্দশা লাঘৱ হয় তাৰ কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। সেইখন কলেজৰ পৰা সহায় নোপোৱাত অভাৱ-অভিযোগ আদি আগবঢ়াই মানুহৰ মনত কিছুমান চেন্টিমেণ্ট গ্ৰ হৈছে। বিধায়কসকলৰো সেই একে অৱস্থা হৈছে। অসমত ৩খন চিকিৎসা মহাবিদ্যালয় আছে। অসম চিকিৎসা মহাবিদ্যালয়, শিলচৰ চিকিৎসা মহাবিদ্যালয় আৰু গুৱাহাটী চিকিৎসা মহাবিদ্যালয় একেলগে —

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্য হিতেন্দ্ৰ নাথ গোস্বামীয়ে 'জিৰো' আৱাৰত এই বিষয়টো ক'বৰ কাৰণে অলপ সময় বিচৰাৰ কাৰণে তেখেতক ক'বলৈ সুযোগ দিয়া হৈছিল। I request Hon'ble Minister, Health to give a brief reply.

* ডাঃ কমলা কলিতা (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো 'জিৰো' আৱাৰৰ প্ৰশ্ন আছিল কেৱল গুৱাহাটী মেডিকেল কলেজহে। ডিব্ৰুগড় মেডিকেল কলেজ আৰু শিলচৰ মেডিকেল কলেজৰ কথা উল্লেখ কৰা নাই। আমাৰ চৰকাৰে ডিব্ৰুগড় আৰু শিলচৰ মেডিকেল কলেজৰ ওপৰত কেতিয়াও বৈষম্য মুলক আচৰণ নকৰে। অসম মেডিকেল কলেজৰ কাৰণে এই ৬ মাহে আমাৰ চৰকাৰে কি কি উন্নয়নৰ কাম কৰিছে সেইখিনি কোৱা দৰকাৰ। অসম গণ পৰিষদ চৰকাৰ ক্ষমতালৈ অহাৰ পিছত ডেমেজবিলাক ৰিপিয়াৰিং কৰাৰ কাৰণে ফাগু দিয়া হৈছে আৰু ১৯৯০ চনত ষ্টপ কৰিছে। যোৱা ৫ টা বছৰৰ সকলোখিনি চোৰ্চ দিব নোৱাৰি।

* ডাঃ কমলা কলিতা (স্বাস্থ্য মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ চৰকাৰে এইবোৰ কাৰ্যক্ৰম কৰি তুলিবলৈ ব্যৱস্থা হাতত লৈছে। আজি পাঁচটা বছৰেও ডিব্ৰুগড় মেডিকেল কলেজৰ বেংকৰ লিষ্ট নোলাল। আজি ডিচেম্বৰ মাহলৈকে মানুহে যিখিনি অসুবিধা ভোগ কৰি আহিছিল, তাৰ বহুখিনি কাম আমাৰ চৰকাৰে হাতত লৈ সমাধা কৰিছে। তাৰ উপৰিও ডিব্ৰুগড় মেডিকেল কলেজৰ কাৰণে কেইটা মান নতুন প্ৰজেক্ট ইতিমধ্যে খোলা হৈছে। cobalt unit...... Improvement facilities, improvement of

* Speech not corrected

hospital facilities and water supply. আমি নিজেই তালৈ গৈ চাই আহিছোঁ আৰু তাৰ বাবে ১৮ লাখ টকাৰ প্লেন এণ্ড এষ্টিমেট্ দিয়া হৈছে। এইটো আচলতে আমাৰ establishment of Regional communicable disease institute establishment of regional Institute of T.B. and respective diseases. কিছুমান বিভাগে বিশেষভাৱে ডিব্ৰুগড় মেডিকেল কলেজৰ লগত আলোচনা কৰিছে। মেডিকেল কলেজৰ মেটাৰনিটি ওৱাৰ্ডৰ স্কীণবোৰ একেবাৰে পুৰণি হৈছে। তাৰ পাৰ্টিচনবোৰ পূৰণি কাপোৰেৰে দিয়া হৈছে। আউটড'ৰ পেচেন্টৰ যিবিলাক ওৱাৰ্ড আছে তাৰ অৱস্থা একেবাৰে শোচনীয় আছিল। এতিয়া আমি নতুন কৰিবৰ কাৰণে টকা চেচিন দিছে। এইটো আমি অসম চুক্তিৰ আধাৰত গোটেই অসম ভিত্তিত নবীকৰণৰ কাৰণে কাম হাতত লৈছো। লগতে শিলচৰ মেডিকেল কলেজৰো উন্নয়নৰ কাৰণে প্ৰস্তাৱ ৰাখিছো আৰু ইয়াৰ কাৰ্যকৰীকৰণত দায়িত্বভাৰ ল'বৰ কাৰণে এই সন্মানিত সদনত আমি সিদ্ধান্ত লৈছোঁ।

মাননীয় অধ্যক্ষ ঃ Now, I call upon Hon'ble Member Shri. Brindaban Goswami to raise his Zero Hour Matter.

* শ্ৰীবৃন্দাবন গোস্বামী ঃ মাননীয় অক্ষ্যক্ষ মহোদয়, মই বাতৰি কাকতত প্ৰকাশিত এটা বাতৰিৰ সন্দৰ্ভত ক'ব বিচাৰিছো। সেইটো হ'ল— "কোচ-ৰাজবংশী প্ৰতিনিধিৰ উপস্থিতিৰ প্ৰতিবাদত জনজাতি উন্নয়ন পৰিষদৰ বৈঠক ত্যাগ কৰিলে পি, ডি, এফ বিধায়কে —"

মাননীয় অক্ষ্যক্ষ মহোদয়, আমাৰ এই অসম ৰাজ্যখন ঐতিহ্যমণ্ডিত এক অতি প্ৰাচীন ৰাজ্য, য'ত নানা জাতি-উপজাতি আৰু জনগোষ্ঠীৰ বসবাসৰ স্থল হিচাপে জনাজাত। এই ৰাজ্যতে অসমৰ কোচ-ৰাজবংশীসকলেও অতীজৰে পৰাই বাস কৰি আহিছে আৰু অন্য জাতি- গোষ্ঠীৰ লগতে তেওঁলোকেও সংবাধানিক সুবিধা পাবৰ কাৰণে, অন্য জাতি-গোষ্ঠীৰ লগতে সমানে আগবাঢ়ি যাবৰ কাৰণে আজি বহুদিনৰ পৰাই ৰাজ্য চৰকাৰৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী জনাই আহিছে। তেওঁলোকে জনজাতিৰ গোষ্ঠীভূত হ'বৰ কাৰণে যি দাবী উত্থাপন কৰি আহিছে, তাৰ ভিত্তিতেই অন্য জনজাতিৰ গোষ্ঠীয়ে সভাক ত্যাগ কৰিছে। এই কথাটোৱে ৰাজনৈতিক সুদূৰপ্ৰসাৰী প্ৰভাৱ বিস্তাৰ কৰাৰ সম্ভাৱনা আছে। কিন্তু আজি কোচ-ৰাজবংশীসকলেও জনজাতিৰ গোষ্ঠীৰ অন্তৰ্ভুক্ত হৈ সামাজিকভাৱে, অৰ্থনৈতিকভাৱে সমানে আগবাঢ়ি যাব বিচাৰিছে। ইয়াৰ জৰিয়তে তেওঁলোকে সাংবিধানিক অধিকাৰ সাব্যস্ত কৰিছে। গতিকেই অসম চৰকাৰৰ যোগেদি তেওঁলোকে কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টিগোচৰ কৰিছে। এতিয়া আমাৰ প্ৰশ্ন হৈছে ৰাজবংশীসকলে কি ভিত্তিত নিজকে জনজাতিৰ গোষ্ঠীভূত হ'ব বিচাৰিছে, পপোলেচন ভিত্তিত নে, সামাজিক নে অৰ্থনৈতিক ভিত্তিত? ইয়াকে লৈ এক খেলিমেলিৰ সৃষ্টি হৈছে। তেওঁলোকে অৰ্থনৈতিকভাৱে সা-সুবিধা আদায় কৰিবৰ কাৰণেহে জনজাতিৰ গোষ্ঠীভূত হ'ব বিচাৰিছে আৰু সেই কাৰণেই আমাৰ

* Speech not corrected

চৰকাৰৰ ওচৰত আবেদন জনাই আহিছে। গতিকে আমি ভাবোঁ আমাৰ চৰকাৰ এক আপোচ-মীমাংসালৈ আহক। এইটোকেই দূৰদৰ্শিতাৰে সিদ্ধান্ত ল'বলৈ আগবাঢ়ি অহাতো জনসাধাৰণে বিচাৰে। পি, ডি, এফে যি কাৰণত সভাকক্ষ ত্যাগ কৰিছে, সেইটো হ'ল, তেওঁলোকৰ বাবে কৰা আৱণ্টনৰ ধনৰ পৰিমাণ কমি যোৱাৰ শংকা। কাৰণ যিখন অধ্যাদেশ কোচ-ৰাজবংশী সকলৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে ৰাজ্যখনৰ জনজাতি উন্নয়নৰ বাবে ধাৰ্য্য কৰা ধনৰ পৰিমাণত কোচ-ৰাজবংশীৰ জনসংখ্যাক হিচাপত লোৱা নাছিল। প্ৰাপ্য ধনৰ পৰা প্ৰকৃত জনজাতিৰ লোক বঞ্চিত হোৱাৰ শংকাতেই এই খেলিমেলিৰ সৃষ্টি হৈছে। গতিকে মই এই সদনৰ যোগেদিয়েই বিত্ত মন্ত্ৰীৰ পৰা এটা স্পষ্টীকৰণ দিবৰ বাবে অনুৰোধ জনালোঁ। কাৰণ আমাৰ জাতীয় জীৱনত সমস্যাবিলাক সদায়ে আছেই। গতিকে এই সমস্যাটোকো যাতে সোনকালে সমাধান কৰিব পাৰি আৰু যাতে সুদূৰপ্ৰসাৰী এক দৃষ্টিভংগীলৈ মীমাংসা কৰাৰ বাবে সকলো ৰাজনৈতিক সদস্যসকলক এই সদনৰ যোগেদি অনুৰোধ জনালোঁ।

শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীয়ে যিটো বিষয় উত্থাপন কৰিছে আৰু এই সন্দৰ্ভত মাননীয় মন্ত্ৰী মহোদয়ে যিটো উত্তৰ দিছে সেইটো সম্পূৰ্ণ যুক্তিসংগত হোৱা নাই। কিয়নো সিদিনা যিখন এটিডিয়েৰ মিটিং হৈছিল সেই মিটিঙত পি, ডি, এফৰ সদস্যসকলে বৰ্জন কৰিছিল আৰু মইয়ে বৰ্জন কৰিলোঁহেঁতেন কিন্তু কৰা নাই। ৰাষ্ট্ৰপতিৰ অধ্যাদেশৰ ওপৰত মাজুলীৰ সদস্য হৈছে তাত বিশেষ ক'বলগীয়া নাই কিন্তু বাকী কেইজন সদস্য এটিডিয়েৰ সদস্য হিচাপে কেনেকে সদস্যভুক্ত হ'ব পাৰে। ৰাষ্ট্ৰিপতিৰ — জাৰি হোৱাৰ পাছৰে পৰা এই বিলখন আইনত ৰূপান্তৰ এতিয়াও হোৱা নাই আৰু এতিয়াও জইন্ট চিলেক্ট কমিটিত আছে জইন্ট চিলেক্ট কমিটিয়ে প্ৰতিবেদন দাখিল কৰাৰ পাছতেহে এই অধ্যাদেশখন আইনলৈ ৰূপান্তৰ হ'ব। কিন্তু এই প্ৰচেচখিনি সম্পূৰ্ণ হ'বলৈ অন্ততঃ বাট চাব লাগিছিল। এনে সময়ত মাননীয় বিধায়ক গৰাকীক এই বিষয়টো উত্থাপন কৰাৰ কাৰণে ধন্যবাদ জনাইছো। এতিয়া প্ৰশ্নটো হ'ল এই যে এটিডিয়ৰ যিটো ৬.৫০ কোটি টকা ধৰা হৈছে সেই টকাটো এটিডিয়েৰ ট্ৰাইবেল এম এল এৰ উপৰিও যি ৬জন সদস্য অতিৰিক্ত দিয়া হৈছে সেই সকলৰ মাজত কেনেভাৱে বিতৰণ কৰা হ'ব সেই বিষয়ে চিন্তা কৰিবলগীয়া বিষয় আৰু চৰকাৰেও এই ৬জন সদস্য বাঢ়ি যোৱাৰ পাছত এটিডিয়েৰ টকা ইনক্ৰিজ কৰিব পাৰিলোঁহেঁতেন কিন্তু সেইটো কৰা নহ'ল। ফলত এই সমষ্টিবিলাকৰ যিসকল অৰিজিলেন বিধায়ক আছিল, সেই সমষ্টিবিলাক বঞ্চিত হ'ব। আৰু সেইকাৰণেই বোধ হয় পি, ডি, এফৰ সদস্যসকলে ওৱাক আউট কৰিলে। গতিকেই এই বিষয়টোলৈ অনতিপলমে কেন্দ্ৰীয় চৰকাৰৰ কল্যাণ মন্ত্ৰালয়ৰ লগত যোগাযোগ কৰিব লাগে। ৰাষ্ট্ৰপতিৰ অৰ্ডিনেন্স লৈ যিসকলে জনজাতীয়ৰ প্ৰমাণ পত্ৰ ল'লে সেইসকলক ট্ৰাইবেল কৰিব লাগে, যিসকলে ২১ আগষ্ট তাৰিখৰ আগতে জনজাতীয়ৰ প্ৰমাণ পত্ৰ

ল'লে সেইসকলৰ ক্ষেত্ৰত আমাৰ কোনো বিতৰ্ক নাই কিয়নো সেই সকলৰ বহুতে বিগত নিৰ্বাচনতো জনজাতীয়ৰ টিকট পালে আৰু নিৰ্বাচনত অংশগ্ৰহণ কৰিলে, বহুতে বিশ্ববিদ্যালয়ত এডমিশ্যনো ল'লে, গতিকে সেইসকলক জনজাতীয়কৰণত এতিয়া কি আপত্তি থাকিব পাৰে। গতিকে এতিয়া প্ৰধান কামটো হ'ল এই অধ্যাদেশখন আইনত ৰূপান্তৰ কৰাৰ কাৰণে অতি সোনকালে ব্যৱস্থা হাতত ল'ব লাগে।

শ্ৰী দেৱকান্ত ৰামচিয়াৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি কিয় ওলাই আহিবলগীয়া হ'ল সেই বিষয়েহে মই জনাব বিচাৰিছো কিয়নো অৰ্ডিনেন্সৰ জৰিয়তে যিসকল জনজাতীয় হৈছিল সেই ক্ষেত্ৰত মাননীয় উচ্চ ন্যায়ালয়ৰ পৰা নিৰ্দেশ জাৰি কৰিলে যে অৰ্ডিনেন্সৰ ম্যাদ ইতিমধ্যে উকলি গৈছে অৰ্থাৎ লেপ্স হৈছে, ইয়াত হাইকোৰ্টৰ নিৰ্দেশটো এনে ধৰণৰ Ordinance and Memorandum are already placed.. গতিকে জইন্ট চিলেক্ট কমিটিত এই বিষয়ে কোনো সিদ্ধান্ত নহ'লে আৰু বিলখন ইন্ট্ৰডিউচ নোহোৱা পৰ্যন্ত এই লোকসকলক এছ টি ষ্টেটাচ দিব নোৱাৰে। হাইকোৰ্টে পষ্ট নিৰ্দেশ দিয়াৰ পিছত ৰাজবংশীসকলক বা আন তেনে সদস্যক এটিডিয়েৰ সদস্য হিচাপে মনোনীত কৰি এই যিটো টকা আবণ্টন কৰা হৈছে। সেই টকাটো কেনে ধৰণে ভাগ কৰিব? ইয়াৰ পৰা এইটোৱেই প্ৰমাণ হয় যে ৰাজ্যিক চৰকাৰে হাইকোৰ্টৰ নিৰ্দেশ অমান্য কৰি আমাৰ জনজাতীয় ৰাইজক অৱহেলা কৰিছে, আমাক নেগলেক্ট কৰিছে আৰু আমাক বিপদৰ ফালে ঠেলি দিছে। সেই কাৰণে মই স্পষ্টকৈ ক'ব বিচাৰিছো যদি আমাক এনেধৰণে নেগলেট কৰি থাকে, মই দাবী কৰিছো অহাকালিৰে পৰা আমি আন্দোলন কৰিম।

Mr. Speaker : I request the Hon'ble minister to reply.

শ্ৰী ৰাজেন্দ্ৰ মুচাহাৰী (ৰাজ্যিক মন্ত্ৰী) মাননীয় অধ্যক্ষ মহোদয়, উপৰোক্ত বিধায়ক কেইগৰাকীয়ে যিকেইটা বিষয় লৈ সদনত উত্থাপন কৰিছে সেই ক্ষেত্ৰত মই ক'বলৈ বিচাৰিছো — এ, টি, ডি, এৰ সভাত কোচ-ৰাজবংশী বিধায়কসকলক মতা কথাটো সঁচা। কাৰণ তেখেতেসকলৰ এছ টিৰ প্ৰমাণ পত্ৰ আছে। ইতিমধ্যে মাজুলীৰ বিধায়ক শ্ৰীকৰুণা দত্ত মহাশয়ে ৰিজাৰ্ভচিটৰ পৰা উক্ত প্ৰমাণ পত্ৰ লৈছে জিকিছে আৰু ভাৰতৰ মুখ্য নিৰ্বাচন আয়োগেও স্বীকৃতি দিছে। We have received a letter from the Advocate General Assam, As per Advocate General views communicated through his letter dated 10th September, 1996, it is clear that during the time the ordinance was enforce i.e. from 29th January, 1996 21-9-96 the persons who have obtained scheduled tribes certificate are entilled to the all the benifits available to the scheduled tribes even after expiry of the ordinance they can

continue to get the benefits.

(সদনত অলপ হুলস্থূল)

শ্রীযতীন মালি (শিক্ষা মন্ত্রী) ঃ এই বিষয়টোৰ ওপৰত আমাৰ আলোচনা কৰাত আপত্তি নাই। কিন্তু নিয়ম-নীতিৰ মাজেদি আলোচনা হ'লে ভাল হয়।

মাননীয় অক্ষ্যক্ষ ঃ বিষয়টো ৰাজনৈতিক দলৰ কথা, তেখেতসকলৰ সমস্যা আছে, এই ক্ষেত্ৰত তেখেত সকলৰ আপত্তি থকাৰ কাৰণেই ক'বলৈ দিয়া হৈছে।

Mr. Speaker : Now, I call upon Hon'ble member Shri. Nijamuddin Khan to raise the zero hour motion on the News item published in Dainik Agradoot' Dated 10th December 1996 under the caption. "শিক্ষকৰ পিকেটিং পুলিচৰ নিৰ্যাতনক গৰিহণা "।

শ্ৰীনিজামুদ্দিন খান ঃ মাননীয় অধ্যক্ষ মহোদয় যোৱা ১০ ডিচেম্বৰৰ তাৰিখ 'দৈনিক অগ্ৰদূত' বাতৰি কাকতত আমাৰ শিক্ষকসকলে চলাই থকা আন্দোলনৰ সন্দৰ্ভত এটা বাতৰি প্ৰকাশ পাইছে। মই ইয়াৰ ওপৰত ব্যাখ্যা কৰিবলৈ যোৱা নাই। মই মাত্ৰ শিক্ষা মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। আজি শিক্ষকসকলে বহুদিনৰ পৰা দৰমহা নেপোৱাৰ অভিযোগ উঠিছে। বৰপেটা জিলাত ১৫ নবেম্বৰ তাৰিখৰ পৰা মধ্য ইংৰাজী বিদ্যালয়ৰ আৰু হাইস্কুল শিক্ষক সকলে আন্দোলন কৰিছে। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, তেওঁলোকৰ দাবীবোৰ পৰ্যালোচনা কৰি তেওঁলোকৰ প্ৰাপ্যখিনি নিয়মীয়াকৈ দিয়াৰ ব্যৱস্থা যাতে কৰে তাৰ কাৰণে মই শিক্ষা মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

শ্ৰীযতীন মালি (শিক্ষা মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীনিজামুদ্দিন খান ডাঙৰীয়াই যিটো বিষয় উত্থাপন কৰিছে সেই সম্পৰ্কে চৰকাৰৰ অৱগত আৰু বাখ্যা এনে ধৰণৰ। অধ্যক্ষ মহোদয়, আমি দায়িত্ব লোৱাৰ পিছত শিক্ষা বিভাগৰ লগত জড়িত প্ৰায় ২৫টা মান সংগঠনৰে ইতিমধ্যে এলানি আনুষ্ঠানিক আলোচনা সম্পূৰ্ণ কৰিছো। হাইস্কুল শিক্ষকসকলে পিকেটিং কৰিছিল আৰু তেওঁলোকৰ কাৰ্যসূচীত কেইবাটাও দাবী উত্থাপন কৰিছিল। আৰু এই দাবীসমূহ সমাধান কৰা বাবে এখন চৰকাৰৰ যথেষ্ট সময়ৰ প্ৰয়োজন হয়। এই দাবীসমূহ আলোচনাৰ মাজেৰে সমাধান কৰাৰ প্ৰক্ৰিয়া হিচাপে সন্থাবিলাকৰ লগত চৰকাৰৰ আলোচনা হৈ যায়। মই আপোনালোকৰ জ্ঞাতাৰ্থে আজিৰ এই পবিত্ৰ সদনত ক'ব বিচাৰিছো যে, আলোচনা কালত শিক্ষক সন্থাৰ

প্ৰতিনিধি গৈছিল আৰু কৈছিল যে, তেওঁলোকে আন্দোলনৰ কাৰ্যসূচী ল'বলৈ বিচৰা নাছিল। কিন্তু তলৰ কিছুমান সমৰ্থকৰ হেঁচাৰ কাৰণেই কৰা হৈছে। অধ্যক্ষ মহোদয়, বিগত চৰকাৰৰ দিনৰ শিক্ষা বিভাগৰ বিবৃতিৰ ওপৰত আমি স্থিতি বাখ্যা কৰিব বিচাৰিছো। সেইটো এনে ধৰণৰ আছিল। যিসকল নিয়ম আৰু বিভাগৰ দ্বাৰা স্বীকৃত শিক্ষক তেখেতসকলে নিয়মিতভাৱে দা-দৰমহা পাই থাকিব। যদি কাৰোবাৰ ২/১ মাহ পলমো হয়, সংশ্লিষ্ট বিভাগ বা সঞ্চালকালয়ত অৱগত কৰাৰ লগে লগে পাবলগীয়া দৰমহা পাব পাৰে। এই কথাটো সন্থাৰ বিষয়ববীয়াসকলো পতিয়ন গৈছে। আগৰ চৰকাৰৰ দিনত যিসকল শিক্ষকৰ নিয়োগ অবৈধভাৱে অনিয়মিতভাৱে হ'ল বুলি অভিযোগ আহিছে সেইসকলৰ তদন্ত সম্পূৰ্ণ হোৱাৰ পিছতহে তেওঁলোকে জানিব পাৰিব আৰু সেই বিষয়ত তেওঁলোকৰ সমৰ্থন আছে বুলি মোক জনাইছে। যোৱা চৰকাৰৰ সময়ছোৱাত শিক্ষক নিয়োগ সম্পৰ্কত অনিয়ম হোৱা বুলি যি অভিযোগ আহিছে সেইটো তদন্ত কৰি সিদ্ধান্ত লোৱাৰ বাবে ৰাজ্য চৰকাৰে কাৰ্যকৰী ব্যৱস্থা ল'বলৈ ওলাইছে। ইতিমধ্যে তদন্ত সম্পূৰ্ণ হোৱাৰ পথত যিসকলে চাকৰি যাব যাব বুলি নিজেই শংকা কৰি আছে সেই সকলে আজি পিকেটিং, অৱস্থান ধৰ্মঘট আদিৰ কাৰ্যসূচী হাতত লৈছে। এই কথাটো আমি লক্ষ্য কৰিব লাগিব যে, আমাৰ চৰকাৰৰ দায়িত্বলৈ অহাৰ লগে লগে কোৱা হৈছিল যে, আমি জনসাধাৰণৰ জীৱন-সম্পত্তিৰ নিৰাপত্তা দিম আৰু এইটো আমাৰ চৰকাৰৰ প্ৰথম আৰু প্ৰধান কাম হ'ব। আজি শিক্ষকসকলে পিকেটিং কৰিছে আমি চৰকাৰ হিচাবে মনে মনে বহি থকাটো উচিত নহ'ব। গতিকে বিভাগীয় কৰিবলগীয়া কামখিনি কৰিবলৈ লৈছো। অধ্যক্ষ মহোদয়, শিক্ষক সন্থাৰ কৰ্মকৰ্তাসকলে বোধহয় মই আগৰ বাক্যক উল্লেখ কৰা এচাম হ'ব পাৰে কাৰ্যালয় চলি থকা অৱস্থাত কাৰ্যালয়ৰ ভিতৰত আমাই কৰ্ত্তব্যৰত কৰ্মচাৰীক ভাবুকি দিছে। পিকেটিং কৰিছে আৰু সঞ্চালকালয়ৰ ভিতৰত গৈ বিষয়াসকলক ভাবুকি প্ৰদান কৰিছে, তাৰ পিচত চৰকাৰ আৰু বিভাগ মনে মনে বহি থকাটো উচিত হ'ব জানো? পিকেটিং শান্তিপূৰ্ণভাৱে কৰক। কিন্তু কাৰ্যালয়ৰ ভিতৰত সোমাই তেওঁলোকে ভাবুকি দিয়াৰ বাবে তেওঁলোকক গ্ৰেপ্তাৰ কৰা হৈছিল আৰু ৪ বজাৰ পিচত মুকলি কৰি দিয়া হৈছে। তেওঁলোকে কৈছে হাজাৰ হাজাৰ শিক্ষকে পিকেটিং কৰিছিল। কিন্তু মেজিষ্ট্ৰেট বা পুলিচৰ ৰিপোৰ্ট মতে মাত্ৰ ৩৩৫ জন শিক্ষকহে আছিল। যিসকল শিক্ষকে পিকেটিং কৰিছিল সেই শিক্ষক সকলক আজি মই এই পবিত্ৰ সদনৰ মজিয়াত

কেইটামান কথা সুধিব বিচাৰিছো। ১৯৯০-৯১ চনত যিবিলাক স্কুল প্ৰাদেশীকৰণ কৰা হৈছিল সেইবিলাক সেই সময়ৰ আই, এচ বা সেৱাৰ দ্বাৰা ৰিকগনাইজ কৰা হৈছিল। কিন্তু প্ৰাদেশীকৰণ কৰা সময়ত চৰকাৰে সেই সেই স্বীকৃতিপ্ৰাপ্ত হাইস্কুলৰ existing staffৰ আটাইৰে চাকৰি প্ৰাদেশীকৰণ নকৰিলে, যাৰ ফলত তেওবোৰ শিক্ষকৰ পদ আজিও হৈ নুঠিব থাক dropped post বুলি কোৱা হৈছে। শিক্ষক সন্থাই তেতিয়া কি কৰি আছিল, মাত মতা নাছিল কিয় প্ৰতিবাদ কৰা নাছিল কিয়? ধৰ্ণা দিয়া নাছিল কিয়?

মই এই কথাটো এই কাৰণেই ক'ব বিচাৰিছো যে আগৰ চৰকাৰে ১৯৯০-৯১ চনত যিকেইখন ৰিকগনাইজ স্কুল প্ৰাদেশিকীকৰণ কৰা হৈছিল তাৰে ৬২টাৰ অধিক শিক্ষকৰ পদ দ্ৰপ কৰি দিছিল। হিন্দী স্কুলৰ পদ কেন্দ্ৰীয় চৰকাৰৰ পৰা অনুমোদন পাইছিল আৰু কেন্দ্ৰীয় চৰকাৰে সেই পদবোৰৰ ফিক্স পেত স্বীকৃতি হাইস্কুলত দিবৰ কাৰণে নিয়ম বান্ধি দিছিল। তাৰ পিছত সেই সময়ৰ সঞ্চালকগৰাকীয়ে নীতি-নিয়ম বাদ দি প্ৰাদেশীকৃত স্কুলবিলাকত পদ দি শিক্ষক নিযুক্তি দিছিল। আজি কেন্দ্ৰীয় চৰকাৰে বান্ধি দিয়া নীতি নিয়মৰ ব্যতিক্ৰম হোৱাৰ কাৰণে দৰমহা দিব পৰা নাই। তেওঁলোকে কৈছে শিক্ষকৰ নাম উঠিছে। অনিয়মভাৱে নিযুক্তি দিয়াৰ বাবে আমি তেওঁলোকক দৰমহা দিব পৰা নাই।

মাননীয় অধ্যক্ষ মহোদয়, বহুতে আক্ষেপ কৰে যে আমাৰ চৰকাৰে ইচ্ছা কৰিহে দৰমহা দিয়া নাই। ১৯৯৫ চনৰ নবেম্বৰ মাহৰ পৰা মাদ্ৰাছা আৰু হাইস্কুলৰ শিক্ষকসকলক দৰমহা দিয়া হোৱা নাছিল। আমাৰ চৰকাৰে শাসনভাৰ লোৱাৰ পিচত যি টকা বাজেটত আছিল সেই টকাৰে ১৯৯৫ চনৰ নবেম্বৰ মাহৰ পৰাই দি আহিছে আৰু আজি পৰ্যন্ত দি আছো। এইবিলাক পথা কাক কম কোনে শুনিব, কোনে পতিয়ন যাব। আগৰ চৰকাৰে যিবিলাক অনিয়ম কৰি গৈছে সেই সম্পৰ্কে এটা ব্যাখ্যা দাঙি ধৰিবলৈ বিচাৰিছো। এই শিক্ষক সকলে আগৰ চৰকাৰৰ দিনত যে দৰমহা পোৱা নাছিল সেইটো কথা গম পোৱা নাছিল নেকি? যদি গম পাইছিল কিয় আন্দোলন কৰা নাছিল। খেনোক দেখি ৰান্ধে বাঢ়ে খেনোক দেখি দুৱাৰ বান্ধে। এই নীতি হ'ব নেলাগে।

মাননীয় অধ্যক্ষ মহোদয় আমি পৰ্যালোচনা কৰিব লাগিব যে বহু কথা জানিব লাগিব। আগৰ শিক্ষামন্ত্ৰীৰ নেতৃত্বত সেই সময়ৰ শিক্ষকক অস্থায়ীভাৱে নিযুক্তি দিছিল। কি কি ধৰণে নিযুক্তি দিছিল এই কথাবিলাক স্পষ্টভাৱে জনসাধাৰণক জনাব কাৰণে বাতৰি কাকতত প্ৰকাশৰ সুযোগ লৈ পিকেটিং-ধৰ্মঘট আদিৰ আহ্বাহন দিছিল। মই আন্দোলনৰ কাৰ্যসূচী

হাতত লোৱাসকলক সুধিব বিচাৰিছোঁ যে আগৰ চৰকাৰৰ সময়ত চাংচাৰীত যেতিয়া শিক্ষকক কান্ধত ধৰি উঠি-বহা কৰিছিল, নগাঁওত শিক্ষকৰ ওপৰত মন্ত্ৰীয়ে নিজে যেতিয়া বেয়া ব্যৱহাৰ কৰিছিল, তেতিয়া এই শিক্ষক সন্থাবোৰ ক'ত লুকাই আছিল। তেওঁলোকে প্ৰতিবাদ কৰা নাছিল কিয় ? এইবোৰেৰে আমি জনসাধাৰণক তথ্যসহকাৰে বুজাই দিব বিচাৰিছোঁ।

মই শিক্ষক সমাজক বজাই দিব বিচাৰিছোঁ যে আগৰ চৰকাৰৰ দিনত ফটোষ্টেট কপিৰ এটাকে একমাত্ৰ নিয়োগপত্ৰ বুলি গণ্য কৰি আনন্দত আত্মহাৰা হৈ কোনোবা এখন স্কুলত চাকৰি কৰি থকা শিক্ষকৰহে আজি এই অৱস্থান ধৰ্মঘট, পেৰ্কেটিং সেই কথা ৰাইজে বৰ্তমান বুজি পাইছে।

শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ অধ্যক্ষ মহোদয়, শিক্ষকসকলৰ আন্দোলনৰ যুক্তিযুক্ততা আছে নে নাই সেইটো আমি জানিব বিচৰা নাই । শিক্ষকসকলে উত্থাপন কৰা দাবী সম্পৰ্কে কি সিদ্ধান্ত লৈছে সেইটোহে জানিব বিচাৰিছোঁ। বাতৰি কাতত যিবিলাক কথা প্ৰকাশ হৈছে সেইবিলাকো নুই কৰিব নোৱাৰো। কাৰণ তেওঁলোকৰো 'ফ্ৰিদমঅৱ ৰাইট' আছে পাবলিচ কৰাৰ কাৰণে। আজি ওৱান মেন কমিচন পাতিছে, কিমান দিনৰ কাৰণে তদন্ত চলি থাকিব। ১৯৯৫ চনতে ঢকুৱাখানাত এশজন শিক্ষকৰ নিযুক্ত হৈছিল, চেণ্ট পাৰচেণ্ট লিগেল আছিল। কিন্তু তেওঁলোকে আজিও দৰমহা পোৱা নাই। কিছুমানৰ এলটমেন্ট হৈছে, ৰিটেচন হৈছে, কিন্তু দৰমহা পোৱা নাই। কি এই সমস্যা কেতিয়া শেষ হ'ব। এইটো স্পেচিফিক কৰি কওঁক। মন্ত্ৰী মহোদয়ৰ পৰা স্পষ্ট উত্তৰ বিচাৰিছোঁ।

শ্ৰীযতীন মালী (শিক্ষা মন্ত্ৰী) ঃ এইটোৰ কাৰণে এটা বেলেগ প্ৰশ্ন হ'লে উত্তৰ দিম।

Mr. Speaker : Now, Zero Hour is Over.

শ্ৰীহেমেন দাস ঃ পইন্ট অৱ অৰ্ডাৰত লিখা আছে, Sir, point of order, which relate to the interpretation of enforcement of this Rules Sir, আজি চেন্টিনেল বাতৰি কাকতত এটা খবৰ পঢ়িছো। Then read out a portion from the newspaper "Sentinel" (dt. 12-12-96) Thirty eight Congress Legislators have intimated the Assembly Secretary that they would be looking a 'censure' motion in the House against the State Home Department which is under the Chief Minister's direct charge. Sir, censure motion Members, desiring

to move (interruption).

Mr. Speaker : Please sit down.

Shri Bharat Chandra Narah : My point is whether there is a notice of Adjournment motion, until and unless you allow to move. There is no interpretation of law. My point is whether there is any censure motion tabled by 38. Congress (I) members.

Mr. Speaker : I have received a written point of order from the Hon'ble Member Shri Hemen Das triggering the matter which is raised now. The point raised by Hon'ble Member Shri Hemen Das with regard to the censure Motion is dead. The Leader of the Opposition, Hon'ble Member Shri Silvius Condpan and others submitted motion of censuring and is proving of the Hon'ble Minister in charge for Home under Rule 133 sub-rule (1) and Rule 2 (a). In fact, there is no rule. In our Rules in Rule 2 (a) for submission of this type of motion. However, I have also received a written withdrawal letter from the Hon'ble Member, Leader of the Opposition and I do not feel any action. Thank you,

## CALL ATTENTION NOTICE

শ্ৰী শেখ আব্দুল হামিদ ঃ মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধানসভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ১৯৯৬ চনৰ ২৯ নম্বেৰৰ তাৰিখৰ 'দৈনিক অগ্ৰদূত' কাকতত প্ৰকাশিত 'শিক্ষা মন্ত্ৰী সমীপেষু, শিক্ষকসকলক হত্যা কৰক' শীৰ্ষক বাতৰিটোৰ প্ৰতি মাধ্যমিক আৰু প্ৰাথমিক শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ৰ মনোযোগ আকৰ্ষণ কৰিব খুজিছো। অধ্যক্ষ মহোদয়, এই বাতৰিটোত যিখিনি কথা প্ৰকাশ পাইছে সেই ক্ষেত্ৰত মই ক'ব খোজো যে ইয়াৰ আগতে আমাৰ মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ে যিখিনি কথা কৈছে

তাৰ লগত সংগতি নাই। এই বাতৰিটোত কোৱা হৈছে যে কিছুমান শিক্ষকে ১২ মাহ ধৰি দৰমহা পোৱা নাই। মই জনাত বৰপেটা জিলাত কিছুমান শিক্ষকে ১৮ মাহ পৰ্যন্ত দৰমহা পোৱা নাই। এতিয়া শিক্ষা মন্ত্ৰী মহোদয়ে কৈছে যে এম, ই, আৰু হাইস্কুলসমূহত যোৱা চৰকাৰৰ দিনত হোৱা কিছুমান খেলিমেলিৰ কাৰণে দৰমহা দিব পৰা হোৱা এম, ই, আৰু হাই স্কুলৰ শিক্ষককেও দৰমহা পোৱা নাই। সেই কাৰণে যোৱা ১৫ নবেম্বৰৰ পৰা বৰপেটা জিলা সকলোবোৰ এম, ই আৰু হাই স্কুল অচল হৈ পৰিছে। আপোনালোকে শুনিলে আচলিৰত হ'ব যে যোৱা ১৫ নবেম্বৰৰ পৰা বৰপেটা জিলাৰ ডি ই ই অ' আৰু ডি আই অফিচসমূহ তলা মৰা অৱস্থাত আছে। এই বিষয়টো লৈ মই মাননীয় শিক্ষা মন্ত্ৰী আৰু শিক্ষা আয়ুক্তলৈকে ডব্লিউ, টি, মেচেজ পঠিয়াইছিলো যদিও চৰকাৰৰ ফালৰ পৰা এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। সেই কাৰণে মই বিভাগীয় মন্ত্ৰীক পুনৰ অনুৰোধ জনাইছো মাতে বৰপেটা জিলাৰ শিক্ষকসকলে যি অনশন ধৰ্মঘট কৰি আছে সেইটোৰ সোনকালে অৱসান ঘটায়। আজি বৰপেটা জিলাত শিক্ষকসকলে পৰীক্ষাৰ কেইদিনমান আগতে ধমৰ্ঘট কাৰ্যসূচী হাতত লোৱাৰ কাৰণে ছাত্ৰ-ছাত্ৰীসকলৰ নানা আলৈ-আহুকাল হৈছে। তেনে অৱস্থাৰ প্ৰতি লক্ষ্য কৰিলে এটা কথা অনুমান হয় যেন আজি অসমত শিক্ষা বিভাগ বুলি বিভাগ এটা নাই। আজি শিক্ষকসকলে সম্পূৰ্ণ কাৰ্যালয় বন্ধ কৰি, পৰীক্ষা বন্ধ কৰি ছাত্ৰ-ছাত্ৰী সকলৰ অমূল্য জীৱন ধ্বংস কৰা কাৰ্যত চৰকাৰে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। আজি আমাৰ শিক্ষা বিভাগটোৰ পয়ালগা অৱস্থা হৈছে। আজি স্কুলৰ শিক্ষকসকল বহিবলৈ চকী-মেজ নাই, স্কুল ঘৰবোৰৰ অৱস্থা নাই। গতিকে এইবোৰৰ প্ৰতি শিক্ষা বিভাগে কোনো ব্যৱস্থা লোৱা দেখা নাই। সেই কাৰণে মই এই বাতৰিটোত উল্লেখিত দুটামান কথা পঢ়ি দিব খুজিছো। ইয়াত হঠাৎ এষাৰ কথা লিখিছে যে — "এই চিঠিতে শিক্ষামন্ত্ৰী মহোদয়ে শুনিলেই গৌৰৱ কৰিব পৰা বিধৰ কথা এষাৰ কৈ থওঁ। পৃথিৱীৰ ভিতৰত অসমমেই একমাত্ৰ ৰাজ্য য'ত শিক্ষকে পৰিশ্ৰমৰ বিনিময়ত নিয়মতে পাৰিশ্ৰমিক নাপায়। এই ক্ষেত্ৰত গিনিচ ৰেকৰ্ড বুকত অসমৰ নাম খোদিত কৰাৰ কৃতিত্ব আপোনালোকৰে নহয় নে? আকৌ এঠাইত লিখিছে — স্বাধীন দেশৰ নাগৰিক হিচাপে শিক্ষকসকলে প্ৰাপ্যখিনি আদায় পৰিৱৰ্তে যদি ভোগ-বিলাসৰ বাবে আন্দোলনৰ পথ ল'লেহেঁতেন তেন্তে আপোনালোকে নিৰ্বিচাৰে কুকুৰ-

মেকুৰীৰ দৰে গুলীয়াই মাৰিলেহেঁতেন অ, গ, প, চৰকাৰৰ ছমহীয়া অভিজ্ঞতাৰ পৰা আমি ভাবিবলৈ বাধ্য হৈছো যে অসমৰ শিক্ষকৰ সমস্যা দূৰ কৰিবলৈ শিক্ষামন্ত্ৰী মহোদয়ৰ সদিচ্ছাৰ অভাব। আকৌ এঠাইত লিখিছে যে অন্যথা ক্ষুধাতুৰ শিক্ষকসকলৰ হত্যা কৰি তেওঁলোকক যাতনাৰ পৰা মুক্তি দি অহা দিন বিলাকৰ বাবে আপুনি নিস্কণ্টক হওঁক। অধ্যক্ষ মহোদয়, আজি বৰপেটা জিলাৰ শিক্ষানুষ্ঠান আৰু কাৰ্যালয়সমূহ ১৫ নবেম্বৰৰ পৰা বন্ধ হৈ আছে আৰু এতিয়া শিক্ষকসকলে পৰীক্ষা লোৱাৰ ব্যৱস্থা কৰিছে যদিও তেওঁলোকে আজি দৰমহা নাপায় তেনেহ'লে পৰীক্ষা বহী নাচায় আৰু ৰিজাল্ট নিদিয়ে বুলি কৈছে। গতিকে এই অৱস্থাটো সোনকালে দূৰ কৰিব বুলি আশা ৰাখি মোৰ ভাষণৰ সামৰণি মাৰিলো।

শ্ৰী মহেন্দ্ৰ মোহন ৰায়চৌধুৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, শিক্ষকসকলে দৰমহা নোপোৱা বিষয়টোৱে আজি গোটেই অসমৰ শিক্ষক আৰু শিক্ষা বিভাগৰ ওপৰত এটা গভীৰ ছাপ পেলাইছে, আজি অসমৰ কিছুমান শিক্ষকে দৰমহা নোপোৱাটো দুখ লগা ঘটনা। আজি যদি এজন মানুহে ২/৩ মাহ বা ১৮ মাহ ধৰি দৰমহা নোপোৱাকৈ থাকে তেনেহ'লে তেওঁ চলিব কেনেকৈ? তেওঁৰ পেটত যদি ভাত নাথাকে তেনেহ'লে স্কুলত ল'ৰা-ছোৱালী পঢ়াব কেনেকৈ? আজি জিলা আৰু মহকুমাৰ কাৰ্যালয়বিলাকত স্কুলৰ ৰিটেনচন, চেংচন আদি শব্দবোৰ শুনি শুনি আমি বিৰক্ত হৈ পৰিছো। এই ক্ষেত্ৰত ডিৰেক্টৰৰ অফিচত খবৰ কৰিলে কয় যে ডি আই অফিচৰ পৰা ২য় খন ফৰ্ম ফিল আপ কৰি নপঠোৱাৰ কাৰণেহে শিক্ষক সকলক দৰমহা দিব পৰা হোৱা নাই। সেই কাৰণে এই বিষয়টো অতি গুৰুত্বসহকাৰে লৈ এই ক্ষেত্ৰত ক্ষীপ্ৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ মই বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালোঁ।

Mr. Speaker : Now Hon'ble Minister Sri Jatin Mali

অসম বিধান সভাত ঃ ১২/১২/৯৬ তাৰিখে মাননীয় শিক্ষামন্ত্ৰী শ্ৰীযতীন মালীয়ে দিয়া বিবৃতিৰ পূৰ্ণ পাঠ।

অধ্যক্ষ মহোদয়,

যোৱা ২৯ নৱেম্বৰ '৯৬ ত 'দৈনিক অগ্ৰদূত' কাকতত প্ৰকাশ হোৱা শৰৎ সৌৰভ সন্দিকৈ ডাঙৰীয়াৰ (ব্যক্তিগত) চিঠিখন মোৰ দৃষ্টিগোচৰ হৈছে। চিঠিখন পৰি মোৰ এনে ধাৰণা হৈছে যে এক বিশেষ পৰিস্থিতিত, উৎকণ্ঠাত কেতবোৰ পৰস্পৰবিৰোধী কথা উপস্থাপন কৰিছে। মাননীয় বিধায়ক শ্বেখ আব্দুল হামিদ ডাঙৰীয়াইও ব্যক্তিগত এজন মানুহৰ চিঠিৰ

বিষয়বস্তু সদনৰ মজিয়ালৈ টানি আনি ৰাজ্যখনত উদ্ভৱ হোৱা এক ভয়াবহ অথচ গুৰুত্বপূৰ্ণ বিষয় গাপ দি ৰখাৰ আঁচনি ক্ৰমাগতভাৱে তৈয়াৰ কৰি অনুশীলন কৰা যেন ধাৰণা হৈছে। কিন্তু অধ্যক্ষ মহোদয়, কোন বিষয়ত কেতিয়া কোন কিমান আবেগিক হয় সেইটো তেখেতৰ নিজৰ কথা, বিষয়ভিত্তিক কাৰণত কোনে কিমান চিঞৰ-বাখৰ কৰে সেইটো তেখেতৰ নিজৰ কথা, সত্যক ঢাকিবলৈ অৱস্থান, অনশন, পিকেটিং কেতিয়া কোনে কৰে সেইটোও তেখেতসকলৰ নিজৰ সাংগঠনিক কথা। ৰাজ্য চৰকাৰ এই ক্ষেত্ৰত কিন্তু দৃঢ়? বিগত চৰকাৰৰ দিনত শিক্ষা বিভাগত হোৱা অনিয়মীয়া শিক্ষক নিযুক্তিৰ প্ৰক্ৰিয়াটোৰ এক স্থায়ী সমাধান বিচাৰি ৰাজ্য চৰকাৰে আৰম্ভ কৰা তদন্ত কোনো কাৰণতে বন্ধ হ'ব নোৱাৰিব। তদন্ত আৰম্ভ হোৱাৰ লগে লগে যিসকল শিক্ষকে উৎকণ্ঠাত তথা শংকাত দিন কটাইছে তেখেতসকলে তদন্তৰ প্ৰতিবেদন অপেক্ষা কৰক। তথাপিও পৰিস্থিতিৰ গভীৰতা আৰু সময়ৰ আহ্বানৰ প্ৰতি লক্ষ্য ৰাখি এই পৱিত্ৰ সদনৰ জৰিয়তে মই তেখেতক তলত উল্লেখ কৰা কথাকেইটা ক'ব খুজিছো।

(১) বিগত চৰকাৰৰ দিনত অনিয়মীয়াভাৱে হোৱা শিক্ষক নিয়োগৰ চাকৰিয়াত পৰি কোনোৱা বিষয়াই দিয়া ফটোষ্টেট কপি এটাকে একমাত্ৰ নিয়োগ পত্ৰ বুলি গণ্য কৰি আনন্দত আত্মহাৰা হৈ কোনোবা এখন স্কুলত যদিহে তেখেতে শিক্ষকতা কৰি আছে তেন্তে তেখেতে তদন্তৰ প্ৰতি ভয় খোৱাটো নিতান্তই স্বাভাৱিক।

২) যদিহে তেখেত শিক্ষা বিভাগৰ দ্বাৰা স্বীকৃত নিয়মীয়া আৰু পুৰণি এগৰাকী শিক্ষক তেন্তে তদন্ত হোৱা বাবে ভয় নাখায় যেন। মৰ্যাদাসহকাৰে যথাসময়ত প্ৰাপ্য দৰমহা আদায় পাব পাৰিব।

৩) আৰু যদিহে তেখেত এগৰাকী সমাজসেৱক তথা সমাজ সংস্কাৰক তেন্তে এই তদন্তৰ ক্ষেত্ৰত আমাৰ লগত একে শাৰীতে থিয় হ'ব।

অধ্যক্ষ মহোদয়, সন্দিকৈ ডাঙৰীয়াৰ লিখনিৰ পৰা ধাৰণা কৰিব পাৰি যে পলমকৈ হ'লেও তেখেতৰ বিষয়টো সম্পৰ্কত ধাৰণা শুদ্ধ হৈছে আৰু সেয়ে তেখেতৰ শুভবুদ্ধিও উদয় হৈছে। কাৰণ চিঠিখনৰ শেষত তেখেতেই লিখিছে মহোদয় অগপ চৰকাৰত আপোনাৰ অস্তিত্ব প্ৰমাণ কৰক, লগতে শিক্ষককুলৰ উপকাৰ সাধন কৰক। শিক্ষকসকলক সমস্যাৰ গৰাহৰ পৰা মুক্ত কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰক।" আমিও এই দৃষ্টিভংগীৰে আগবাঢ়িছো

যাতে শিক্ষা বিভাগ নিকা কৰিব পৰা যায়, ছাত্ৰ-ছাত্ৰীসকলক প্ৰকৃত জ্ঞানৰ পোহৰ দিব পৰা যায়।

অধ্যক্ষ মহোদয়, শিক্ষক নিয়োগৰ তদন্ত ৩১ ডিচেম্বৰ '৯৬ত শেষ হ'ব আৰু ৰ জানুৱাৰী '৯৭ত সমগ্ৰ অসমতে শিক্ষা জগতত এটা নতুন যুগৰ সূচনা হ'ব।

## MATTER UNDER RULE 301

Mr. Speaker : I call upon Hon'ble member Nizamuddin Khan to draw the attention of the minister of state WPT under rule 301.

Shri Nizamuddin Khan : Under Rule 301. I would like to draw the attention of the Hon'ble Minister of State, welfare of plains Tribles & Backward classes by raining the matter under Role 301 of the Rules of procedure and conduct of the Business in Assam Legislative Assembly to the news item appearing in the 'Dainik Agradoot' dated 26th November 1996 relating to 'হিতাধিকাৰীক নিম্নমানৰ সামগ্ৰী যোগান ধৰি কাৰ উদৰ পূৰণ কৰিলে?' চাৰ, বাতৰিটো বেছ দীঘলীয়া। সেয়েহে মই কেইটামান প্ৰশ্নহে সুধিব বিচাৰিছো। আচৰিত বাতৰিটোত ভৈয়াম জনজাতি উন্নয়ন নিগমৰ দুনীৰ্তিৰ কথা প্ৰকাশ পাইছে। ইয়াত লাখ লাখ টকা আত্মসাৎ কৰাৰ ব্যৱস্থা কৰা হৈছে বুলি প্ৰকাশ পাইছে। পঁচা কাঠৰ ঠেলা, তাঁতশাল আদি যোগান ধৰা হৈছে। বোৰ্ডৰ যিটো সিদ্ধান্ত আছিল সেই সিদ্ধান্তৰ বাহিৰেও অতিৰিক্ত দাম দি বস্তু কিনা হৈছে। বোৰ্ডৰ সিদ্ধান্ত মতে প্ৰতিখন ঠেলাৰ বাবে মুঠ ২৫০০ টকাহে নিৰ্ধাৰণ কৰা আছিল। কিন্তু পৰিচালনা সঞ্চালকে প্ৰতিখন ঠেলা ২৬৮৪ টকাকৈ কিনিলে। তেওঁ অতিৰিক্ত ১৮৪ টকাকৈ প্ৰতিখন ঠেলাত কেনেকৈ খৰচ কৰিলে? অসম ক্ষুদ্ৰ উদ্যোগ নিগমৰ পৰা পৰিচালনা সঞ্চালকে প্ৰতিটো স্প্ৰে মেচিন ক্ৰয়ৰ বাবদ ১৩০০ টকা দেখুৱাইছে। কিন্তু উক্ত স্প্ৰে মেচিনৰ মূল্য কৰ সহ ১২০০ টকা বুলি স্প্ৰে মেচিনৰ গাত লগোৱা লেবেলত লিখা আছে। বাতৰিটোত প্ৰকাশ পোৱা মতে অতিৰিক্ত ১৩০ টকা ভৰি স্প্ৰে মেচিন কিনা হ'ল। তাঁতশালৰ ক্ষেত্ৰতো অভিযোগ উত্থাপিত হৈছে। তাঁতশালৰ বাবদ বৰ্ডো মূল্য নিৰ্দ্ধাৰণ

কৰি দিছিল ফ্ৰেম সহ ২৬০০/২৭০০ টকা কিন্তু সঞ্চালকে ফ্ৰেম নিদিয়াকৈয়ে ১৭০০ টকা মূল্যৰ সামগ্ৰীকে ২৭০০ টকা কৰি দুখীয়া জনজাতি ৰাইজক ঠগিলে। লাখ লাখ টকাৰ অপচয় কৰি এনেকৈয়ে অনুসূচিত জাতি আৰু জনজাতিৰ দুখীয়া লোকসকলক প্ৰতাৰণা কৰা হৈছে। তাঁতশাল, চিলাই মেচিন আদি বস্তুবিলাক এতিয়াও প্ৰপাৰলি বিতৰণ কৰিব পৰা নাই। নগাঁওত এতিয়াও বহুত বস্তু পৰি আছে। ধেমাজিত ভাল বস্তু যোগান ধৰা হোৱা নাই। কলিয়াবৰতো বহুত বস্তু আছে। গতিকে এই অনুসূচিত জাতি আৰু জনজাতি লোকসকলৰ কল্যাণৰ বাবে যোগান ধৰা সামগ্ৰীসমূহৰ ক্ষেত্ৰত দুৰ্নীতি ৰ কথাবিলাক তদন্ত কৰি দোষী বিষয়াসকলক শাস্তি দিয়াৰ কাৰণে বিহিত ব্যৱস্থা আনি মতে ল'ব নেকি, মাননীয় মন্ত্ৰী মহোদয়ে জনাব নে?

শ্ৰীদিলীপ কুমাৰ শইকীয়াঃ মাননীয় অধ্যক্ষ মহোদয় মাননীয়, সদস্যজনৰ বক্তব্যৰ লগত মই আৰু কেইটামান কথা যোগ দিব খুজিছো। অসমৰ ভৈয়াম জনজাতি উন্নয়ন নিগমৰ যিটো আঁচনি সেই আঁচনি মতে দৰিদ্ৰ সীমা ৰেখাৰ তলত থকা লোকসকলক চিলাই মেচিন ঠেলা গাড়ী, ৰিক্সা, উইভিং চেট আদি বস্তুবিলাক যোগান ধৰিব লাগে। কিন্তু আমাৰ উপৰোক্ত বক্তাই যিটো বক্তব্য ৰাখিছে সেই সম্পৰ্কত আমাৰ হাততো কাগজ-পত্ৰ আছে। ইয়াত যথেষ্ট খেলিমেলি আছে আৰু নিম্নমানৰ বস্তু যোগান ধৰা হৈছে। ভৈয়াম জনজাতি উন্নয়ন নিগমৰ ২৭টা শাখা আছে আৰু এই শাখাবোৰলৈ এই বস্তুবিলাকৰ যোগান ধৰা হৈছে।

অধ্যক্ষ মহোদয়, বিভিন্ন হিতাধিকাৰীয়ে অভিযোগ কৰিছে বিভিন্ন সময়ত, মন্ত্ৰী মহোদয়কো অভিযোগ কৰিছে— যিবিলাক চিলাই মেচিন যোগান ধৰিছে সেইবিলাক মেৰিট মেচিনৰ ঠাইত ইয়াতে স্থানীয়ভাৱে প্ৰস্তুত কৰা মেচিন যোগান ধৰিছে। এই বিলাক বিভিন্ন সময়ত হিতাধিকাৰীয়ে গ্ৰহণ কৰিবৰ বাবে অস্বীকাৰ কৰিছে। আমাৰ মাননীয় মন্ত্ৰী শ্ৰীদীগেন চন্দ্ৰ বৰা ডাঙৰীয়াৰ সমষ্টিটো তেনেকুৱা বস্তু যোগান ধৰিছে যাৰ ফলত ৰাইজে অভিযোগ কৰিছে। আৰু তেতিয়া লগে লগে সেইবিলাক বিতৰণ বন্ধ কৰি দিছে। অধ্যক্ষ মহোদয় এটা চিলাই মেচিনৰ দাম ৩৫০০ টকা । মেচিন ল'বলৈ ১৫০০ শ ব্ৰাঞ্চ মেনেজাৰে হিতাধিকাৰীসকলক মোকোলাই দিয়া নাই। এই সম্পৰ্কত স্থানীয় বিধায়ক হিচাপে মোৰ ওচৰত অভিযোগ দাখিল কৰিছে। ব্ৰাঞ্চবিলাকে উক্ত ধন জমা কৰি ৰাখিছে। এম, ডিলৈ লিখা চিঠি এখন মই পঢ়ি দিছো— below anti poverty. গুৱাহাটীতো বিভিন্ন হিতাধিকাৰীয়ে

অভিযোগ কৰিছে। মাননীয় মন্ত্ৰী শ্ৰীৰমেন্দ্ৰ কলিতাৰ সমষ্টিটো প্ৰায় ৬ গৰাকী হিতাধীকাৰীয়ে বস্তু বেয়া বুলি গ্ৰহণ নকৰি অভিযোগ দিছে। ইয়াৰ প্ৰতিলিপি জনজাতীয় বিভাগৰ মন্ত্ৰী মহোদয়লৈও প্ৰেৰণ কৰিছে। ই বিশেষকৈ মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো এই সকল কোন। কিমান মেচিন অসমৰ ব্ৰাঞ্চ বিলাকত যোগান ধৰা হ'ল, কিমান তাঁতশাল বিতৰণ কৰা হ'ল। ইয়াৰ যোগানকাৰী সকল হ'ল— Rickshaw, weavingset আৰু জানিব বিচাৰিছো এন, এন, এছোছিয়েট কোন? তেওঁৰ নামত কিমান টকাৰ বিল পাছ কৰি দিয়া হ'ল। সেইবিলাক জানিব বিচাৰিছো। গাঁৱৰ জনজাতীয় দুখীয়া মানুহবিলাকে এন্টি প্ৰভাটি স্কিমৰ জৰিয়তে উপকৃত হ'ব লাগে। কিন্তু তাৰ বিপৰীতে তেওঁলোকক শোষণ কৰা হৈছে। এ পি. টি ডি চি আৰু এচ, চি ডেভেলপমেন্ট ক'ৰ্পৰেচন দুটা অৰ্গেনাইজেচন আছে। ইয়াৰে পি টি ডি, চিৰ মেচিনৰ দাম এছুচি ডেভেলপমেন্ট ক'পৰেশ্বনৰ কম। সমান হ'ব লাগিছিল। ইয়াত যথেষ্ট খেলিমেলি আছে। গতিকে সেইবিলাক পুংখানুপুংখভাৱে তদন্ত কৰি বিহিত ব্যৱস্থা নল'লে জনজাতীয় ৰাইজ উপকৃত নহ'ব। গতিকে মাননীয় মন্ত্ৰীক তেখেতৰ ফালৰ পৰা গোটেই বিষয়টো পৰীক্ষা কৰি ব্যৱস্থা ল'বৰ কাৰণে অনুৰোধ কৰিলে। ইতিমধ্যে এন, এন, এচোটিয়েট ২০/৩/৯৬ তাৰিখে আমাৰ চৰকাৰ অহাৰ আগতে চালান নং দিয়া আছে Sub-Standard এইবিলাক কাগজতো ওলাইছে। তাৰ পিছত এম, এচ সত্যমৰ নামত ৭ লাখ ৭৪০ টকা ২০/৩/৯৬ তে দিয়া হৈছে। তাৰ পিছত এম, এচ বণিক এন্টাৰপ্ৰাইজক মথুৰানগৰ, ৬ লাখ ৫৫ হাজাৰ ৬৫৭ টকা দিছে। গতিকে মন্ত্ৰী মহোদয়ক এই গোটেইবিলাক পৰীক্ষা কৰি বিহিত ব্যৱস্থা ল'বলৈ অনুৰোধ জনালোঁ। ভৱিষ্যতে এনেধৰণৰ নিম্নমানৰ বস্তু জনজাতীয় লোকসকল যোগান নধৰে তাৰ বাবে এই বিধান সভাতে মই সকীয়াই থ'লো। মই নিজে এজন জনজাতীয় বিধায়ক হিচাবে জনজাতীয় সাধাৰণ মানুহখিনিৰ উন্নতিৰ কাৰণে চিন্তা কৰিব লাগিব। মাননীয় মন্ত্ৰী মহোদয়ক এই বিষয়ত ব্যৱস্থা ল'বৰ কাৰণে পুনৰবাৰ অনুৰোধ কৰিলো।

* শ্ৰীৰাজেন্দ্ৰ মুচাহাৰী (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক শ্ৰীদিলীপ শইকীয়া মহাশয়ক মই ধন্যবাদ জ্ঞাপন কৰিছো, তেখেতৰ প্ৰশ্নৰ কাৰণে। তেখেতে প্ৰশ্নসমূহ লিখিতভাৱে এই সদনত উত্থাপন কৰিলে ভাল হ'লহেঁতেন। মূল প্ৰশ্নটো আছিল মাননীয় সদস্য শ্ৰীনিজামুদ্দিন খান ডাঙৰীয়াৰ। মইপ্ৰথমতে তেখেতৰ প্ৰশ্নৰ উত্তৰটো দিম। তাৰ পিছত শ্ৰীশইকীয়া ডাঙৰীয়াৰ

প্ৰশ্নৰ উত্তৰ দিম।

মাননীয় সদস্য শ্ৰী খান ডাঙৰীয়া নন ট্ৰাইবেল হৈও ট্ৰাইবেলৰ উন্নয়নৰ কাৰণে চিন্তা কৰি যিটো প্ৰশ্ন কৰিছে তাৰ বাবে তেখেতক ধন্যবাদ জনাইছো। কাকতত প্ৰকাশিত হোৱা হিতাধিকাৰীক নিম্নমানৰ সামগ্ৰী যোগান ধৰি কাৰ উদৰ পূৰণ কৰিলে এই সম্পৰ্কত তদন্ত কৰা হৈছে। তদন্ত কৰি প্ৰমাণিত হৈছে যে কাকতত প্ৰকাশিত বিবৃতিটো সঁচা নহয়। যিহেতুকে আমাৰ কৰ্পোৰেচনৰ এটা নিজাববীয়াকৈ পাৰ্চেজ কমিটি আছে। বোৰ্ড অৱ ডাইৰেক্টৰৰ সিদ্ধান্তলৈ পাৰ্চেজ কমিটিয়ে এ, এচ, আই, ডি, চিৰ জৰিয়তে কিনাৰ সিদ্ধান্ত লোৱা হৈছিল। বিধায়ক গৰাকীয়ে যিটো ডিফাৰেঞ্চৰ কথা কৈছে সেইটো এ, এচ, আই. ডি চিক কমিচন আৰু চেল টেক্স দিবলগীয়া হোৱা কাৰণে এই ডিফাৰেঞ্চটো হৈছে। গতিকে এই বাতৰিটো সত্য নহয়। মাননীয় সদস্য শ্ৰীশইকীয়া ডাঙৰীয়াই যিটো প্ৰশ্ন কৰিছে তাৰ তথ্য মোৰ হাতত নাই। যিহেতুকে প্ৰশ্ন হিচাপে মই পোৱা নাই। এই সংক্ৰান্তত এই তদন্ত কৰিম। এই ক্ষেত্ৰত তেখেতক মোৰ লগত যোগাযোগ কৰি সহায় কৰিবলৈ আহ্বান জনাইছো।

শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে বাতৰিতো সঁচা নহয় বুলি কৈছে যদিও বাতৰিতো শতকৰা এশ ভাগেই সত্য। কোকৰাঝাৰতে গোষ্ঠীগত সংঘৰ্ষ হোৱাৰ কাৰণে মন্ত্ৰী মহোদয়ে চিলাই মেচিনৰ সলনি হালুৱা গৰু কিনিব লাগে বুলি কৈছিল। তাৰ কাৰণে এহাল গৰুৰ বাবদ মন্ত্ৰী মহোদয়ে ৬ হেজাৰ টকাৰ চেক দিছিল। কিন্তু দুৰ্ভাগ্যৰ বিষয় দুই মাহৰ পিছত টকা নোহোৱা কাৰণে সেই চেক বিলাক বাউঞ্চ হ'ল। দুমাহৰ পিছত হিতাধিকাৰীসকলক প্ৰদান কৰা হ'ল। ইয়াৰ দ্বাৰা নতুন বিপথে পৰিচালিত কৰি ৰাইজৰ মাজত হেয় প্ৰতিপন্ন কৰা চক্ৰান্ত কৰা হৈছে। উক্ত চেকবিলাক ৰাজহুৱাভাৱে বিতৰণ কৰা হৈছিল। মন্ত্ৰী মহোদয়ে কথাটো এতিয়াহে জানিব পাৰিছে। বাতৰিটো সঁচা। গতিকে এই বিষয়ত মন্ত্ৰী মহোদয়ে তদন্ত কৰাৰ ব্যৱস্থা ল'ব লাগে, যাতে জনজাতীয় লোকসকলক শোষণ কৰিব নোৱাৰে। তাৰ বাবে অনুৰোধ কৰিলোঁ।

মাননীয় অধ্যক্ষ ঃ মন্ত্ৰী মহোদয়ে তদন্ত কৰিম বুলি কৈছে।

## LAYING OF RULES, REGULATIONS ETC.

Mr. Speaker : Now item No. 4. Hon'ble Chief Minister to lay,

Sri Prafulla kumar Mahanta (Chief Minister) : Sir, I beg to lay The Assam General

Sales Tex (Amendment) Rules, 1996. (Notification) No. FTX. 60/ 93/136. dated 29-6-96.

Mr. Speaker : Now item No. 5.

Sri Prafulla Kumar Mahanta (Chief Minister) Sir, I beg to lay 'The Assam General Sales Tex (Amendment) Rules, 1996, (Notification) No. DTX. 60/ 93/146 dt. 26-9-96.

Mr. Speaker : Now item No. 6.

Sri Prafulla Kumar Mahanta (Chief Minister) : Sir, I beg to lay the Notification No. ASEB (RE) 100/94/116, dated 28-8-96 amending the Assam State Electricity Board (General) Service) Regulation (for Officers) 1960.

Mr. Speaker : Now item No. 7.

Sri Prafulla Kumar Mahanta (Chief Minister): Sir, I beg to lay Notification No. ASEB /PLT/199/75/Pt-II/25 dated 1-9-95 amending the Assam State Electricity Board Engineering Service Regulation, 1973.

Mr. Speaker : Now item No. 8

Sri Prafulla Kumar Mahanta (Chief Minister) : Sir, I beg to lay the Eight Annual Report of Assam Mineral Development Corporation Ltd. for the year, 1990/91.

Mr. Speaker : Item No. 9.

Shri Phani Bhusan Choudhury (Minister) : Sir, I beg to lay 'The Assam unemployment Assistance ( Amendment Scheme, 1995 (Notification No. GLR (RC) 43/81/Pt-II/36, dt. 22nd Feb. 1996.

Mr. Speaker : Item No. 10 .

Shri Phani Bhusan Choudhury (Minister) : Sir, I beg to lay 'The Assam Tea Plantations Provident fund and Pension Fund and Deposit linked Insurance Fund

(Amendment) Scheme, 1996, (Notification No. GLR (RC) 6/81/102 dt. the 27/30th Sept. 1996.

Mr. Speaker : The House stands adjourned till 8.30 A.M. tomorrow the 13th December, 1996.

## ADJOURNMENT

The House then stood adjournmed at 11.55 A.M. till 8.30 A.M. Tom orrow, the 13 th December, 1996,

D. Talukdar

Dispur

Secretary

The 12 th December, 1996.

Assam Legislative Assembly

Annexure – I

# LIST OF ESSENTIAL COMMODITIES

| Sl. No. | Commodities | 1-5-1996 Wholesale Price | 1-5-1996 Retail Price | 1-5-1996 Wholesale Price | 1-5-1996 Retail Price |
|---|---|---|---|---|---|
| 1 | 2 | 3 | 4 | 5 | 6 |
| 1. | Mota Rice | 760.00 – 830.00 | 8.00 – 8.80 | 74.00 – 850.00 | 8.50 – 9.50 |
| 2. | Ijong Rice | 860.00 – 1080.00 | 9.00 – 11.50 | 870.00 – 1150.00 | 10.00 – 12.50 |
| 3. | Parimal Rice | 800.00 – 1070.00 | 9.00 – 11.50 | 800.00 – 1120.00 | 10.00 – 12.50 |
| 4. | Atta | 550.00 – 570.00<br>610.00 – 625.00 | 6.50 – 7.00<br>7.20 – 7.50 | 745.00 – 770.00 | 9.00 – 9.50 |
| 5. | Masur Dal | 1780.00 2300.00 | 19.50 – 25.00 | 2200.00 – 2550.00 | 25.00 – 27.00 |
| 6. | Moog Dal | 2450.00 – 2550.00 | 25.00 – 27.00 | 2050.00 – 2150.00 | 22.00 – 24.00 |
| 7. | Mastered Oil | 510.00 – 530.00 | 33.00 – 35.00 | 540.00 – 565.00 | 34.00 – 36.00 |
| 8. | Salt | 77.39 – 87.52 | 1.33 – | 77.39 – 87.52 | 1.33 |
| 9. | Potato | 500.00 – 520.00 | 6.00 – 7.00 | 580.00 – 600.00 (old)<br>7.00 – 800.00 (New) | 7.50 – 10.50 |

## Statement showing the fund released to the districts for the year 1996-97 including departments

| | | |
|---|---|---|
| 1. | Kamrup | 14,47,000 |
| 2. | Bongaigaon | 45,97,325 |
| 3. | Goalpara | 1,50,000 |
| 4. | Borpeta | 21,04,475 |
| 5. | Nalbari | 19,33,000 |
| 6. | Sivasagaar | 20,07,000 |
| 7. | Dhemaji | 1,17,14,000 |
| 8. | Sonitpur | 1,95,000 |
| 9. | Morigaon | 28,83,911 |
| 10. | Nagaon | 6,40,116 |
| 11. | Tinsukia | 19,50,000 |
| 12. | Dibrugarh | 18,00,226 |
| 13. | Jorhat | 49,95,000 |
| 14. | North Lakhimpur | 67,94,000 |
| 15. | Darrang | 5,80,000 |
| 16. | Kokrajhar | 1,60,000 |
| 17. | Golaghat | 17,00,000 |
| 18. | Dhubri | 17,37,000 |
| 19. | Karimganj | 2,98,000 |
| 20. | Hailakandi | 2,90,000 |
| 21. | Cachar | 2,05,000 |
| 22. | Karbi Anglong | 2,30,000 |
| 23 | N.C. Hills | 1,70,000 |
| | Total Rs. | 4,93,52,053 |

## Statement showing the fund Proposedto be released to the Department for the year 1996 - 97

| | | | | |
|---|---|---|---|---|
| 1. | Flood Control Department | Rs. | 5.00 | Crores |
| 2. | Public Works Department | Rs. | 5.00 | Crores |
| 3. | Agriculture Department | Rs. | 5.00 | Crores |
| 4. | Irrigation Department | Rs. | 1.50 | Crores |
| 5. | Health & F.W. Department | Rs. | 0.50 | Crores |
| 6. | Forest Department | Rs. | 0.50 | Crores |
| 7. | Veterinary Department | Rs. | 0.30 | Crores |
| 8. | P.H.E. Department | Rs. | 0.20 | Crores |
| 9. | Chaar Areas Development Department | Rs. | 0.20 | Crores |
| | Total | Rs. | 18.20 | Crores |